# সাধাৰণ অধ্যয়ন

# GENERAL STUDIES

## দ্বাদশ শ্ৰেণীৰ পাঠ্যপুথি

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২
বামুণীমৈদাম, গুৱাহাটী-২১

**GENERAL STUDIES : A textbook on the subject 'General Studies' for Class XII in Assamese Version, prepared and approved by Assam State School Education Board, Division-II (Erstwhile Assam Higher Secondary Education Council) and published by HD International Educational Publishers on behalf of ASSEB, Division-II.**

**প্ৰথম প্ৰকাশ ঃ** ২০২৬

**মূল্য ঃ ১৭০.০০** টকা

**মুদ্ৰণ ঃ** 70 জি এছ্ এম

**বেটুপাত ঃ** 170 জি এছ্ এম

**মূল সংস্কৰণ ঃ** © অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২, ২০২৬ (পূৰ্বৰ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ)

**অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২-ৰ সচিবৰ দ্বাৰা প্ৰকাশিত**

**ছপা ঃ**
অৰোৰা ফাইন আৰ্টছ্, উদ্যোগপাম
উপপথ-৫, বামুণীমৈদাম, গুৱাহাটী-২১

**সৰ্বস্বত্ব সংৰক্ষিত**

- প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেকট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।
- এই কিতাপখনৰ বিক্ৰী এই চুক্তি সাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটুপাত, 'বাইণ্ডিঙ'ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰিব, ভাৰা দিব, পুনৰ বিক্ৰী কৰিব নাইবা ধাৰলৈ দিব নোৱাৰিব।
- এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ 'ষ্টাম্প', ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ'ব আৰু বিবেচিত নহ'ব।

**অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২ ৰ হকে**

**প্ৰকাশক**

**এইচ ডি ইণ্টাৰনেচনল ইডুকেচনেল পাব্লিছাৰ্চ**

এইচ. বি. ৰোড, পাণবজাৰ, গুৱাহাটী-১

**WhatsApp : 8638143320**

www.hdiedupublishers.com # e-mail : hdiedupublishers@gmail.com

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**

सत्यमेव जयते



# শুভেচ্ছাবাণী

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে সাধাৰণ অধ্যয়ন (General Studies) বিষয়টোক নতুন বাধ্যতামূলক বিষয় হিচাপে প্ৰৱৰ্তন কৰিছে বুলি জানি মই অত্যন্ত আনন্দিত হৈছো। সময়োপযোগী আৰু দূৰদৰ্শী এই পদক্ষেপে শিক্ষাৰ্থীসকলক কেৱল শৈক্ষিক সফলতাৰ বাবেই নহয়, বৰঞ্চ ক্ৰমবৰ্ধমান প্ৰতিযোগিতামূলক আৰু পৰিৱৰ্তনশীল বিশ্বত অৰ্থপূৰ্ণভাৱে অংশগ্ৰহণৰ বাবেও সাজু কৰি তুলিব।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-ৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি, শিক্ষা কেৱল পাঠ্যপুথি আৰু পৰীক্ষাৰ মাজতে সীমাবদ্ধ থাকিব নালাগে। ই শিক্ষাৰ্থীসকলক সমালোচনামূলক চিন্তাশক্তি, জীৱন দক্ষতা, কৰ্মসংস্থাপন যোগ্যতা, উদ্ভাৱনী শক্তি আৰু মূল্যবোধেৰে সমৃদ্ধ কৰিব লাগিব। এই পৰিপ্ৰেক্ষিতত, সাধাৰণ অধ্যয়ন বিষয়টোৰ প্ৰৱৰ্তন সুদক্ষ, দায়িত্বশীল আৰু সৰ্বাংগীণভাৱে বিকশিত যুৱ নাগৰিক গঢ়ি তোলাৰ ক্ষেত্ৰত এক প্ৰশংসনীয় পদক্ষেপ।

মই আনন্দেৰে লক্ষ্য কৰিছোঁ যে এই বিষয়টো সুচিন্তিতভাৱে প্ৰস্তুত কৰা হৈছে, য'ত বিভিন্ন ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আৰু প্ৰৱেশ পৰীক্ষাৰ বাবে কেৰিয়াৰ নিৰ্দেশনা আৰু আৰ্হি প্ৰশ্নপত্ৰ সন্নিৱিষ্ট কৰা হৈছে। মানসিক সুস্থতা, সহজ দক্ষতা (Soft Skills), বিত্তীয় সাক্ষৰতা, মূল্যবোধ আৰু ব্যৱহাৰিক জীৱন দক্ষতাৰ ওপৰত ইয়াৰ গুৰুত্ব আজিৰ গতিশীল পৰিৱেশত বিশেষভাৱে প্ৰাসংগিক।

মোৰ দৃঢ় বিশ্বাস যে এই বিষয়টোৱে শিক্ষাৰ্থীসকলক নিজৰ সম্ভাৱনা চিনাক্ত কৰাত, ব্যক্তিত্ব আৰু চৰিত্ৰ শক্তিশালী কৰাত আৰু ভৱিষ্যতৰ সুযোগ-সুবিধা তথা প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰাত সহায় কৰিব।

এই মহান ভৱিষ্যদৰ্শী পদক্ষেপৰ সৈতে জড়িত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ বিষয়া আৰু পাৰদৰ্শী ব্যক্তিসকলক মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। মই অন্তঃকৰণেৰে আশা কৰো যে, এই বিষয়টোৱে শিক্ষাৰ্থীসকলৰ বাবে এক অৰ্থপূৰ্ণ পথপ্ৰদৰ্শক হিচাপে কাম কৰিব আৰু অসমত দক্ষ, জ্ঞানসম্পন্ন আৰু আত্মনিৰ্ভৰশীল প্ৰজন্ম গঢ়ি তোলাত উল্লেখযোগ্য অৱদান আগবঢ়াব।

এই মহৎ প্ৰচেষ্টাৰ সফলতা কামনা কৰি মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

(ড০ হিমন্ত বিশ্ব শৰ্মা)

**Dr. Ranoj Pegu**
**Minister**
**Education & Tribal Affairs (P)**

सत्यमेव जयते

Block-1, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati-781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (0)
E-mail: ranojpegu@gmail.com



# শুভেচ্ছাবাণী

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-ৰ দৃষ্টিভংগী আৰু লক্ষ্যসমূহৰ সৈতে সামঞ্জস্য ৰাখি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে 'সাধাৰণ অধ্যয়ন' বিষয়টো প্ৰৱৰ্তন কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপে শিক্ষাৰ্থীসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে সমসাময়িক বিভিন্ন বিষয় আৰু আন্তঃবিষয়ক জ্ঞানৰ ক্ষেত্ৰত গভীৰতা বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বাবে সাধাৰণ অধ্যয়নৰ জ্ঞান অত্যন্ত গুৰুত্বপূৰ্ণ। ইতিহাস, ভূগোল, ৰাজনীতি, অৰ্থনীতি, বিজ্ঞান, সংস্কৃতি আৰু সাম্প্ৰতিক ঘটনাপ্ৰবাহ আদি বিষয়ত ই এক সুদৃঢ় ভিত্তি গঢ়ি তোলে। ইয়াৰ উপৰি এই বিষয়ৰ অধ্যয়নে বিশ্লেষণধৰ্মী আৰু সমালোচনামূলক চিন্তাশক্তি বৃদ্ধি কৰাৰ লগতে জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উন্নয়নসমূহৰ বিষয়ে সচেতনতা গঢ়ি তোলে, যাৰ ফলত শিক্ষাৰ্থীসকলে বস্তুনিষ্ঠ আৰু বৰ্ণনামূলক দুয়ো ধৰণৰ পৰীক্ষাতে উন্নত ফলাফল লাভ কৰিব পাৰে।

এই পাঠ্যপুথিখন শিক্ষাৰ্থীসকলক সাধাৰণ অধ্যয়নৰ এক বিস্তৃত আৰু সুসংহত ভিত্তি প্ৰদান কৰাৰ উদ্দেশ্যে যত্নসহকাৰে প্ৰস্তুত কৰা হৈছে। ইয়াত উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চুবুৰীয়া ৰাজ্যসমূহ, বৈজ্ঞানিক মনোভাৱৰ বিকাশ, সাংস্কৃতিক ঐতিহ্য, ভাৰতীয় জ্ঞান-পৰম্পৰা, সহ-পাঠ্যক্ৰমীয় কাৰ্যকলাপ (CCA), কৰ্মমুখী শিক্ষা, মানৱ অধিকাৰ আদি গুৰুত্বপূৰ্ণ বিষয়সমূহ সামৰি লোৱা হৈছে। এই পাঠ্যপুথিখনে শিক্ষাৰ্থীসকলৰ সমালোচনামূলক চিন্তাশক্তি বিকাশ, যোগাযোগ দক্ষতা শক্তিশালীকৰণ আৰু পৰম্পৰাগত বিষয়ভিত্তিক অধ্যয়নৰ সীমা অতিক্ৰম কৰি অধিক বিস্তৃত জ্ঞান লাভত সহায় কৰিব বুলি আশা কৰা হৈছে।

এই পাঠ্যপুথিখনৰ প্ৰস্তুতিৰ সৈতে জড়িত সকলো শিক্ষক, বিষয়বিশেষজ্ঞ, লেখক আৰু অৱদানকাৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ দৃঢ় বিশ্বাস যে এই পদক্ষেপে শিক্ষাৰ্থীসকলৰ বৌদ্ধিক বিকাশ, আন্তঃবিষয়ক শিক্ষাগ্ৰহণ আৰু সামগ্ৰিক ব্যক্তিত্ব গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। লগতে উচ্চশিক্ষা, বিভিন্ন পেছাগত সুযোগ আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে তেওঁলোকক অধিক সুসজ্জিত কৰি তুলিব।

এই মহৎ প্ৰচেষ্টাৰ সফলতা কামনা কৰি শুভেচ্ছা জনালোঁ।

(ড° ৰণোজ পেগু)

**আৰ. চি. জৈন, আই এ এচ (অৱসৰপ্ৰাপ্ত)**
**অধ্যক্ষ**

**অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ**
বামুণীমৈদাম, গুৱাহাটী-২১
E-mail: jain_rcj@yahoo.com



# অধ্যক্ষৰ একাষাৰ

ৰাষ্ট্ৰীয় বিদ্যালয় শিক্ষা পাঠ্যক্ৰম গাঁথনি (NCF-SE) 2023-এ সাধাৰণ অধ্যয়ন (General Studies) বিষয়টোক এক বহুমাত্ৰিক বিষয় হিচাপে কল্পনা কৰিছে, যিয়ে শিক্ষাৰ আৱেগিক দিশসমূহ যেনে— মূল্যবোধ, মনোভাৱ, সজাগতা আৰু দায়িত্বশীল নাগৰিকত্ব বিকাশত সহায় কৰে। কেৱল শিক্ষায়তনিক জ্ঞানৰ ওপৰতে গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে, ই শিক্ষাক সামাজিক, সাংস্কৃতিক, পৰিৱেশগত আৰু বাস্তৱ জীৱনৰ বিষয়সমূহৰ সৈতে সংযোগ স্থাপন কৰিবলৈ চেষ্টা কৰে। সেই অনুসৰি, উচ্চতৰ মাধ্যমিক (একাদশ-দ্বাদশ) শ্ৰেণীৰ বাবে প্ৰস্তাৱিত পাঠ্যক্ৰমত সাধাৰণ অধ্যয়নক আভ্যন্তৰীণ মূল্যায়নৰ বাবে বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

NCF-SE 2023-ৰ দৃষ্টিভংগী আৰু লক্ষ্যৰ সৈতে সামঞ্জস্য ৰাখি শিক্ষাৰ্থীসকলৰ বাবে এই বিস্তৃত 'সাধাৰণ অধ্যয়ন' পাঠ্যপুথিখন উছৰ্গা কৰিব পাৰি মই অত্যন্ত আনন্দ অনুভৱ কৰিছোঁ। আজিৰ দ্ৰুত পৰিৱৰ্তনশীল পৃথিৱীত, য'ত প্ৰযুক্তিগত অগ্ৰগতি আৰু বিশ্বব্যাপী আন্তঃসংযোগে নতুন দিশ উন্মোচন কৰিছে, তেনে পৰিস্থিতিত শিক্ষা কেৱল তথ্য আহৰণৰ মাজতে সীমাবদ্ধ থাকিব নোৱাৰে। প্ৰকৃত শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যিয়ে শৰীৰ, মন আৰু আত্মাৰ সামগ্ৰিক বিকাশ সাধন কৰাৰ লগতে চৰিত্ৰ, প্ৰজ্ঞা আৰু জীৱনদক্ষতাৰো বিকাশ ঘটায়।

শিক্ষাৰ্থীসকলক ইতিহাস, সংস্কৃতি, ভূগোল, অৰ্থনীতি, বিজ্ঞান, নৈতিকতা আৰু সমসাময়িক বিষয়সমূহৰ এক সমন্বিত বুজাবুজি প্ৰদান কৰাৰ উদ্দেশ্যে এই গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে সামাজিক দায়বদ্ধতা, পৰিৱেশ সচেতনতা, বৈচিত্ৰ্যৰ প্ৰতি সন্মান আৰু আধুনিক সমাজৰ প্ৰত্যাহ্বানসমূহৰ প্ৰতি গঠনমূলক দৃষ্টিভংগী গঢ়ি তোলা।

'সাধাৰণ অধ্যয়ন' হৈছে সচেতন আৰু দায়িত্বশীল নাগৰিকত্বৰ ভেটি। এই গ্ৰন্থত অন্তৰ্ভুক্ত বিষয়সমূহ সযতনে নিৰ্বাচন কৰা হৈছে, যাতে শিক্ষাৰ্থীসকলৰ সমালোচনামূলক চিন্তাশক্তি, বৈজ্ঞানিক মানসিকতা আৰু বিশ্লেষণাত্মক ক্ষমতাৰ বিকাশ হয়। একে সময়তে, ই বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাতো সহায় কৰিব। মুখস্থ বিদ্যাৰ পৰিৱৰ্তে অৰ্থবহ শিক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে, যাতে শিক্ষাৰ্থীসকলে নিজৰ স্বকীয়তা উপলব্ধি কৰিব পাৰে আৰু নিজ নিজ সম্ভাৱনাক বাস্তৱায়িত কৰিব পাৰে।

মোৰ আন্তৰিক আশা যে এই গ্ৰন্থখনে ইয়াৰ নিৰ্ধাৰিত উদ্দেশ্য সফলভাৱে পূৰণ কৰিব আৰু শিক্ষাৰ্থীসকলৰ বৌদ্ধিক তথা ব্যক্তিগত বিকাশত এক অৰ্থপূৰ্ণ অৱদান আগবঢ়াব।

ৰমেশ চান্দ জৈন, আই এ এচ (অৱসৰপ্ৰাপ্ত)
অধ্যক্ষ
অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ

বামুণীমৈদাম, গুৱাহাটী-২১

**ৰুক্ম গোহাঁই বৰুৱা**
**উপাধ্যক্ষ**

**অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ**
বামুণীমৈদাম, গুৱাহাটী-২১

# উপাধ্যক্ষৰ একাষাৰ

শিক্ষাত সাধাৰণ অধ্যয়ন (General Studies) বিষয়টোৰ গুৰুত্ব বহুত বেছি। এই বিষয়টোৱে শিক্ষাৰ্থীসকলক নিজৰ মূল বিষয়ৰ উপৰিও বিভিন্ন ক্ষেত্ৰৰ জ্ঞানৰ সৈতে পৰিচয় কৰায়। ইয়াৰ ফলত তেওঁলোকৰ চিন্তা কৰাৰ ক্ষমতা বৃদ্ধি পায়, যোগাযোগ দক্ষতা উন্নত হয় আৰু নতুন পৰিস্থিতিৰ সৈতে খাপ খাব পৰা মানসিকতা গঢ়ি উঠে। লগতে, ই শিক্ষাৰ্থীসকলক সৰ্বাংগীণভাৱে বিকশিত ব্যক্তি হিচাপে গঢ়ি তোলে, আনৰ অনুভূতি বুজিবলৈ শিকায় আৰু বাস্তৱ জীৱনৰ জটিল সমস্যাসমূহ সমাধানৰ বাবে বিভিন্ন বিষয়ৰ জ্ঞান ব্যৱহাৰ কৰিবলৈ সক্ষম কৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) 2020-ৰ দৃষ্টিভংগী অনুসৰি প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় বিদ্যালয় শিক্ষা পাঠ্যক্ৰম গাঁথনি (NCFSE) 2023-ত সাধাৰণ অধ্যয়নক পৰম্পৰাগত বিষয় হিচাপে নহয়, বৰং আভ্যন্তৰীণ মূল্যায়নৰ এক গুৰুত্বপূৰ্ণ আৰু বাধ্যতামূলক অংশ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এই বিষয়টোৱে মূল্যবোধ, সামাজিক সচেতনতা আৰু দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় দক্ষতা বিকাশৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখে। NCFSE-ৰ নিৰ্দেশনা অনুসৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ পৰা দ্বাদশ শ্ৰেণীত সাধাৰণ অধ্যয়ন বিষয়টো আৰম্ভ কৰিছে।

NCFSE-ৰ পৰামৰ্শসমূহ বাস্তৱায়িত কৰাৰ উদ্দেশ্যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই পাঠ্যপুথিখন শিক্ষাৰ্থীসকলৰ বাবে এক পথপ্ৰদৰ্শক হাতপুথি হিচাপে প্ৰস্তুত কৰিছে। এই গ্ৰন্থখন কেৱল আভ্যন্তৰীণ মূল্যায়নৰ বাবে সহায়ক নহয়, বৰং মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত শিক্ষাৰ্থীসকলে যি আধুনিক বিশ্বৰ সন্মুখীন হ'ব, সেই বিশ্বখনক বুজিবলৈ আৰু বিভিন্ন দিশসমূহ সঠিকভাৱে চিন্তা-চৰ্চা কৰিবলৈও সহায় কৰিব।

মোৰ আশা যে এই পাঠ্যপুথিখনে শিক্ষাৰ্থীসকলৰ মনত নতুন আশা, আত্মবিশ্বাস আৰু ভৱিষ্যতৰ বাবে ইতিবাচক চিন্তাধাৰা গঢ়ি তুলিবলৈ সক্ষম হ'ব।

**(ৰুক্ম গোহাঁই বৰুৱা)**
উপাধ্যক্ষ
অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২
বামুণীমৈদাম, গুৱাহাটী-২১

বামুণীমৈদাম, গুৱাহাটী-২১

# ভূমিকা

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ লক্ষ্য আৰু দৃষ্টিভংগী অনুসৰি ২০২৫-২০২৬ শিক্ষাবৰ্ষৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যয়ন-সূচীত সাধাৰণ অধ্যয়ন (General Studies) বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে। সাধাৰণ অধ্যয়নক এক বহুমাত্ৰিক পদ্ধতি অথবা সামগ্ৰিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে গণ্য কৰা হয়, যিয়ে বিভিন্ন বিষয়ৰ সমন্বয়ৰ জৰিয়তে সমালোচনামূলক চিন্তাশক্তি, সাধাৰণ যোগ্যতা, সামাজিক সচেতনতা আৰু নাগৰিকৰ দায়বদ্ধতাৰ বিকাশ সাধন কৰে।

সাধাৰণ অধ্যয়ন বিষয়টো সামগ্ৰিক পাঠ্যক্ৰমৰ এক অতি গুৰুত্বপূৰ্ণ অংশ, কিয়নো ই শিক্ষাৰ্থীসকলক এক সমন্বিত আৰু সৰ্বাংগীণ ব্যক্তিত্ব গঢ়ি তোলাৰ সামৰ্থ্য প্ৰদান কৰে। এই বিষয়টোৰ মূল্যায়ন শিক্ষানুষ্ঠানসমূহে আভ্যন্তৰীণভাৱে সম্পন্ন কৰিব। আভ্যন্তৰীণ পৰীক্ষাত লাভ কৰা নম্বৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ নম্বৰপত্ৰত গ্ৰেড হিচাপে প্ৰতিফলিত হ'ব।

২০২৬-২০২৭ শিক্ষাবৰ্ষত এই বিষয়টো দ্বাদশ শ্ৰেণীৰ বাবে প্ৰৱৰ্তন কৰা হৈছে। পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ উদ্দেশ্যসমূহ সফলভাৱে বাস্তৱায়িত কৰাৰ লক্ষ্যৰে বিশেষজ্ঞসকলৰ সহযোগত “দ্বাদশ শ্ৰেণীৰ বাবে সাধাৰণ অধ্যয়ন” শীৰ্ষক এই পাঠ্যপুথিখন প্ৰস্তুত কৰা হৈছে। এই মহৎ কাৰ্যত আন্তৰিক নিষ্ঠা আৰু একাগ্ৰতাৰে অৰদান আগবঢ়োৱা পাঠ্যপুথি প্ৰস্তুতি সমিতিৰ সকলো বিশেষজ্ঞক অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২ৰ পক্ষৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে, এই গ্ৰন্থখনৰ প্ৰকাশনৰ সৈতে জড়িত সকলো ব্যক্তিলৈও মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২-এ সমাজৰ সকলো স্তৰৰ পৰা পাঠ্যপুথিখনৰ সম্পৰ্কীয় সকলো ধৰণৰ মতামত, পৰামৰ্শ আৰু গঠনমূলক প্ৰতিক্ৰিয়া আন্তৰিকভাৱে গ্ৰহণ কৰিব। এই পৰামৰ্শসমূহে ভৱিষ্যতে পাঠ্যপুথিখনৰ অধিক সংশোধন, পৰিমাৰ্জন আৰু উন্নয়নত আমাক সহায় কৰিব। গ্ৰন্থখন প্ৰস্তুত কৰোঁতে সকলো প্ৰকাৰৰ যত্ন লোৱা হৈছে; তথাপিও যদি কোনো ত্ৰুটি পৰিলক্ষিত হয়, তেন্তে সেইসমূহ সংশোধনৰ বাবে পৰৱৰ্তী সংস্কৰণত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব।

নৰনাৰায়ণ নাথ (এ চি এচ)
সচিব
অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২
বামুণীমৈদাম, গুৱাহাটী-২১

বামুণীমৈদাম, গুৱাহাটী-২১

# পাঠ্যপুথি উন্নয়ন সমিতি

## সম্পাদক

**ড° শিখৰ কুমাৰ শৰ্মা**

*ডীন, প্ৰযুক্তি অনুষদ আৰু মুৰব্বী অধ্যাপক, তথ্য-প্ৰযুক্তি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*

## লেখক মণ্ডলী

- **ড° সমুদ্ৰগুপ্ত কাশ্যপ**
  *আচাৰ্য্য, নাগালেণ্ড বিশ্ববিদ্যালয়, বিশিষ্ট শিক্ষাবিদ*
- **ড° শিখৰ কুমাৰ শৰ্মা**
  *ডীন, প্ৰযুক্তি অনুষদ আৰু মুৰব্বী অধ্যাপক, তথ্য-প্ৰযুক্তি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*
- **ড° সপ্তদ্বীপা শাণ্ডিল্য**
  *সহকাৰী অধ্যাপিকা, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*
- **ড° হেমন্ত ৰাভা**
  *প্ৰশিক্ষণ আৰু সক্ষমতা বিকাশ বিশেষজ্ঞ, এআইটিইচি আৰু চিএছডি চছাইটী, অসম চৰকাৰ*
- **জ্যোতি খাটনিয়াৰ**
  *জনসংযোগ বিষয়া, নেমকেয়াৰ গ্ৰুপ অৱ ইনষ্টিটিউচনছ, মিৰ্জা, গুৱাহাটী*
- **দেৱজিত ভূঞা**
  *ব্যৱস্থাপনা আৰু কেৰিয়াৰ পৰামৰ্শদাতা, পৰিচালন সঞ্চালক, দিহাং এডুটেক ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাঃ লিঃ*

## ভাষান্তৰ

**অঞ্জলি ডেকা**

এম.এ. (অসমীয়া), এম.এ. (শিক্ষা), বি.এড., পিজিডিচিএ

*সহকাৰী শিক্ষয়িত্ৰী, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী*

## সমন্বয়ক

**জ্যোতিস্মিতা বৰা**

*উপ-সমন্বয়ক আৰু এছপিআইঅ'*

*বৃত্তিমূলক আৰু দক্ষতা বিকাশ কোষ, জলপাণি বিভাগ*

*অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২*

# সাধাৰণ অধ্যয়ন (General Studies)
## SYLLABUS FOR CLASS-XII

**উদ্দেশ্য আৰু ভিত্তি (Rationale) ঃ**

মাধ্যমিক শিক্ষা স্তৰটো হৈছে যুৱসমাজৰ গঠনাত্মক সময়, যি এখন উন্নত দেশ গঢ়াত সহায় কৰে। সেয়ে মাধ্যমিক শিক্ষাৰ গুৰুত্ব বুজি এই স্তৰৰ বাবে উপযুক্ত পাঠ্যসূচী বাছনি কৰাটো অতি প্ৰয়োজনীয়।

মাধ্যমিক শিক্ষা ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ পৰ্যায়। কাৰণ ই মাধ্যমিক স্তৰৰ পৰা উচ্চ শিক্ষাৰ বা কাৰিকৰী প্ৰশিক্ষণৰ মাজত এক সেতুৰ দৰে কাম কৰে। মাধ্যমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, ব্যক্তিগত আৰু সামাজিক দক্ষতা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকক ভৱিষ্যতৰ সফলতাৰ বাবে প্ৰস্তুত কৰি তোলে।

একাদশ শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীত পাঠসূচী বিশেষভাৱে নিৰ্বাচিত বিষয়সমূহৰ ওপৰত ভিত্তি কৰি বিভক্ত কৰা হয়, যিবোৰ উচ্চ শিক্ষাৰ বাবে নিৰ্দিষ্ট দিশতহে সহায় কৰে। এই ধৰণৰ বিশেষ অধ্যয়নে আন গুৰুত্বপূৰ্ণ বিষয় বা ক্ষেত্ৰসমূহৰ বিষয়ে যথেষ্ট জ্ঞান দিব নোৱাৰে। এই সমস্যাৰ সমাধানৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, সংমণ্ডল-২ য়ে সকলো শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে **'সাধাৰণ অধ্যয়ন'** বিষয়টো বাধ্যতামূলক হিচাপে প্ৰৱৰ্তন কৰিছে। এই বিষয়টো আভ্যন্তৰীণভাৱে মূল্যায়ন কৰা হ'ব আৰু গ্ৰেড প্ৰদান কৰা হ'ব, যি মাৰ্কশ্বীটত প্ৰতিফলিত হ'ব।

দ্বাদশ শ্ৰেণীত সাধাৰণ অধ্যয়ন বিষয়টো অন্তৰ্ভুক্ত কৰাৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী বিস্তৃত কৰা, জটিল চিন্তা (critical thinking) কৰাৰ কৌশল আহৰণ কৰা, সামাজিক আৰু সাংস্কৃতিক সচেতনতা বৃদ্ধি কৰা আৰু বহু-বিষয়ভিত্তিক পদ্ধতিৰ জৰিয়তে বিভিন্ন বিষয়ৰ সামগ্ৰিক বোধ গঢ়ি তোলা। এই বিষয়টোৱে যোগাযোগ দক্ষতা উন্নত কৰে, নাগৰিকৰ দায়িত্ববোধ বৃদ্ধি কৰে, স্বাধীন অধ্যয়ন আৰু ব্যক্তিগত-সামাজিক বিকাশত সহায় কৰে আৰু আজীৱন শিক্ষাৰ বীজ ৰোপণ কৰে। বিভিন্ন বিষয় আৰু দক্ষতা অন্তৰ্ভুক্ত কৰি সাধাৰণ অধ্যয়ন বিষয়টোৱে ছাত্ৰ-ছাত্ৰীক বিস্তৃত জ্ঞান প্ৰদান কৰে আৰু সেই জ্ঞান দৈনন্দিন জীৱনত ব্যৱহাৰ কৰাৰ সামৰ্থ্য গঢ়ি তোলে। ই উচ্চ শিক্ষাৰ বাবে গঠনমূলক চিন্তাধাৰাৰ বিকাশতো সহায় কৰে। এই পাঠ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক বিষয়সমূহৰ প্ৰতি সচেতনতা বৃদ্ধি কৰি, বৈজ্ঞানিক মনোভাৱ গঢ়ি তুলি আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি সন্মান বৃদ্ধি কৰি দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে।

পৰিৱেশ আৰু সাধাৰণ অধ্যয়নৰ অনুশীলনে ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হ'বলৈ উৎসাহিত কৰে। ই তেওঁলোকৰ দৃষ্টিভংগী প্ৰসাৰ কৰে আৰু সাংস্কৃতিক, সামাজিক আৰু বৈজ্ঞানিক ক্ষেত্ৰত ব্যক্তিগত আগ্ৰহ বিকাশ কৰে। সামগ্ৰিকভাৱে, মাধ্যমিক স্তৰত **সাধাৰণ অধ্যয়ন** পঢ়াটো ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ বাবে এক মূল্যবান বিনিয়োগ, যিয়ে তেওঁলোকক শৈক্ষিক সফলতা, ভৱিষ্যতৰ পেছা আৰু সন্তোষজনক জীৱনৰ দিশলৈ আগবঢ়াই লৈ যায়।

**"সাধাৰণ অধ্যয়ন" বিষযটোৰ গুৰুত্ব ঃ**

**(১) সামগ্ৰিক বোধৰ বিকাশ কৰা (Developing a Holistic Understanding) ঃ**

- 'সাধাৰণ অধ্যয়ন' বিষয়টোৱে ছাত্ৰ-ছাত্ৰীক সমাজবিজ্ঞান, মানবিক বিজ্ঞান, গণিত আৰু কম্পিউটেশ্যনেল চিন্তা, আৰু সাম্প্ৰতিক বিষয়সহ বিভিন্ন বিষয়ৰ সৈতে পৰিচয় কৰায়, যাৰ ফলত বিভিন্ন জ্ঞানক্ষেত্ৰৰ মাজৰ সংযোগ বুজিবলৈ সহায় কৰে।
- ই ছাত্ৰ-ছাত্ৰীক নিজৰ বিশেষ বিষয়ৰ বাহিৰলৈ গৈ জীৱন, সমাজ আৰু পৃথিৱীৰ বিভিন্ন দিশৰ ওপৰত বিস্তৃত দৃষ্টিভংগী গঢ়ি তুলিবলৈ উৎসাহিত কৰে।

**(২) সমালোচনামূলক চিন্তা আৰু সমস্যা সমাধানৰ দক্ষতা উন্নত কৰা (Enhancing Critical Thinking and Problem-Solving) ঃ**

- বিভিন্ন দৃষ্টিভংগীৰ বিশ্লেষণ আৰু জটিল বিষয়সমূহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সমালোচনামূলক চিন্তাৰ বিকাশ কৰে, যি সঠিক সিদ্ধান্ত লোৱা আৰু সমস্যা সমাধান কৰাৰ বাবে অতি প্ৰয়োজনীয়।
- এই বিষয়টোৱে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন উত্থাপন কৰা, বিশ্লেষণ কৰা আৰু তথ্য মূল্যায়ন কৰিবলৈ উৎসাহিত কৰে, যাৰ ফলত বৌদ্ধিক আগ্ৰহ আৰু গভীৰ বোধৰ বিকাশ হয়।

**(৩) উচ্চ শিক্ষা আৰু পেছাৰ বাবে প্ৰস্তুতি (Preparing for Higher Education and Careers) ঃ**

- বহুতো প্ৰতিযোগিতামূলক পৰীক্ষা আৰু উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত সাধাৰণ জ্ঞান আৰু বিশ্লেষণ ক্ষমতাৰ শক্তিশালী আধাৰৰ প্ৰয়োজন হয়।
- **সাধাৰণ অধ্যয়নে** ছাত্ৰ-ছাত্ৰীক বিভিন্ন শিক্ষাগত আৰু পেছাগত ক্ষেত্ৰত সফল হ'বলৈ প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা প্ৰদান কৰে।
- ই কথিত আৰু লিখিত দুয়ো ধৰণৰ যোগাযোগ দক্ষতা উন্নত কৰাতো সহায় কৰে, যি শিক্ষাগত আৰু পেছাগত ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ।

**(৪) ব্যক্তিগত বিকাশ উন্নত কৰা (Fostering Personal Growth) ঃ**

- **সাধাৰণ অধ্যয়নে** ছাত্ৰ-ছাত্ৰীক নিজক ভালদৰে বুজিবলৈ, আনৰ প্ৰতি সহানুভূতিশীল হ'বলৈ আৰু ইতিবাচক সম্পৰ্ক গঢ়িবলৈ সহায় কৰে।
- **ই স্ব-নিয়ন্ত্ৰিত অধ্যয়ন (self-directed learning)** এক শক্তিশালী জ্ঞান আৰু দক্ষতাৰ আধাৰ প্ৰদান কৰে আৰু আজীৱন শিক্ষাৰ আগ্ৰহ বৃদ্ধি কৰে।

**শিকন উদ্দেশ্যসমূহ ঃ**

সাধাৰণ অধ্যয়ন শিকণৰ উদ্দেশ্যসমূহ তলত দিয়া ধৰণৰ—

- **সাধাৰণ অধ্যয়নে** স্ব-নিয়ন্ত্ৰিত অধ্যয়ন (self-directed learning) প্ৰচাৰ কৰে আৰু ছাত্ৰ-ছাত্ৰীক নিজৰ শিক্ষা প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

- **সাধাৰণ অধ্যয়নে** ছাত্ৰ-ছাত্ৰীক নাগৰিক হিচাপে নিজৰ অধিকাৰ আৰু দায়িত্বৰ বিষয়ে শিকায় আৰু সমাজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।
- এই বিষয়টোৱে ছাত্ৰ-ছাত্ৰীক নিজৰ জ্ঞান বাস্তৱ জীৱনৰ পৰিস্থিতিত প্ৰয়োগ কৰাৰ সুযোগ দিয়ে আৰু সমস্যা সমাধানৰ দক্ষতা বিকাশ কৰে।
- ই ছাত্ৰ-ছাত্ৰীক দেশৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু ৰাজনীতি, কৃষি, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা আৰু উদ্যোগ আদি বিভিন্ন ক্ষেত্ৰত লাভ কৰা সফলতাৰ প্ৰতি গৌৰৱ অনুভৱ কৰিবলৈ সহায় কৰে।
- **সাধাৰণ অধ্যয়নে** ছাত্ৰ-ছাত্ৰীক কথিত আৰু লিখিত দুয়ো ধৰণৰ যোগাযোগ দক্ষতা উন্নত কৰাত সহায় কৰে, যাতে তেওঁলোকে নিজৰ ভাব আৰু মতামত স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰে। লগতে তেওঁলোকক দেশৰ সমসাময়িক সামাজিক-আৰ্থিক সমস্যাসমূহ যেনে— অশিক্ষা, দৰিদ্ৰতা, সামাজিক অসামঞ্জস্যতা, লিংগ বা জাতিগত বৈষম্য আদিৰ বিষয়ে অৱগত কৰে।
- **সাধাৰণ অধ্যয়নে** ছাত্ৰ-ছাত্ৰীক তথ্যসমূহ পদ্ধতিগতভাৱে বিশ্লেষণ, মূল্যায়ন আৰু ব্যাখ্যা কৰিবলৈ শিকায়।

ASSEB-ৰ সংশোধিত শৈক্ষিক পাঠ্যসূচী অনুসৰি, ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ পৰা **দ্বাদশ শ্ৰেণী**ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে **'সাধাৰণ অধ্যয়ন'** বিষয়টো **বাধ্যতামূলক** কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক লিখিত পৰীক্ষা আৰু প্ৰকল্প কামৰ জৰিয়তে মূল্যায়ন কৰা হ'ব।

এই বিষয়টোৰ বাবে মুঠ ৫০ নম্বৰ নিৰ্ধাৰণ কৰা হৈছে, কিন্তু লাভ কৰা নম্বৰসমূহ চূড়ান্ত ফলাফলত যোগ কৰা নহ'ব। ইয়াৰ পৰিৱৰ্তে, ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰ অনুসাৰে গ্ৰেড প্ৰদান কৰা হ'ব, যি মাৰ্কশ্বীটত প্ৰতিফলিত হ'ব। এই বিষয়টোৰ গ্ৰেডিং ব্যৱস্থা তলত দিয়া ধৰণৰ—

**গ্ৰেডিং ব্যৱস্থা ঃ**

| গ্ৰেড | শতকৰা (%) | নম্বৰ পৰিসৰ |
|---|---|---|
| **A** | ৮০% —১০০% | ৪০ — ৫০ |
| **B** | ৬০% —৭৯% | ৩০ — ৩৯ |
| **C** | ৪০% —৫৯% | ২০ — ২৯ |
| **D** | ০% —৩৯% | ০ — ১৯ |

## SYLLABUS FOR GENERAL STUDIES

**One Paper** **Time : 1 hrs 30 minutes** **Marks : 50**

Marks in Theory (Internal written examination) : 30

Marks for Project (Internal examination) : 20

| গোট | অধ্যায় | বিষয়বস্তু |
|---|---|---|
| ০১ | **আমাৰ উত্তৰ-পূব, আমাৰ চুবুৰীয়া ৰাজ্য (Our Northeast, Our Neighbourhood)** | • সামাজিক-অৰ্থনৈতিক গাঁথনিৰ পৰিচয় আৰু ইয়াৰ বৰ্তমান ধাৰা<br>• উত্তৰ-পূৰ্বাঞ্চল আৰু আমাৰ চুবুৰীয়া অঞ্চলসমূহ |
| ০২ | **বৈজ্ঞানিক মনোভাৱৰ বিকাশ (Inculcation of Scientific Temper)** | • আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি<br>• বৰ্তমান সমাজত বৈজ্ঞানিক মনোভাৱ আৰু প্ৰযুক্তিৰ প্ৰভাৱ আৰু ব্যৱহাৰ<br>• চাইবাৰ অপৰাধ পৰিৱেশ (Cybercrime Ecosystem) |
| ০৩ | **সাংস্কৃতিক ঐতিহ্য (Cultural Heritage)** | • বৈচিত্ৰ্যৰ মাজত ঐক্য<br>• সামাজিক বাধা দূৰীকৰণ<br>• লিংগ সমতা<br>• ৰাষ্ট্ৰ নিৰ্মাণ (Nation Building) |
| ০৪ | **সহ-পাঠ্য কাৰ্যক্ৰমৰ গুৰুত্ব (Importance of CCA)** | • NCC, NSS, স্কাউটছ আৰু গাইডছ আদি<br>• সংগীত, নাটক, নৃত্য, বিতৰ্ক, আবৃত্তি আদি CCA হিচাপে |
| ০৫ | **ভাৰতীয় জ্ঞান পদ্ধতি (Indian Knowledge System)** | • ভাৰতীয় দৰ্শন পদ্ধতি<br>• বৈদিক গণিত<br>• ভাৰতীয় জ্যোতিৰ্বিজ্ঞান<br>• যোগ আৰু ধ্যান<br>• আয়ুৰ্বেদ<br>• ভাৰতীয় কলাৰূপ (সংগীত, নৃত্য আদি)<br>• নগৰ পৰিকল্পনা, শাসন আৰু ৰাজহুৱা প্ৰশাসন |

| | | |
|---|---|---|
| ০৬ | **ভাৰতীয় সংবিধানৰ প্ৰকৃতি**<br>**(Nature of the Indian Constitution)** | ● ভাৰতীয় সংবিধানৰ প্ৰকৃতি<br>● সাংবিধানিক কৰ্তব্য |
| ০৭ | **প্ৰকৃতি আৰু সংৰক্ষণ**<br>**(Nature and Conservation)** | ● প্ৰকৃতি শিক্ষাৰ গুৰুত্ব আৰু প্ৰভাৱ<br>● পৰিৱেশ সুৰক্ষা<br>● শক্তি সংৰক্ষণ<br>● বন্যপ্ৰাণী সংৰক্ষণ |
| ০৮ | **উদ্যমিতা বিকাশৰ বাবে বাণিজ্য**<br>**(Commerce for Entrepreneurship Development)** | ● উদ্যমিতা বিকাশত বাণিজ্য শিক্ষাৰ গুৰুত্ব<br>● বাণিজ্য শিক্ষাত প্ৰযুক্তিৰ ভূমিকা<br>● বিত্তীয় সাক্ষৰতা (Financial Literacy) |
| ০৯ | **কৰ্মশক্তিৰ শিক্ষা দক্ষতা**<br>**(Workforce Education)** | ● আচৰণগত দক্ষতা (Soft Skills)<br>● ডিজিটেল দক্ষতা (Digital Skills)<br>● উদ্যোগ-নিৰ্দিষ্ট দক্ষতা (Industry Specific Skills) |
| ১০ | **মানৱ অধিকাৰ**<br>**(Human Rights)** | ● মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা আৰু ইয়াৰ গুৰুত্ব<br>● ব্যক্তি, সমাজ আৰু ব্যৱসায়ৰ মানৱ অধিকাৰ প্ৰচাৰত ভূমিকা<br>● মানৱ অধিকাৰ আৰু স্থায়ী উন্নয়নৰ সম্পৰ্ক<br>● স্থায়ী উন্নয়ন লক্ষ্য (SDGs)<br>● তথ্য লাভৰ অধিকাৰ<br>● ৰাজহুৱা সেৱাৰ অধিকাৰ আইন, ২০১২ (২০২৪ চনত সংশোধিত)<br>● শিশুসকলৰ যৌন অপৰাধৰ পৰা সুৰক্ষা আইন, ২০১২ (POCSO Act) |

## প্ৰকল্পসমূহ (Projects)

**(ক) বিষয় বাছনি আৰু ছাত্ৰ-ছাত্ৰীৰ পৰ্যবেক্ষণ ঃ**

(১) ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যসূচীৰ বিষয়বস্তুৰ ওপৰত সহজ প্ৰকল্প কৰিব পাৰে। তেওঁলোকে এটা সমস্যা চিনাক্ত কৰিব, এটা অনুমান (hypothesis) গঠন কৰিব, তথ্য সংগ্ৰহ কৰিব আৰু সেই অনুমান পৰীক্ষা কৰিবলৈ বিশ্লেষণ কৰিব।

(২) যিহেতু প্ৰকল্পটো কিছু সময় ধৰি সম্পন্ন কৰা হয়, ই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক (Scholastic) আৰু সহ-শৈক্ষিক (Co-scholastic) দুয়ো ধৰণৰ দক্ষতা মূল্যায়ন কৰাৰ এক গুৰুত্বপূৰ্ণ সুযোগ প্ৰদান কৰে।

(৩) প্ৰকল্পভিত্তিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি আৰু শ্ৰেণীকক্ষৰ পাঠৰ বাহিৰেও নতুন অভিজ্ঞতা লাভ কৰাত সহায় কৰে।

(৪) ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে জটিল চিন্তা (critical thinking) কৰাৰ কৌশল আহৰণ কৰাৰ লগতে সমস্যা সমাধানৰ দক্ষতা বিকাশ কৰে।

(৫) ছাত্ৰ-ছাত্ৰীসকলক কিছুমান নিৰ্দিষ্ট পৰ্যবেক্ষণৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। মূল্যায়নৰ বাবে মুঠ নম্বৰ থাকিব ১০।

| ক্ৰ.নং | বিৱৰক (Descriptors) | নম্বৰ (১০ ৰ ভিতৰত) |
|---|---|---|
| ১ | প্ৰকল্পৰ ধাৰণাৰ বোধ প্ৰদৰ্শন | |
| ২ | পৰ্যাপ্ত গৱেষণা কৰি প্ৰাসংগিক তথ্য সংগ্ৰহ | |
| ৩ | প্ৰকল্পত দৃষ্টিভংগীত মৌলিকতা প্ৰদৰ্শন | |
| ৪ | প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ ইণ্টাৰনেট, পুথিভঁৰাল আদি সম্পদৰ ব্যৱহাৰ | |
| ৫ | ফলাফল সঠিকভাৱে ব্যাখ্যা কৰি যুক্তিসংগত উপসংহাৰ উপস্থাপন | |

**(খ) প্ৰশ্নাৱলী প্ৰস্তুতি আৰু প্ৰকল্প উপস্থাপন ঃ**

প্ৰশ্নাৱলী হৈছে বহু লোকৰ পৰা উত্তৰ ল'বলৈ ব্যৱহাৰ কৰা প্ৰশ্নসমূহৰ এখন তালিকা। ই কোনো এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত তথ্য সংগ্ৰহ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াৰ জৰিয়তে পৰিমাণগত (quantitative) আৰু গুণগত (qualitative) দুয়ো ধৰণৰ তথ্য সংগ্ৰহ কৰিব পাৰি। সাধাৰণতে ই এটা সমীক্ষা (survey) চলোৱাৰ এটা উপায় হিচাপে ব্যৱহাৰ কৰা হয়।

উদাহৰণস্বৰূপে, সাধাৰণ লোকৰ বিত্তীয় সাক্ষৰতাৰ (Financial Literacy) বিষয়ে সজাগতা জানিবলৈ এটা সমীক্ষা কৰা।

**এই সমীক্ষাৰ মুখ্য উদ্দেশ্যসমূহ ঃ**

- ছাত্ৰ-ছাত্ৰীসকলে মানুহৰ সৈতে যোগাযোগ কৰি আৰ্থিক বিষয়সমূহ কেনেদৰে ব্যৱস্থাপনা কৰে সেয়া জানিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে মানুহ প্ৰতাৰক চক্ৰৰ বলি হয় সেয়া বুজিব পাৰিব।
- সংগ্ৰহ কৰা তথ্য বিশ্লেষণ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে আৰ্থিক সাক্ষৰতাৰ গুৰুত্বৰ বিষয়ে মানুহৰ মাজত সচেতনতা বিস্তাৰ কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সমীক্ষাৰ ফলাফল জনসাধাৰণৰ মাজত ভাগ-বতৰা কৰিবলৈ বক্তৃতাৰ আয়োজন কৰিব পাৰিব আৰু আৰ্থিক বা বিত্তীয় বিষয়ত কেনেদৰে সজাগ থাকিব লাগে সেই বিষয়ে জনাব পাৰিব।

**শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দিব পৰা নিৰ্দেশনাসমূহ ঃ**

- ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো প্ৰকল্পত পাঁচ বা ছয়জনীয়া দল বা গোটত কাম কৰিব পাৰে। তেওঁলোকে নিজৰ অঞ্চলত ১৭ বছৰ আৰু তাৰ ওপৰৰ বয়সৰ লোকক লগ ধৰি প্ৰশ্নাৱলী ব্যৱহাৰ কৰিব পাৰে।
- প্ৰতিটো দল বা গোটে তথ্য সংগ্ৰহ কৰিবলৈ উপযুক্ত প্ৰশ্ন বা বিষয়ভিত্তিক এখন তালিকা (প্ৰশ্নাৱলী) প্ৰস্তুত কৰিব। ইয়াত মুক্ত প্ৰশ্ন (open-ended questions) থাকিব পাৰে।
- প্ৰতিটো দল বা গোটে সংগ্ৰহ কৰা তথ্য বিশ্লেষণ কৰি নিজৰ ফলাফল আনৰ সৈতে ভাগ-বতৰা কৰিব।
- তথ্য বিশ্লেষণৰ পিছত, বিত্তীয় প্ৰতিষ্ঠানসমূহক মতামত প্ৰদান কৰিব পাৰি, যাতে ভৱিষ্যতে ব্যৱস্থা লোৱা যায়। এইবিলাক জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰিবলৈ ৰাজহুৱা মঞ্চতো উপস্থাপন কৰিব পাৰি।

এই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক কিছুমান নিৰ্দিষ্ট পৰ্যবেক্ষণৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। মূল্যায়নৰ বাবে মুঠ নম্বৰ থাকিব ১০।

| **ক্ৰ.নং** | **বিৱৰক (Descriptors)** | **নম্বৰ (১০ ৰ ভিতৰত)** |
|---|---|---|
| ১ | ভূমিকাৰ যুক্তিযুক্ততা (ৰুল প্লে আৰু যুক্তিৰ বিষয়বস্তু) | |
| ২ | যোগাযোগৰ কাৰ্যকাৰিতা (যোগাযোগ দক্ষতা, আত্মবিশ্বাস আৰু চিন্তাৰ স্পষ্টতা অন্তৰ্ভুক্ত) | |
| ৩ | দলীয় কাৰ্যত অংশগ্ৰহণ | |
| ৪ | সৃষ্টিশীলতা (অতিৰিক্ত কিন্তু প্ৰাসংগিক কাম, যিয়ে উপস্থাপন উন্নত কৰে) | |
| ৫ | সামগ্ৰিক উপস্থাপন | |

**নির্দেশনাসমূহ ঃ**

(১) পাঠ্যসূচীত উল্লেখ কৰা গোট ১–১০ ৰ পৰা যিকোনো এটা বিষয় বাছনি কৰি প্ৰকল্পৰ কাম কৰিব লাগিব।

(২) প্ৰকল্প কৰ্মৰ সৰ্বাধিক দৈৰ্ঘ্য ১০০০ শব্দ হ'ব।

(৩) প্ৰকল্প কাম A4 কাগজত হাতেৰে লিখা বা টাইপ কৰা হ'ব লাগিব আৰু সজোৱা ফাইল বা স্পাইৰেল বাউণ্ড কৰা হ'ব লাগিব।

(৪) ক'ভাৰ পৃষ্ঠা নিজৰ বাছনি কৰা বিষয় অনুসাৰে ব্যক্তিগতভাৱে সজাব লাগিব; লগতে নাম, ৰ'ল নম্বৰ, শ্ৰেণী আৰু শাখা উল্লেখ কৰিব লাগিব।

(৫) প্ৰতিটো বিষয়ৰ বাবে প্ৰকল্প কাম সৰ্বাধিক ৩টা A4 পৃষ্ঠা হ'ব লাগিব।

(৬) ছবি বা তথ্য বাঁওফালৰ পৃষ্ঠাত সংলগ্ন কৰিব লাগিব আৰু উপযুক্ত শিৰোনাম (caption) দিব লাগিব।

(৭) ব্যৱহাৰ কৰা ৱেব লিংক, উৎস, ই-জাৰ্নেল, আলোচনী, উদ্ধৃতি, মিডিয়া প্ৰতিবেদন আদি উল্লেখ কৰিব লাগিব।

(৮) যিকোনো মৌখিক, দৃশ্যমান বা লিখিত উৎসৰ পৰা লোৱা তথ্য সঠিকভাৱে উল্লেখ কৰিব লাগিব, যি শৈক্ষিক সততা নীতিৰ অংশ।

(৯) বিষয়ৰ সৈতে সম্পৰ্ক থাকিলে ক্ষেত্ৰ অধ্যয়ন (Case Studies) অন্তৰ্ভুক্ত কৰিব লাগিব।

# সূচীপত্ৰ

**অধ্যায় - ১**
আমাৰ উত্তৰ-পূব, আমাৰ চুবুৰীয়া ৰাজ্য............................................................................. ১-১০
**অধ্যায় - ২**
বৈজ্ঞানিক মনোভাৱৰ বিকাশ.......................................................................................... ১১-১৯
**অধ্যায় - ৩**
সাংস্কৃতিক ঐতিহ্য ....................................................................................................... ২০-৩২
**অধ্যায় - ৪**
সহ-পাঠ্য কাৰ্যক্ৰমৰ গুৰুত্ব.............................................................................................. ৩৩-৪৭
**অধ্যায় - ৫**
ভাৰতীয় জ্ঞান পদ্ধতি .................................................................................................. ৪৮-৬৯
**অধ্যায় - ৬**
ভাৰতীয় সংবিধানৰ স্বৰূপ ............................................................................................ ৭০-৮১
**অধ্যায় - ৭**
প্ৰকৃতি আৰু সংৰক্ষণ ................................................................................................. ৮২-৯০
**অধ্যায় - ৮**
উদ্যমিতা বিকাশৰ বাবে বাণিজ্য.................................................................................. ৯১-১০২
**অধ্যায় - ৯**
কৰ্মশক্তিৰ শিক্ষা দক্ষতা ......................................................................................... ১০৩-১১০
**অধ্যায় - ১০**
মানৱ অধিকাৰ ...................................................................................................... ১১১-১২৪

■ **অতিৰিক্ত পঠন (Additional Reading)** ........................................................ ১২৫-১৩৬

■ **অনুশীলন প্ৰশ্নকাকত (Practice Question Papers)** ....................................... ১৩৮-২০৬
(ছাত্ৰ-ছাত্ৰীসকলৰ অনুশীলনৰ সুবিধাৰ্থে অসম আৰু সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নকাকত অন্তৰ্ভুক্ত কৰা হৈছে)

सत्यमेव जयते

# ভাৰতীয় সংবিধান

# (Constitution of India)

## প্ৰস্তাৱনা

## (The Preamble)

আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ তথা ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠাসহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।

# অধ্যায় ১

# আমাৰ উত্তৰ-পূব, আমাৰ চুবুৰীয়া ৰাজ্য
## (Our Northeast, Our Neighbourhood)

আমাৰ দেশৰ মানচিত্ৰখন উলিয়াই লোৱা আৰু একেবাৰে পূব দিশলৈ চোৱা। তুমি কি দেখিছা? হয়, সেইখনেই হৈছে আমি যি অঞ্চলত বাস কৰোঁ, তাৰেই মানচিত্ৰ। এইটোৱে হৈছে ভাৰতৰ উত্তৰ-পূব অঞ্চল (Northeast)।

এতিয়া অলপ মনোযোগেৰে চোৱা। ইয়াত তুমি কিমানখন ৰাজ্য দেখা পাইছা? হয়, ইয়াত সাতখন ৰাজ্য আছে আৰু ইয়াৰ মাজতে অৱস্থিত অসম ৰাজ্য। এই সাতখন ৰাজ্য হৈছে যথাক্ৰমে —অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মণিপুৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰা। ইয়াৰ উপৰি অষ্টম এখন ৰাজ্য আছে — ছিকিম। যদিও এইখন অলপ আঁতৰত অৱস্থিত, তথাপিও ইয়াক উত্তৰ-পূব অঞ্চলৰ এটা অংশ হিচাপে গণ্য কৰা হয়।

### সমৃদ্ধ ইতিহাস (Rich history) ঃ

এই অঞ্চলটোৰ ইতিহাস অতি দীঘলীয়া আৰু সমৃদ্ধ। প্ৰায় দুটা শতিকাৰ আগলৈকে এই অঞ্চলটো কেইবাখনো ৰাজ্য, কিছুমান সৰু ৰাজ্য (several small principalities) আৰু বহুতো স্ব-শাসিত গাঁও অঞ্চলত (self-governing village territories) বিভক্ত আছিল। অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ দৰে ডাঙৰ ৰাজ্যসমূহত ৰজাই শাসন কৰিছিল। আনহাতে পাহাৰীয়া অঞ্চলত থকা সৰু সৰু ৰাজ্য আৰু স্ব-শাসিত গাঁওবোৰত নিজা নিজা মুখিয়াল বা নেতা (chiefs or chieftains) আছিল। ১৬০৮ খ্ৰীষ্টাব্দত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথমে বাণিজ্যৰ বাবে ভাৰতলৈ আহে। কিন্তু সেই সময়ৰ অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ সুযোগ লৈ তেওঁলোকে বিভিন্ন স্থানীয় শাসকৰ ৰাজনৈতিক কাম-কাজত হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰিলে। ১৭৫৭ চনত তেওঁলোকে

প্ৰথমবাৰৰ বাবে বংগত নিজৰ ৰাজনৈতিক আধিপত্য স্থাপন কৰে। তাৰ পিছত পৰ্যায়ক্ৰমে অঞ্চলবোৰ দখল কৰি তেওঁলোকে সমগ্ৰ উপমহাদেশতে (the subcontinent) নিজৰ শাসন বিস্তাৰ কৰিলে।

অসমখন আগতে আহোমসকলৰ দ্বাৰা শাসিত এখন শক্তিশালী ৰাজ্য আছিল। ১৮১৭ চনৰ পৰা ১৮২১ চনৰ ভিতৰত মানসকলে (Burmese) তিনিবাৰ অসম আৰু মণিপুৰ আক্ৰমণ কৰি এই দুয়োখন ৰাজ্য দখল কৰে। তাৰ পিছত মানসকলে বংগলৈও অভিযান চলাবলৈ আৰম্ভ কৰে। সেই সময়ত বংগ (Bengal) ব্ৰিটিছসকলৰ অধীনত আছিল। এই পৰিস্থিতিত ব্ৰিটিছসকলে ১৮২৪ চনত মানসকলৰ (Burmese) বিৰুদ্ধে এক সামৰিক অভিযান আৰম্ভ কৰে। এই যুদ্ধত মানসকল পৰাজিত হয় আৰু অসম আৰু মণিপুৰৰ পৰা তেওঁলোকক বাহিৰ কৰি দিয়া হয়। তাৰ পিছত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ব্ৰিটিছসকলে ইয়াণ্ডাবু সন্ধি (Treaty of Yandaboo)ত স্বাক্ষৰ কৰে আৰু অসমক ব্ৰিটিছ-ভাৰতৰ সৈতে সংযুক্ত কৰে। মণিপুৰ ব্ৰিটিছসকলৰ অধীনত এখন ৰাজকীয় ৰাজ্য ( princely state) হিচাপে পৰিণত হয়। এইদৰে এটাৰ পিছত এটাকৈ অঞ্চল দখল কৰি ঔপনিৱেশিক শক্তিয়ে (colonial power) বিংশ শতিকাৰ আৰম্ভণিৰ ভিতৰতে সমগ্ৰ অঞ্চলটোত নিজৰ শাসন প্ৰতিষ্ঠা কৰে। উল্লেখযোগ্য কথাটো হ'ল, ব্ৰিটিছসকলে আৰম্ভণিতে ঘোষণা কৰিছিল যে তেওঁলোকে এই অঞ্চল শাসন কৰাৰ কোনো উদ্দেশ্য নাই আৰু মান আক্ৰমণকাৰীক (Burmese invaders) আঁতৰাই দিয়াৰ পিছত উভতি যাব। কিন্তু ইতিহাসে কয় যে অসমত চাহ আৰু পেট্ৰ'লিয়াম আৱিষ্কাৰ হোৱাৰ পিছত তেওঁলোকে ইয়াতেই থাকি যাবলৈ সিদ্ধান্ত লয়।

ব্ৰিটিছসকলে বংগ শাসন কৰি থকা সময়তেই, ইয়াৰ উত্তৰ-পূব দিশত থকা অঞ্চলসমূহক "নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ" হিচাপে (Northeast Frontier) অভিহিত কৰিছিল। ইয়াৰ পাছৰ পৰাই এই অঞ্চলসমূহৰ ক্ষেত্ৰত "উত্তৰ-পূব" (Northeast) শব্দটো ব্যৱহাৰ হ'বলৈ ধৰিলে।

আৰম্ভণিতে অসম বংগৰ প্ৰশাসনৰ অধীনত আছিল। ১৮৭৪ চনত অসমক এখন চীফ কমিছনাৰৰ প্ৰদেশ (chief commissioner's province) হিচাপে গঢ়ি তোলা হয়। ১৯০৫ চনত ব্ৰিটিছসকলে জাতীয় আন্দোলন (national movement) দুৰ্বল কৰিবলৈ ধৰ্মৰ আধাৰত বংগ বিভাজন কৰিছিল। তেতিয়া অসমক পূৰ্ব বংগৰ সৈতে সংযুক্ত কৰি "পূৰ্ব বংগ আৰু অসম" (Eastern Bengal and Assam) নামৰ এটা নতুন প্ৰদেশ গঠন কৰা হৈছিল। কিন্তু ছয় বছৰৰ পিছত, অৰ্থাৎ ১৯১১ চনত অসমক পুনৰ পূৰ্ব বংগৰ পৰা পৃথক কৰি চিফ কমিছনাৰৰ প্ৰদেশ হিচাপে গঢ়ি তোলা হয়। তাৰ দহ বছৰৰ পিছত অসম এখন গভৰ্ণৰ শাসিত প্ৰদেশলৈ (Governor's province) ৰূপান্তৰিত হয়। উল্লেখযোগ্য যে পূৰ্ব বংগৰ সৈতে একেলগে থকাৰ সময়ৰ পৰাই অসমলৈ সেই অঞ্চলৰ পৰা মানুহৰ বৃহৎ পৰিমাণে প্ৰব্ৰজন আৰম্ভ হয়।

## স্বাধীনতা সংগ্ৰাম আৰু তাৰ পিছত (Freedom struggle and after) ঃ

দেশৰ আন আন অংশৰ লগতে অসম তথা এই অঞ্চলৰ লোকসকলেও আৰম্ভণিৰ পৰাই ব্ৰিটিছ শাসনৰ বিৰুদ্ধে (opposing British rule) প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰিছিল। সমগ্ৰ অঞ্চলজুৰি বিদেশী শাসনৰ বিৰুদ্ধে —সহিংস (violent) আৰু অহিংস (non-violent) দুই ধৰণৰ আন্দোলন হৈছিল। উত্তৰ-পূবৰ লোকসকলে

ভাৰতৰ স্বাধীনতা আন্দোলনত উল্লেখযোগ্য অৰদান আগবঢ়াইছিল। বহুতো মানুহে দেশৰ বাবে যুঁজি নিজৰ জীৱন উচৰ্গা (sacred motherland) কৰি শ্বহীদ (martyrdom) হৈছিল। স্বাধীনতা ওচৰ চাপি আহোঁতেই আৰু ব্ৰিটিছসকলে ভাৰত বিভাজনৰ (partition India) প্ৰস্তুতি লওঁতে, অসম আৰু এই অঞ্চলটো পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ এক ষড়যন্ত্ৰ (conspiracy) ৰচনা কৰা হৈছিল। কিন্তু লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত এই ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিয়া হৈছিল। ফলস্বৰূপে অসম আৰু উত্তৰ-পূব অঞ্চল ভাৰতৰ অবিচ্ছেদ্য অংশ (integral parts) হিচাপে থাকি যায়।

ভাৰত বিভাজনৰ ফলত পূব-পাকিস্তানৰ (East Pakistan) সৃষ্টি হয়, আৰু তাৰ ফলত উত্তৰ-পূব অঞ্চলটো ভাৰতৰ বাকী অংশৰ (the rest of India) পৰা প্ৰায় সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰে। কেৱল ২২ কিলোমিটাৰ বহল এক সৰু ভূমিখণ্ড—'শিলিগুৰি কৰিড'ৰে' (Siliguri Corridor) এই অঞ্চলটোক ভাৰতৰ সৈতে সংযোগ কৰি ৰাখিছিল। পথ, ৰে'ল আৰু জলপথেৰে ভাৰতৰ সৈতে থকা সকলো সংযোগস্থল পূব-পাকিস্তানৰ অন্তৰ্গত হৈ পৰিছিল। সেয়ে নতুনকৈ ৰাষ্ট্ৰীয় পথ আৰু ৰে'লপথ নিৰ্মাণ কৰিবলৈ বহু বছৰ তথা সময় লাগিছিল, যিবোৰ শিলিগুড়ি কৰিড'ৰৰ মাজেৰে গঢ়ি তোলা সম্ভৱ হৈছিল। তদুপৰি সেই সময়তে পূব-পাকিস্তানৰ পৰা অহা লাখ লাখ মানুহৰ প্ৰব্ৰজন বিশেষকৈ অসম আৰু ত্ৰিপুৰাত দেখা গৈছিল।

ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত অসমৰ অৰ্থনীতি যথেষ্ট শক্তিশালী (vibrant economy) আৰু সক্ৰিয় আছিল। চাহ আৰু পেট্ৰ'লিয়াম উৎপাদন কৰা ভাৰতৰ একমাত্ৰ ৰাজ্য হিচাপে অসম সেই সময়ত সৰ্বাধিক ৰাজহ (highest revenue) উপাৰ্জন কৰা ৰাজ্যসমূহৰ ভিতৰত এখন আছিল। স্বাধীনতাৰ সময়ত দেশৰ পঞ্চম সৰ্বাধিক সমৃদ্ধশালী ৰাজ্য (most prosperous state) হিচাপে পৰিচিত অসমত ১৯৫০-৫১ চনত জনমূৰি আয় (per capita income) ৰাষ্ট্ৰীয় গড় (national average) আয়তকৈ প্ৰায় ৪ শতাংশ অধিক আছিল।

১৯৪৯ চনত মণিপুৰ আৰু ত্ৰিপুৰা নামৰ ৰাজকীয় ৰাজ্য (princely states) দুখনে ভাৰতীয় সংঘত (Indian Union) যোগ দিয়ে আৰু ইয়াক কেন্দ্ৰীয়শাসিত অঞ্চল (Union Territories) হিচাপে গঢ়ি তোলা হয়। সেই সময়ত অসম এখন বৃহৎ ৰাজ্য আছিল, যাৰ অন্তৰ্গত আজিৰ নাগালেণ্ড, মেঘালয় আৰু মিজোৰাম আছিল। আজি যাক অৰুণাচল প্ৰদেশ বুলি জনা যায়, এই অঞ্চলটোক তেতিয়া "নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সি" বা নেফা (North East Frontier Agency or NEFA) বুলি কোৱা হৈছিল আৰু ই প্ৰত্যক্ষভাৱে ভাৰত চৰকাৰৰ দ্বাৰা শাসন কৰা হৈছিল। ১৯৬৩ চনত অসমৰ নগা পাহাৰ জিলাক পৃথক কৰি নাগালেণ্ড নামেৰে এখন নতুন ৰাজ্য গঠন কৰা হয়। ১৯৭২ চনত ভাৰত চৰকাৰে উত্তৰ-পূব অঞ্চলটোৰ পুনৰগঠন কৰে। এই পুনৰগঠনৰ অধীনত মিজো পাহাৰ জিলাক এখন কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে "মিজোৰাম" নামেৰে গঢ়ি তোলা হয়। আনহাতে ইউনাইটেড খাচি-জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ —এই দুটা অঞ্চল সামৰি একেলগে 'মেঘালয়' নামেৰে এখন নতুন ৰাজ্য গঠন কৰে। একে বছৰতে মণিপুৰ আৰু ত্ৰিপুৰাকো সম্পূৰ্ণ ৰাজ্যৰ মৰ্যাদা দিয়া হয়। NEFA-কো ১৯৭২ চনত অৰুণাচল প্ৰদেশ নামেৰে কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে উন্নীত কৰা হয় আৰু ১৯৮৭ চনত ই সম্পূৰ্ণ ৰাজ্যত পৰিণত হয়। সেই একে বছৰতে মিজোৰামো সম্পূৰ্ণ ৰাজ্য (full-

fledged states) হয়। আনহাতে, আগৰ ছিকিম ৰাজ্যখন ১৯৭৫ চনত ভাৰতীয় সংঘত (Indian Union) যোগ দিয়ে আৰু ইয়াকো উত্তৰ-পূব অঞ্চলৰ এটা অংশ হিচাপে গণ্য কৰা হয়, কাৰণ ইয়াৰ প্ৰাকৃতিক পৰিৱেশ, সংস্কৃতি আৰু কৌশলগত গুৰুত্ব এই অঞ্চলৰ সৈতে মিল আছে। ইয়াৰ উপৰি, ই আঞ্চলিক উন্নয়ন আৰু প্ৰশাসনিক সংহতিত (administrative cohesion) সহায় কৰে।

দেশৰ আন অংশৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি অধ্যুষিত এলেকাসমূহৰ বাবে ভাৰতীয় সংবিধানৰ ষষ্ঠ সূচীৰ (Sixth Schedule) অধীনত এক বিশেষ প্ৰশাসনিক ব্যৱস্থা আছে। এই ষষ্ঠ সূচীৰ জৰিয়তে অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতি এলেকাসমূহ শাসন কৰা হয়। ইয়াৰ মূল উদ্দেশ্য হৈছে স্বায়ত্তশাসিত জিলা পৰিষদ (Autonomous District Councils) আৰু আঞ্চলিক পৰিষদ (Territorial Councils) গঠন কৰি জনজাতি সমাজৰ অধিকাৰসমূহ সুৰক্ষিত কৰা।

ইয়াৰ উপৰি অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে “উত্তৰ-পূব পৰিষদ” (North Eastern Council – NEC) নামৰ এটা বিশেষ পৰামৰ্শমূলক সংস্থা (advisory body) আছে। ১৯৭১ চনত স্থাপিত এই সংস্থাটোৱে আঞ্চলিক পৰিকল্পনা সংস্থা হিচাপে (as a regional planning body) কাম কৰে। ই আন্তঃগাঁথনি উন্নয়ন (infrastructure projects), বিভিন্ন উন্নয়নমূলক প্ৰকল্প (development projects)আৰু ৰাজ্যসমূহৰ মাজৰ সমন্বয়ৰ (inter-state coordination) ওপৰত গুৰুত্ব আৰোপ কৰে। এই সংস্থাটোৱে উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয় (Ministry of Development of North Eastern Region – DoNER)-ৰ অধীনত কাম কৰে।

## বিশেষ বৈশিষ্ট্যসমূহ (Unique features) ঃ

উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাটাও বিশেষ বৈশিষ্ট্য আছে। আকৌ এবাৰ মানচিত্ৰখনলৈ চালে তুমি দেখিবা যে এই অঞ্চলটো কেইবাখনো দেশৰ দ্বাৰা পৰিবেষ্টিত। ইয়াৰ মুঠ আন্তৰ্জাতিক সীমাৰ দৈৰ্ঘ্য ৫,৪৮৪ কিলোমিটাৰ— চীনৰ সৈতে ১,৩৪৬ কিমি, ম্যানমাৰৰ সৈতে ১,৬৪৩ কিমি, বাংলাদেশৰ সৈতে ১,৮৮০ কিমি, ভুটানৰ সৈতে ৫১৬ কিমি আৰু নেপালৰ সৈতে ৯৯ কিমি। দেশৰ আন কোনো ৰাজ্য বা অঞ্চলেই ইমানকেইখন দেশৰ সৈতে সীমান্ত ভাগ কৰা পৰিলক্ষিত নহয়। ইয়াৰ উপৰি, এই অঞ্চলটোৱে পশ্চিমবংগৰ সৈতে ১২৭ কিলোমিটাৰ আন্তঃৰাজ্যিক সীমা ভাগ কৰে। এই ভৌগোলিক অৱস্থানৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ দেশখনৰ বাবে বিশেষ কৌশলগত গুৰুত্ব আছে। বহুকেইখন দেশৰ সৈতে পৰিবেষ্টিত হোৱা বাবে, ভাৰত চৰকাৰৰ “এক্ট ইষ্ট নীতি”(Act East Policy) আৰু “নেবাৰহুড ফাৰ্ষ্ট নীতি”(Neighbourhood First Policy)-ৰ পৰা এই অঞ্চলটোৱে বিশেষ সুবিধা লাভ কৰিছে। এই নীতিসমূহে অঞ্চলটোক আগতে এক বিচ্ছিন্ন(isolated periphery) বুলি ভবা অঞ্চলৰ পৰিৱৰ্তে দক্ষিণ-পূব এছিয়াৰ সৈতে অৰ্থনৈতিক, সাংস্কৃতিক আৰু আন্তঃগাঁথনি সম্পৰ্ক গঢ়ি তোলাৰ এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰলৈ (strategic hub) ৰূপান্তৰ কৰিছে। এইবোৰ নীতিৰ ফলত পথ, ৰে’ল আৰু বিমান সংযোগ উন্নত হৈছে, বাণিজ্যৰ সুযোগ বৃদ্ধি পাইছে, পৰ্যটনৰ বিকাশ হৈছে আৰু অঞ্চলটোৰ উন্নয়নত থকা অসামঞ্জস্যতা (gaps) কমাবলৈ আন্তঃগাঁথনি (infrastructure) উন্নত কৰা হৈছে।

উত্তৰ-পূব অঞ্চলটোৱে ভাৰতৰ মুঠ ভূমিৰ প্ৰায় আঠ শতাংশ আৰু জনসংখ্যাৰ প্ৰায় চাৰি শতাংশ দখল কৰিছে। কিন্তু এই অঞ্চলটোত ২০০ টাতকৈও অধিক ভিন্ন ভিন্ন জাতি (distinct ethnic groups), জনজাতি (tribal) আৰু অ-জনজাতি সম্প্ৰদায়ে (non-tribal communities) বাস কৰে। ভাৰতৰ প্ৰতিটো সম্প্ৰদায়ৰ নিজা নিজা ভাষা, সংস্কৃতি আৰু পৰম্পৰা আছে। এই অঞ্চলটোৰ তিনিটা ভাষা যেনে—অসমীয়া, বড়ো আৰু মণিপুৰী ভাৰতৰ সংবিধান স্বীকৃত ভাষাসমূহৰ অন্তৰ্ভুক্ত। ইয়াৰ ভিতৰত অসমীয়াক ধ্ৰুপদী ভাষা (Classical Language) হিচাপেও স্বীকৃতি দিয়া হৈছে। এই অঞ্চলৰ প্ৰতিটো সম্প্ৰদায়ৰ নিজা নিজা সংস্কৃতি আছে, যাক সংগীত, নৃত্য, উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠান, হস্তশিল্প, লোককথা আৰু সাহিত্যৰ মাজেৰে প্ৰকাশ কৰা হয়।

উত্তৰ-পূব ভাৰত বিশ্বৰ এক গুৰুত্বপূৰ্ণ জীৱ-বৈচিত্ৰ্যৰ কেন্দ্ৰ (biodiversity hotspot)। ভাৰতৰ মুঠ জীৱ-বৈচিত্ৰ্যৰ ৩০ শতাংশতকৈও অধিক এই অঞ্চলত পোৱা যায়। ইয়াৰ বনাঞ্চলসমূহ বিভিন্ন ধৰণৰ বহুতো চৰাই আৰু জন্তুৰ বাসস্থান, যিসমূহ এই অঞ্চলতহে বিশেষভাৱে পোৱা যায়। এই অঞ্চলত পোৱা কিছুমান বিশেষ জন্তু হৈছে— সোণালী বান্দৰ (Golden langur), ছাংগাই হৰিণ (Sangai deer), হলৌ বান্দৰ(Hoolock gibbon), নল গাহৰি (pygmy hog), খাগৰিকটা শহাপহু (hispid hare), উলুমৰা (Bengal florican) আৰু দেওহাঁহ (white-winged wood duck) আদি। আনহাতে অসমত বিশ্বৰ ভিতৰত সৰ্বাধিক এশিঙীয়া গঁড় (one-horned rhinos) পোৱা যায়। এই অঞ্চলত বহুতো বিশেষ প্ৰজাতিৰ ফুল আৰু অৰ্কিডো(endemic floral species and orchids) পোৱা যায়। ইয়াত মুঠ বিছখন ৰাষ্ট্ৰীয় উদ্যান (National Parks) আছে, যাৰ ভিতৰত কাজিৰঙা আৰু মানসক বিশ্ব ঐতিহ্য ক্ষেত্ৰ (World Heritage Sites) হিচাপে স্বীকৃতি দিয়া হৈছে। আনহাতে মৌচিনৰাম (Mawsynram) হৈছে বিশ্বৰ ভিতৰত সৰ্বাধিক বৰষুণ (rainiest) হোৱা ঠাই।

মহাবাহু ব্ৰহ্মপুত্ৰ বিশ্বৰ এখন গুৰুত্বপূৰ্ণ নদী। এই নদীখন চীনৰ তিব্বতৰ পৰা উৎপত্তি হৈ উত্তৰ-পূৰ্বাঞ্চলৰ মাজেৰে বৈ গৈ বাংলাদেশৰ কাষৰ বঙ্গোপসাগৰত মিলিত হৈছে। গড় জল প্ৰবাহৰ হিচাপত ব্ৰহ্মপুত্ৰ বিশ্বৰ পাঁচখন ডাঙৰ নদীৰ ভিতৰত এখন আৰু দৈৰ্ঘ্যৰ হিচাপত ই বিশ্বৰ পঞ্চদশ স্থানৰ দীঘল নদী। এই বিশাল নদীৰ মাজতে অৱস্থিত মাজুলী হৈছে বিশ্বৰ সৰ্ববৃহৎ বসতিপূৰ্ণ নদী দ্বীপ (world's largest inhabited river island)। পৃথিৱীৰ এখন জটিল নদী হিচাপে ব্ৰহ্মপুত্ৰই প্ৰায় প্ৰতিবছৰে বানপানীৰ সৃষ্টি কৰে। ভাৰতীয় মানদণ্ড ব্যুৰোৰ (the Bureau of Indian Standards) মতে উত্তৰ-পূৰ্বাঞ্চল ভূমিকম্পৰ অতি সংবেদনশীল অঞ্চল (Seismic Zone V)ত পৰে। সেয়েহে এই অঞ্চলত সঘনাই ভূমিকম্প অনুভৱ কৰা হয়।

## অৰ্থনীতি আৰু উন্নয়ন (Economy & Development)ঃ

অৰ্থনৈতিক ক্ষেত্ৰত অসম এই অঞ্চলটোৰ ভিতৰত ঔদ্যোগিকভাৱে অগ্ৰণী ৰাজ্য। ই ভাৰতৰ মুঠ চাহ উৎপাদনৰ ৫০ শতাংশতকৈও অধিক উৎপাদন কৰে। চাহ উদ্যোগে এই অঞ্চলত আটাইতকৈ বেছিসংখ্যক লোকক কৰ্মসংস্থাপনো প্ৰদান কৰিছে। বিশ্বত পেট্ৰ'লিয়াম আৱিষ্কাৰ হোৱা দ্বিতীয় ঠাই হিচাপে অসম বহু বছৰ ধৰি ভাৰতৰ একমাত্ৰ তেল উৎপাদক ৰাজ্য আছিল। পিছলৈ আন ৰাজ্যতো তেল আৱিষ্কাৰ হোৱাৰ পিছত বৰ্তমান অসমে দেশৰ মুঠ খাৰুৱা তেল (crude oil) উৎপাদনৰ প্ৰায় ১৫ শতাংশ যোগান ধৰে। ইয়াৰ

উপৰি অসমে ভাৰতৰ প্ৰায় ১৫ শতাংশ প্ৰাকৃতিক গেছ উৎপাদন কৰে। অসমত তেল আৰু গেছৰ ওপৰত নিৰ্ভৰশীল বহুতো উদ্যোগ আছে। ইয়াৰ ভিতৰত আছে চাৰিটা শোধনাগাৰ, এটা সাৰ কাৰখানা, এটা গেছ ক্ৰেকাৰ উদ্যোগ, এটা পেট্ৰো-কেমিকেল কমপ্লেক্স আৰু তিনিটা বিদ্যুৎ উৎপাদন কেন্দ্ৰ। ত্ৰিপুৰাতো তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন কৰা হয় আৰু তাত পাঁচটা গেছভিত্তিক বিদ্যুৎ উৎপাদন কেন্দ্ৰ আছে। উত্তৰ-পূব ভাৰতত জলবিদ্যুৎ উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা (massive potential) আছে আৰু অঞ্চলজুৰি বহুতো জলবিদ্যুৎ প্ৰকল্প গঢ় লৈ উঠিছে। অসমৰ চাহ বিশ্বৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰা হয়, আৰু ত্ৰিপুৰাই বাংলাদেশলৈ বিদ্যুৎ ৰপ্তানি কৰে।

যোগাযোগ ব্যৱস্থাৰ দিশৰপৰা চালে দেখা যায় যে ভাৰতত ১৮৫৩ চনত ৰে'ল চলাচল আৰম্ভ হৈছিল, কিন্তু অসমত প্ৰথম ৰে'লগাড়ী চলিছিল ১৮৮১ চনতহে। এটা সময় আছিল যেতিয়া কেৱল অসমতহে ৰে'লপথ আছিল। আজিৰ দিনত ছিকিমক বাদ দি উত্তৰ-পূবৰ প্ৰতিখন ৰাজ্যই ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ (national railway network) সৈতে সংযুক্ত হৈছে। একেদৰে, ২০১৪ চনলৈকে এই অঞ্চলত মাত্ৰ নটা বিমানবন্দৰ আছিল, কিন্তু পৰৱৰ্তী দহ বছৰত এই সংখ্যা যোল্লটালৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰি, এই অঞ্চলৰ মাজেৰে ট্ৰেন্স-এছিয়ান ৰে'লপথ (Trans-Asian Railway)ৰ কামো চলি আছে। নদীপথৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় জলপথ (NW-2) আৰু ই উত্তৰ-পূব অঞ্চলৰ বাবে এটা জীৱনধাৰা হিচাপে কাম কৰে। ই এই অঞ্চলটোক ভাৰতৰ আন অংশৰ সৈতে আৰু বাংলাদেশৰ জৰিয়তে আন্তৰ্জাতিক পথৰ সৈতে সংযুক্ত কৰে। অসমৰ জীৱনৰেখা (lifeline of Assam) বুলি কোৱা ব্ৰহ্মপুত্ৰত কেইবাবছৰ আগলৈকে মাত্ৰ তিনিখন দলং আছিল, কিন্তু ২০২৬ চনত এই সংখ্যা আঠখনলৈ বৃদ্ধি পাইছে আৰু আৰু কেইবাখনো দলং নিৰ্মাণৰ কাম চলি (under construction) আছে। ইয়াৰ উপৰি অঞ্চলটোৰ ভিতৰে বাহিৰে ডিজিটেল সংযোগ ব্যৱস্থাও যথেষ্ট উন্নত হৈছে।

এটা সময় আছিল যেতিয়া অৰ্থনৈতিকভাৱে পিছপৰা (economically backward) বাবে উত্তৰ-পূব অঞ্চলটো অশান্তি, প্ৰতিবাদ, হিংসা আৰু বিদ্ৰোহৰ কেন্দ্ৰস্থল হৈ পৰিছিল। কিন্তু দ্ৰুত অৰ্থনৈতিক উন্নয়ন আৰু বহুদিনীয়া সমস্যাসমূহ সমাধান কৰিবলৈ লোৱা শান্তি উদ্যোগসমূহ একেলগে আগবাঢ়ি অহাৰ ফলত অঞ্চলটো বৰ্তমান বহু পৰিমাণে শান্ত হৈ পৰিছে। ইয়াৰ ফলত এতিয়া দেশ-বিদেশৰ বিভিন্ন ঠাইৰ পৰা বহুতো পৰ্যটক (tourists) এই অঞ্চললৈ আহিবলৈ আৰম্ভ কৰিছে। একে সময়তে, বহুতো ডাঙৰ কোম্পানীয়েও এই অঞ্চলৰ উদ্যোগ আৰু আন্তঃগাঁথনি খণ্ডত (industrial and infrastructure sectors) বিনিয়োগ কৰিবলৈ আগবাঢ়িছে।

উত্তৰ-পূব অঞ্চলটো ক্ৰীড়া প্ৰতিভাৰ এক শক্তিশালী কেন্দ্ৰ (powerhouse of sports talents)। এই অঞ্চলৰ যুৱ খেলুৱৈসকলে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিছে আৰু অলিম্পিক খেলৰ (Olympic Games) লগতে বহুতো আন্তৰ্জাতিক প্ৰতিযোগিতাত (international competitions) পদক লাভ কৰিছে। এই অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত শাৰীৰিক কাৰ্যকলাপৰ এক গভীৰ (deep-rooted) আৰু ঐতিহ্যসম্পন্ন সংস্কৃতি (inherent culture) আছে। এই সংস্কৃতিয়ে যুৱক-যুৱতীসকলৰ বাবে খেলা-ধূলাক লক্ষ্য, পৰিচয় আৰু জীৱিকাৰ এক গুৰুত্বপূৰ্ণ উপায় হিচাপে গঢ়ি তুলিবলৈ সহায় আগবঢ়াইছে।

# প্ৰশ্নাৱলী

## বহুবিকল্পী প্ৰশ্ন (Multiple Choice Questions) ঃ

১। ছিকিমসহ উত্তৰ-পূৰ্বাঞ্চলত মুঠ কিমানখন ৰাজ্য আছে?

(a) ৬ (b) ৭

(c) ৮ (d) ৯

২। উত্তৰ-পূৰ্বাঞ্চলৰ মাজভাগত কোনখন ৰাজ্য অৱস্থিত?

(a) মেঘালয় (b) অসম

(c) মণিপুৰ (d) ত্ৰিপুৰা

৩। ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেতিয়া ভাৰতলৈ আহিছিল?

(a) ১৪৯৮ (b) ১৬০৮

(c) ১৭৫৭ (d) ১৮২৬

৪। ইয়াণ্ডাবু সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল?

(a) ১৭৫৭ (b) ১৮১৭

(c) ১৮২৬ (d) ১৮৫৭

৫। ব্ৰিটিছসকলে অসম দখল কৰাৰ আগতে কোন ৰাজবংশই অসম শাসন কৰিছিল?

(a) মোগল (b) আহোম

(c) গুপ্ত (d) মৌৰ্য

৬। "উত্তৰ-পূৱ" (Northeast) শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছিল?

(a) মোগল সাম্ৰাজ্য (b) ব্ৰিটিছ প্ৰশাসন

(c) জনজাতীয় পৰিষদ (d) ভাৰতীয় সংবিধান

৭। অসম কেতিয়া চীফ কমিছনাৰৰ প্ৰদেশ হৈছিল?

(a) ১৮২৬ (b) ১৮৭৪

(c) ১৯০৫ (d) ১৯১১

৮। দেশ বিভাজনৰ সময়ত অসমক ভাৰতত ৰাখিবলৈ কোনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল?

(a) মহাত্মা গান্ধী (b) সুভাষ চন্দ্ৰ বসু

(c) গোপীনাথ বৰদলৈ (d) জৱাহৰলাল নেহৰু

৯। শিলিগুৰি কৰিডৰ প্ৰায় কিমান বহল?

(a) ১০ কিলোমিটাৰ (b) ২২ কিলোমিটাৰ

(c) ৫০ কিলোমিটাৰ (d) ১০০ কিলোমিটাৰ

১০। নাগালেণ্ডে কেতিয়া পৃথক ৰাজ্যৰ মৰ্যদা লাভ কৰিছিল?

(a) ১৯৪৯ (b) ১৯৬৩

(c) ১৯৭২ (d) ১৯৮৭

১১। সংবিধানৰ ষষ্ঠ অনুসূচী কোনটো বিষয়ৰ সৈতে জড়িত?

(a) মৌলিক অধিকাৰ (b) পঞ্চায়তী ৰাজ

(c) জনজাতীয় প্ৰশাসন (d) নিৰ্বাচনী প্ৰক্ৰিয়া

১২। উত্তৰ-পূব পৰিষদ (NEC) কেতিয়া স্থাপন কৰা হৈছিল?

(a) ১৯৬৩ (b) ১৯৭১

(c) ১৯৮৭ (d) ১৯৯১

১৩। উত্তৰ-পূৰ্বাঞ্চলে কিমানখন দেশৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বতৰা কৰে?

(a) ৩ (b) ৪

(c) ৫ (d) ৬

১৪। উত্তৰ-পূব ভাৰতৰ সৈতে আটাইতকৈ দীঘল সীমা ভাগ-বতৰা কৰে?

(a) চীন (b) ম্যানমাৰ

(c) বাংলাদেশ (d) ভূটান

১৫। উত্তৰ-পূৰ্বাঞ্চলৰ কোনটো ভাষা অনুসূচীভূক্ত ভাষা নহয়?

(a) অসমীয়া (b) বড়ো

(c) মণিপুৰী (d) খাছী

১৬। পৃথিৱীৰ আটাইতকৈ অধিক বৰষুণ হোৱা ঠাই কোনটো?

(a) চেৰাপুঞ্জী (b) শ্বিলং

(c) মৌচিনৰাম (d) ইম্ফল

১৭। ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি স্থল ক'ত?

(a) ভাৰত (b) নেপাল

(c) তিব্বত (চীন) (d) ভূটান

১৮। মাজুলী কিহৰ বাবে বিখ্যাত?

(a) সৰ্ববৃহৎ হ্ৰদ
(b) সৰ্ববৃহৎ মৰুভূমি
(c) সৰ্ববৃহৎ জনবসতিপূৰ্ণ নদীদ্বীপ
(d) সৰ্ববৃহৎ অৰণ্য

১৯। অসমে ভাৰতৰ মুঠ চাহ উৎপাদনৰ প্ৰায় কিমান শতাংশ উৎপাদন কৰে?

(a) ২৫%
(b) ৪০%
(c) ৫০%
(d) ৭৫%

২০। ব্ৰহ্মপুত্ৰ নদী কোন ৰাষ্ট্ৰীয় জলপথ?

(a) NW-1
(b) NW-2
(c) NW-3
(d) NW-4

## ? চুটি উত্তৰৰ প্ৰশ্ন (Short Type Questions)ঃ

১। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ নাম যথাক্ৰমে লিখা আৰু প্ৰতিখন ৰাজ্যৰ ৰাজধানীৰ নাম উল্লেখ কৰা।

২। ব্ৰিটিছসকল কেতিয়া প্ৰথমবাৰৰ বাবে ভাৰতলৈ আহিছিল? তেওঁলোকে কিয় আৰু কেনেকৈ অসম দখল কৰিছিল?

৩। উত্তৰ-পূৰ্বাঞ্চলৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে প্ৰায় ১০০ টা শব্দত লিখা।

৪। ভাৰত বিভাজনৰ ফলত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত কি প্ৰভাৱ পৰিছিল? পাঁচোটা বাক্যত লিখা।

৫। উত্তৰ-পূৰ্বাঞ্চলৰ পুনৰগঠনৰ বিষয়ে প্ৰায় ১০০ টা শব্দত লিখা।

৬। উত্তৰ-পূব অঞ্চলটোৱে কোন কোন দেশৰ সৈতে আন্তৰ্জাতিক সীমা ভাগ কৰে? "এক্ট ইষ্ট নীতি" আৰু "নেবাৰহুড ফাৰ্ষ্ট নীতি"-য়ে এই অঞ্চলটোক কেনেদৰে উপকৃত কৰিছে?

৭। তলৰ যিকোনো দুটা বিষয়ৰ ওপৰত প্ৰায় ১০০ টা শব্দত টোকা লিখা —

(i) উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ-বৈচিত্ৰ্য

(ii) ব্ৰহ্মপুত্ৰ নদী

(iii) উত্তৰ-পূবৰ জাতিগত বৈচিত্ৰ্য

(iv) পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উদ্যোগসমূহ

৮। উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাৰ বিষয়ে প্ৰায় ১০০ টা শব্দত লিখা।

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (c) | 2. (b) | 3. (b) | 4. (c) |
| 5. (b) | 6. (b) | 7. (b) | 8. (c) |
| 9. (b) | 10. (b) | 11. (c) | 12. (b) |
| 13. (c) | 14. (c) | 15. (d) | 16. (c) |
| 17. (c) | 18. (c) | 19. (c) | 20. (b) |

■ ■ ■

# অধ্যায় ২

# বৈজ্ঞানিক মনোভাবৰ বিকাশ
# (Inculcation of Scientific Temper)

## পৰিচয় (Introduction) ঃ

প্ৰতিখন সমাজ তেতিয়াহে আগবাঢ়ে, যেতিয়া মানুহে প্ৰশ্ন কৰিবলৈ শিকে, যুক্তি দিবলৈ বিচাৰে আৰু তথ্য, পৰ্যবেক্ষণ আৰু যুক্তিৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লয়। এই ধৰণৰ চিন্তাধাৰাক বৈজ্ঞানিক মনোভাৱ (scientific temper) বোলা হয়। গতিকে, বৈজ্ঞানিক মনোভাৱে এনে এক চিন্তাধাৰাক বুজায়, যি পৰ্যবেক্ষণ, প্ৰশ্ন, পৰীক্ষা আৰু যুক্তিৰ ওপৰত ভিত্তি কৰে— অন্ধবিশ্বাস বা পৰীক্ষা নকৰা তথ্যৰ ওপৰত নহয়। ই মানুহক "কিয় ?", "কেনেকৈ ?" আৰু "ইয়াৰ পক্ষে কি প্ৰমাণ আছে?" —এনেধৰণৰ প্ৰশ্ন কৰিবলৈ উৎসাহিত কৰে।

ভাৰতীয় সংবিধানে নাগৰিকসকলৰ মাজত বৈজ্ঞানিক মনোভাৱ বিকাশ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সংবিধানৰ মৌলিক কৰ্তব্যসমূহ (অনুচ্ছেদ ৫১A) অনুসৰি প্ৰতিজন নাগৰিকে বৈজ্ঞানিক মনোভাৱ, মানৱতা আৰু অনুসন্ধান আৰু সংস্কাৰৰ মনোভাৱ বিকাশ কৰিব লাগে। বৈজ্ঞানিক মনোভাৱ মানে কেৱল বিজ্ঞান বিষয়টোহে জানিব লাগিব বুলি নহয়; ইয়াৰ অৰ্থ হৈছে যুক্তিসংগতভাৱে চিন্তা কৰা আৰু কোনো বস্তু পৰীক্ষা-নিৰীক্ষা নকৰাকৈ অন্ধভাৱে গ্ৰহণ নকৰা।

অসমত আমাৰ দৈনন্দিন জীৱনত আমি তেতিয়া বৈজ্ঞানিক যুক্তি ব্যৱহাৰ কৰোঁ, যেতিয়া—

- কোনো খবৰ আন মানুহলৈ পঠোৱাৰ (sharing) আগতে ই সঁচা হয়নে নহয় সেয়া পৰীক্ষা কৰোঁ।
- কৃষি কৰাৰ বা মাছ ধৰাৰ আগতে বতৰৰ পূৰ্বানুমান (weather forecasts) কৰোঁ।
- বিজ্ঞাপনত বিশ্বাস কৰাৰ পৰিৱৰ্তে পণ্যৰ গুণগত মান (product quality) তুলনা কৰোঁ।
- অন্ধবিশ্বাসৰ (superstition) সলনি চিকিৎসকৰ পৰামৰ্শ অনুসৰণ কৰোঁ।

গতিকে ক'ব পাৰি যে, বৈজ্ঞানিক মনোভাৱ কেৱল এটা পাঠ্য বিষয় নহয়, ই জীৱন-যাপনৰ এক পদ্ধতি।

## আজিৰ যুগত বৈজ্ঞানিক মনোভাৱ কিয় প্ৰয়োজন (Why Scientific Temper is Needed Today) ঃ

আমি এনে এটা সময়ত বাস কৰিছোঁ, য'ত তথ্যসমূহ অতি দ্ৰুতগতিত বিস্তাৰ হয়, বিশেষকৈ ডিজিটেল মাধ্যমৰ জৰিয়তে। বহু সময়ত গুজৱ, ভুৱা খবৰ আৰু ভুল পথপ্ৰদৰ্শক দাবীসমূহো একে ধৰণে বিস্তাৰ হয়।

বৈজ্ঞানিক মনোভাৱে আমাক তলত দিয়া ক্ষেত্ৰসমূহত সহায় কৰে—

- যুক্তিসংগত সিদ্ধান্ত (logical decisions ল'বলৈ সহায় কৰে
- সঁচা আৰু ভুল তথ্যৰ মাজত পাৰ্থক্য চিনাক্ত কৰিবলৈ
- অন্ধবিশ্বাসৰ (superstitions) পৰা দূৰত ৰাখে
- সুস্থ আৰু যুক্তিসংগত সামাজিক আচৰণ (social behaviour) গঢ়ি তোলে
- ভয় বা অন্ধবিশ্বাসৰ পৰিৱৰ্তে প্ৰমাণৰ ওপৰত ভিত্তি কৰি সমস্যা সমাধান কৰাত সহায় কৰে।

## সমসাময়িক বিজ্ঞান আৰু প্ৰযুক্তি (Contemporary Science and Technology) ঃ

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিয়ে আজি জীৱনৰ সকলো ক্ষেত্ৰতে বিৰাট পৰিৱৰ্তন আনিছে। সমসাময়িক বিজ্ঞান আৰু প্ৰযুক্তি মানে হৈছে আধুনিক বৈজ্ঞানিক জ্ঞান আৰু প্ৰযুক্তিগত সঁজুলি, যিয়ে বৰ্তমান মানৰ জীৱন বিশেষভাৱে গঢ়ি তুলিছে। এইবোৰে সমাজৰ প্ৰায় সকলো ক্ষেত্ৰত প্ৰভাৱ পেলাইছে আৰু মানুহে শিকা (learn), যোগাযোগ কৰা (communicate), কাম কৰা, যাত্ৰা কৰা আৰু সমস্যা সমাধান (solve problems) কৰাৰ পদ্ধতি পৰিৱৰ্তন কৰিছে। দ্ৰুত প্ৰযুক্তিগত উন্নতিয়ে কামৰ দক্ষতা বৃদ্ধি কৰিছে, দূৰত্ব কমাইছে আৰু বিশেষকৈ যুৱসমাজৰ বাবে নতুন সুযোগ (new opportunities) সৃষ্টি কৰিছে।

সমসাময়িক বিজ্ঞান আৰু প্ৰযুক্তিৰ মুখ্য ক্ষেত্ৰসমূহ হৈছে— তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT), জৈৱপ্ৰযুক্তি (Biotechnology) আৰু স্বাস্থ্য বিজ্ঞান (Health Sciences), কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) আৰু যন্ত্ৰচালিত শিকণ (Machine Learning) আৰু নবীকৰণযোগ্য শক্তি (Renewable Energy) আৰু সেউজ প্ৰযুক্তি (Green Technologies)। এইবোৰ বিশেষকৈ অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বাবে অতি প্ৰাসংগিক, কিয়নো ইয়াত প্ৰযুক্তিয়ে ভৌগোলিক আৰু আন্তঃগাঁথনিগত সমস্যাসমূহ দূৰ কৰিবলৈ সহায় কৰে।

তথ্য আৰু যোগাযোগ প্ৰযুক্তিয়ে (ICT) স্মাৰ্টফোন, ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আৰু ভিডিঅ' কলৰ জৰিয়তে যোগাযোগ আৰু তথ্য প্ৰাপ্তিৰ ক্ষেত্ৰত এক বিপ্লৱ আনিছে। ICT-এ অনলাইন শিক্ষা, ই-বুক আৰু ডিজিটেল লাইব্ৰেৰীৰ জৰিয়তে শিক্ষাৰ বিস্তাৰ ঘটাইছে আৰু ডিজিটেল শাসন আৰু জনসেৱা ব্যৱস্থাও শক্তিশালী কৰিছে। জৈৱপ্ৰযুক্তি আৰু স্বাস্থ্য বিজ্ঞানে টিকা (vaccines), আধুনিক ৰোগ নিৰ্ণয় ব্যৱস্থা, টেলিমেডিচিন (telemedicine), জৈৱ সাৰ (biofertilizers) আৰু উন্নত বীজ প্ৰজাতিৰ জৰিয়তে স্বাস্থ্য আৰু কৃষি ক্ষেত্ৰত উন্নতি সাধন কৰিছে।

কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) আৰু মেচিন লাৰ্নিং (Machine Learning)-এ কম্পিউটাৰ ব্যৱস্থাসমূহক তথ্য বিশ্লেষণ কৰিবলৈ আৰু সিদ্ধান্ত লোৱাত সহায় কৰে। ইয়াৰ ব্যৱহাৰ বতৰৰ পূৰ্বাভাস, স্বাস্থ্যসেৱা, শিক্ষা, কৃষি আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ (disaster management) ক্ষেত্ৰত কৰা হয়। নবীকৰণযোগ্য শক্তি আৰু সেউজ প্ৰযুক্তিয়ে সৌৰ শক্তি, বৈদ্যুতিক যানবাহন আৰু শক্তি-স্থায়ী (energy-efficient systems) ব্যৱস্থাৰ জৰিয়তে বহনক্ষম উন্নয়ন প্ৰচাৰ কৰে, যিবোৰ উত্তৰ-পূৰ্বাঞ্চলৰ দৰে পৰিৱেশ-সংবেদনশীল অঞ্চলৰ বাবে অতি গুৰুত্বপূৰ্ণ।

অসমত, চাহ বাগানসমূহত উৎপাদনশীলতা বৃদ্ধি (improve productivity) কৰিবলৈ ডিজিটেল সঁজুলি ব্যৱহাৰ কৰা হয়। আনহাতে টেলিমেডিচিন, বানপানীৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা আৰু ই-কমাৰ্চ প্লাটফৰ্মসমূহে স্বাস্থ্যসেৱা, দুৰ্যোগ ব্যৱস্থাপনা আৰু স্থানীয় জীৱিকাত সহায় কৰে। সামগ্ৰিকভাৱে, সমসাময়িক বিজ্ঞান আৰু প্ৰযুক্তিয়ে আঞ্চলিক উন্নয়ন আৰু শিক্ষাৰ্থীৰ ভৱিষ্যৎ জীৱিকা সন্ধানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**ক্ষেত্ৰ আৰু পৰিৱৰ্তনৰ উদাহৰণ (Area & Examples of Changes) ঃ**

| ক্ষেত্ৰ | পৰিৱৰ্তনৰ উদাহৰণ |
|---|---|
| যোগাযোগ | স্মাৰ্টফোন, সামাজিক মাধ্যম, ভিডিঅ' কল আৰু কনফাৰেন্সিং |
| স্বাস্থ্যসেৱা | ভেকচিন, MRI, টেলিমেডিচিন |
| শিক্ষা | অনলাইন শিক্ষা, ই-বুক আৰু ডিজিটেল সামগ্ৰী, ডিজিটেল লাইব্ৰেৰী |
| কৃষি | জৈৱ সাৰ, উচ্চ ফলনশীল বীজ, ড্ৰোন, ডিজিটেল সঁজুলি |
| পৰিৱহণ | বৈদ্যুতিক যানবাহন, GPS দিশ নিৰ্দেশনা |

**উদাহৰণ (অসম) ঃ** অসমৰ চাহ বাগানসমূহত মাটিৰ আৰ্দ্ৰতা, সাৰ ব্যৱহাৰ আৰু বতৰ পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ ডিজিটেল কৃষি সঁজুলি ব্যৱহাৰ কৰা হৈছে, যাৰ দ্বাৰা উৎপাদন বৃদ্ধি পায়।

**উদাহৰণ (উত্তৰ-পূব ভাৰত) ঃ** টেলিমেডিচিন সেৱাই (Telemedicine services) এতিয়া দূৰৱৰ্তী আৰু পাহাৰীয়া অঞ্চলৰ ৰোগীসকলক কেন্দ্ৰীয় চিকিৎসালয়লৈ (central Hospitals) নোযোৱাকৈয়ে অনলাইনত চিকিৎসকৰ সৈতে পৰামৰ্শ লোৱাৰ সুবিধা দিয়ে।

**আমাৰ অঞ্চলত সহায় কৰা আন নতুন প্ৰযুক্তিসমূহ ঃ**

- **দুৰ্যোগ ব্যৱস্থাপনা ঃ** বানপানীৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা
- **হস্তশিল্প আৰু বয়নশিল্প ঃ** ই-কমাৰ্চ প্লেটফৰ্ম আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে স্থানীয় শিল্পী আৰু তাঁতশিল্পীৰ পণ্যৰ প্ৰচাৰ আৰু বিক্ৰী

## সমাজত বৈজ্ঞানিক মনোভাৱ (Scientific Temper in Society) ঃ

বৈজ্ঞানিক মনোভাৱে এজন ব্যক্তিয়ে সমাজৰ সৈতে কেনেকৈ সম্পৰ্ক স্থাপন কৰে সেয়া প্ৰভাৱিত কৰে। যি সমাজত বৈজ্ঞানিক মনোভাৱ থাকে, সেই সমাজ আগবঢ়া, আধুনিক আৰু গণতান্ত্ৰিক হয়। ই তলত দিয়া দিশসমূহ উৎসাহিত কৰে—

- পৰীক্ষা-নিৰীক্ষা নকৰা দাবীসমূহৰ (unverified claims) ক্ষেত্ৰত প্ৰশ্ন কৰা
- অন্ধবিশ্বাস-সম্পৃক্ত আৰু ক্ষতিকাৰক উৎসৱ-পাৰ্বণ ত্যাগ কৰা
- সমতা প্ৰচাৰ কৰা, কিয়নো বৈজ্ঞানিক চিন্তাধাৰাই সকলো মানুহকে সমানভাৱে বিবেচনা কৰে
- নিৰ্ভৰযোগ্য প্ৰমাণ (reliable evidence) আৰু যুক্তিৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লোৱা
- সামাজিক বাধা (social barriers) আৰু পক্ষপাতিত্ব (prejudices) হ্ৰাস কৰা
- উদ্ভাৱন (innovation) উৎসাহিত কৰা
- সমাজত উন্নত সমস্যা সমাধান ক্ষমতা গঢ়ি তোলা
- তথ্য, আলোচনা আৰু বিতৰ্কৰ প্ৰতি সন্মান দেখুওৱা

## প্ৰযুক্তি আৰু ইয়াৰ সামাজিক প্ৰভাৱ (Technology and its Social Impact) ঃ

প্ৰযুক্তিয়ে দৈনন্দিন জীৱনৰ কাৰ্যকলাপসমূহত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু প্ৰযুক্তি দায়িত্বশীলভাৱে ব্যৱহাৰ কৰিব লাগে, য'ত তথ্যৰ গোপনীয়তা, নৈতিক ডিজিটেল আচৰণ আৰু চাইবাৰ বিপদৰ বিষয়ে সচেতন হোৱা প্ৰয়োজন। বৈজ্ঞানিক মনোভাৱে আমাক প্ৰযুক্তি সঠিকভাৱে ব্যৱহাৰ কৰাত সহায় কৰে।

- সহজ লেনদেনৰ বাবে অনলাইন বেংকিং আৰু UPI
- ইণ্টাৰনেট-ভিত্তিক চাকৰি আৰু অনলাইন ফ্ৰীলেঞ্চিং (freelancing)
- অনলাইন শিক্ষা আৰু শিকণ প্লেটফৰ্ম (learning platforms)
- চিকিৎসা নিৰ্ণয় আৰু টিকাকৰণ অভিযান
- ডিজিটেল চৰকাৰী সেৱা যেনে— ধৰিত্ৰী (Dharitri), সেৱা সেতু (Sewasetu), m-Paribahan, e-District, আধাৰ-ভিত্তিক সেৱা

প্ৰযুক্তিৰ দুই ধৰণৰ প্ৰভাৱ আছে— ইতিবাচক (positive) আৰু নেতিবাচক (negative)।

| ইতিবাচক প্ৰভাৱ (Positive Impact) | নেতিবাচক প্ৰভাৱ (Negative Impact) (ভুল ব্যৱহাৰ কৰিলে) |
|---|---|
| দ্ৰুত যোগাযোগ | অনলাইনত মানুহক দুখ দিয়া আচৰণ (Cyberbullying) |
| সহজে তথ্য লাভ | ভুৱা তথ্যৰ বিস্তাৰ |
| উন্নত স্বাস্থ্যসেৱা | তথ্য গোপনীয়তাৰ বিপদ |
| অনলাইন শিক্ষা | বেছি সময় স্ক্ৰীণ চোৱা |

## চাইবাৰ অপৰাধৰ পৰিৱেশ (Cybercrime Ecosystem) ঃ

ডিজিটেল কাৰ্যকলাপ বৃদ্ধি পোৱাৰ লগে লগে চাইবাৰ অপৰাধো বৃদ্ধি পাইছে। চাইবাৰ অপৰাধ মানে হৈছে কম্পিউটাৰ বা ইণ্টাৰনেট ব্যৱহাৰ কৰি কৰা অপৰাধ।

**সাধাৰণ চাইবাৰ বিপদ (Common Cyber Risks) ঃ**

- ভুৱা চাকৰি আৰু স্ক'লাৰশ্বিপৰ সংযোগ
- অনলাইন প্ৰতাৰণা (Online fraud)
- ATM আৰু UPI জালিয়াতি
- ছ'চিয়েল মিডিয়াৰ জৰিয়তে পৰিচয় চুৰি
- মেছেজিং এপৰ জৰিয়তে গুজৱৰ বিস্তাৰ
- ফিছিং (পাছৱৰ্ড/OTP বিচৰা ভুৱা বাৰ্তা)
- অনলাইনত মানুহক দুখ দিয়া আচৰণ (Cyberbullying)
- তথ্য হেকিং (Data hacking)

**শিক্ষাৰ্থীসকলে পালন কৰিব লাগে ঃ**

(১) পাছৱৰ্ড বা OTP কাকো নক'ব
(২) শক্তিশালী পাছৱৰ্ড ব্যৱহাৰ কৰিব
(৩) লিংক ক্লিক কৰাৰ আগতে তথ্য পৰীক্ষা (Verify) কৰিব
(৪) অনলাইন উৎপীড়নৰ (online harassment) ক্ষেত্ৰত জ্যেষ্ঠজনক নাইবা সংশ্লিষ্ট কৰ্তৃপক্ষক জনাব
(৫) সুৰক্ষিত ৱেবছাইট (https: //) ব্যৱহাৰ কৰিব

**বৈজ্ঞানিক চিন্তাধাৰাই কেনেকৈ সহায় কৰে ঃ**

- অচিনাক্ত লিংক ক্লিক কৰাৰ আগতে পৰীক্ষা কৰা
- বিশ্বাসযোগ্য উৎসৰ (trusted sources) সৈতে খবৰ মিলাই চোৱা
- শক্তিশালী পাছৱৰ্ড আৰু দুই-স্তৰৰ প্ৰমাণীকৰণ (two-factor authentication) ব্যৱহাৰ কৰা

চাইবাৰ হাইজিন (Cyber Hygiene) হৈছে এক নতুন শব্দ, যাৰ অৰ্থ হৈছে অনলাইন কাৰ্যকলাপ সুৰক্ষিত ৰাখিবলৈ কৰা অভ্যাসসমূহ, যেনে— পাছৱৰ্ড শ্বেয়াৰ নকৰা, জনসাধাৰণৰ ডিভাইচত লগআউট কৰা আৰু ৱেবছাইটৰ সত্যতা পৰীক্ষা কৰা।

## বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা ঃ শিক্ষাৰ্থীসকলে কি কৰিব লাগে (Developing Scientific Temper : What Students Can Do) ঃ

- প্ৰশ্ন কৰা আৰু তাৰ ব্যাখ্যা বিচাৰা।
- বাতৰি কাকত, বিজ্ঞানৰ খবৰ আৰু চৰকাৰী প্ৰতিবেদন পঢ়া।

- বিজ্ঞান ক্লাব, মেলা আৰু বিতৰ্কত অংশগ্ৰহণ কৰা।
- সহপাঠী আৰু পৰিয়ালৰ সৈতে যুক্তিসংগতভাৱে আলোচনা কৰা।
- পৰীক্ষা নকৰা খবৰ বা বাৰ্তা (unverified messages) আগবঢ়াব নালাগে।
- ন্যায় আৰু যুক্তিৰ (fairness and logic) ওপৰত ভিত্তি কৰি সিদ্ধান্ত সমৰ্থন কৰা।

**তুমি জানানে?**

- ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)-ৰ গুৰুত্বপূৰ্ণ উপগ্ৰহ আৰু উৎক্ষেপণ যান গৱেষণা আৰু বিকাশ দলত অসমৰ বিজ্ঞানীসকলেও অংশগ্ৰহণ কৰিছিল।
- ব্ৰহ্মপুত্ৰ উপত্যকা পৃথিৱীৰ আটাইতকৈ সমৃদ্ধ জৈৱ-বৈচিত্ৰ্য অঞ্চলসমূহৰ (world's richest biodiversity hotspots) ভিতৰত অন্যতম, যাক বৈজ্ঞানিক গৱেষণাৰ জৰিয়তে বিস্তৃতভাৱে অধ্যয়ন কৰা হৈছে।
- বৈজ্ঞানিক মনোভাৰ আধুনিক জীৱন, সামাজিক উন্নতি আৰু দায়িত্বশীল নাগৰিকত্বৰ বাবে অতি প্ৰয়োজনীয়। ই ব্যক্তিক যুক্তিসংগতভাৱে চিন্তা কৰিবলৈ, প্ৰযুক্তি বুদ্ধিমত্তাৰে ব্যৱহাৰ কৰিবলৈ আৰু অধিক সহযোগিতামূলক আৰু সচেতন সমাজ গঢ়ি তুলিবলৈ সহায় কৰে।

## প্ৰশ্নাৱলী

### ? বহুবিকল্পী প্ৰশ্ন (Multiple Choice Questions) ঃ

১। বৈজ্ঞানিক মনোভাৰ বুলিলে কি বুজায়?

(a) পৰম্পৰাগত অন্ধ বিশ্বাস (b) যুক্তি আৰু প্ৰমাণৰ ভিত্তিত চিন্তা কৰা

(c) বৈজ্ঞানিক তথ্য মুখস্থ কৰা (d) প্ৰশ্ন নকৰি আনক অনুসৰণ কৰা

২। বৈজ্ঞানিক মনোভাৱে মানুহক কোনবোৰ প্ৰশ্ন কৰিবলৈ উৎসাহিত কৰে?

(a) কেতিয়া আৰু ক'ত (b) কোন আৰু কোনটো

(c) কিয় আৰু কেনেকৈ (d) কি আৰু কেতিয়া

৩। ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদে বৈজ্ঞানিক মনোভাৰক উৎসাহিত কৰে?

(a) অনুচ্ছেদ ২১ (b) অনুচ্ছেদ ১৯

(গ) অনুচ্ছেদ ৫১A (d) অনুচ্ছেদ ৩২

৪। বৈজ্ঞানিক মনোভাৱে কিহৰ পৰা বিৰত ৰাখে?

(a) শিক্ষা (b) অন্ধবিশ্বাস

(c) যোগাযোগ (d) প্ৰযুক্তি

৫। তলত দিয়া কোনটো বৈজ্ঞানিক যুক্তিৰ উদাহৰণ?

(a) গুজব বিশ্বাস কৰা (b) অন্ধবিশ্বাস মানি চলা

(c) খবৰ শ্বেয়াৰ কৰাৰ আগতে পৰীক্ষা কৰা (d) তথ্য অৱজ্ঞা কৰা

৬। বৈজ্ঞানিক মনোভাৱে কিহৰ মাজত পাৰ্থক্য কৰিবলৈ সহায় কৰে?

(a) ভাল আৰু বেয়া (b) সত্য আৰু ভুৱা তথ্য

(c) ধনী আৰু দুখীয়া (d) চহৰ আৰু গাঁও

৭। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বুলিলে সাধাৰণতে কি বুজায়?

(a) প্ৰাচীন আৱিষ্কাৰ (b) আধুনিক বৈজ্ঞানিক জ্ঞান

(c) ধৰ্মীয় বিশ্বাস (d) সাংস্কৃতিক পৰম্পৰা

৮। তলত দিয়া কোনটো আধুনিক প্ৰযুক্তিৰ মুখ্য ক্ষেত্ৰ নহয়?

(a) ICT (b) জীৱপ্ৰযুক্তি

(c) জ্যোতিষশাস্ত্ৰ (d) কৃত্ৰিম বুদ্ধিমত্তা

৯। ICT ৰ পূৰ্ণ ৰূপ কি?

(a) তথ্য আৰু যোগাযোগ প্ৰযুক্তি (b) ভাৰতীয় যোগাযোগ সঁজুলি

(c) আন্তৰাষ্ট্ৰীয় কম্পিউটাৰ প্ৰযুক্তি (d) তথ্য নিয়ন্ত্ৰণ পদ্ধতি

১০। টেলিমেডিচিনে কিহত সহায় কৰে?

(a) কৃষিকাৰ্য (b) অনলাইন ক্ৰয়

(c) দূৰৱৰ্তী স্বাস্থ্য পৰামৰ্শ (d) পৰিবহণ

১১। কৃত্ৰিম বুদ্ধিমত্তাই কিহত সহায় কৰে?

(a) তথ্য অৱজ্ঞা কৰা (b) তথ্য বিশ্লেষণ আৰু সিদ্ধান্ত লোৱা

(c) কেৱল পুথি লিখা (d) প্ৰযুক্তি এৰাই চলা

১২। নবীকৰণযোগ্য শক্তিত কি অন্তৰ্ভুক্ত?

(a) কয়লা (b) পেট্ৰল

(c) সৌৰ শক্তি (d) ডিজেল

১৩। বৈজ্ঞানিক মনোভাৱে কি প্ৰচাৰ কৰে?

(a) অন্ধ বিশ্বাস (b) সমতা আৰু যুক্তি

(c) অন্ধবিশ্বাস (d) ভয়ৰ ওপৰত ভিত্তি কৰা সিদ্ধান্ত

১৪। তলত দিয়া কোনটো প্ৰযুক্তিৰ ইতিবাচক প্ৰভাৱ?

(a) চাইবাৰ বুলিং (b) ভুৱা তথ্য

(c) উন্নত স্বাস্থ্যসেৱা (d) ডাটা চুৰি

১৫। তলত দিয়া কোনটো প্ৰযুক্তিৰ নেতিবাচক প্ৰভাৱ?

(a) অনলাইন শিক্ষা (b) সহজ যোগাযোগ

(c) চাইবাৰ বুলিং (d) ডিজিটেল শাসন

১৬। চাইবাৰ অপৰাধ বুলিলে কি বুজায়?

(a) কৃষি সম্পৰ্কীয় অপৰাধ

(b) কম্পিউটাৰ বা ইণ্টাৰনেট ব্যৱহাৰ কৰি কৰা অপৰাধ

(c) পথৰ অপৰাধ

(d) ৰাজনৈতিক অপৰাধ

১৭। ফিচিং মানে কি?

(a) নদীত মাছ ধৰা (b) তথ্য চুৰি কৰিবলৈ ভুৱা বাৰ্তা

(c) ডাটা সংৰক্ষণ (d) ই-মেইল লিখা

১৮। চাইবাৰ হাইজিন (Cyber hygiene) মানে কি?

(a) কম্পিউটাৰ পৰিষ্কাৰ কৰা (b) সুৰক্ষিত অনলাইন অভ্যাস

(c) ইণ্টাৰনেটৰ গতি (d) গেজেট কিনা

১৯। তলত দিয়া কোনটো সুৰক্ষিত অনলাইন অভ্যাস?

(a) OTP শ্বেয়াৰ কৰা

(b) দুৰ্বল পাছওৱৰ্ড ব্যৱহাৰ কৰা

(c) লিংকত ক্লিক কৰাৰ আগতে পৰীক্ষা কৰা

(d) সুৰক্ষা অৱজ্ঞা কৰা

২০। শিক্ষাৰ্থীসকলে কেনেদৰে বৈজ্ঞানিক মনোভাৱ গঢ়ি তুলিব পাৰে?

(a) প্ৰশ্ন নকৰা (b) গুজব আগবঢ়োৱা

(c) প্ৰশ্ন কৰা আৰু তথ্য পৰীক্ষা কৰা (d) সকলো কথা অন্ধভাৱে বিশ্বাস কৰা

২১। সংবিধানৰ কোনটো অনুচ্ছেদে বৈজ্ঞানিক মনোভাৱক উৎসাহিত কৰে?

(a) ২১A (b) ৫১A

(c) ৩৭০ (d) ৩৫৬

২২। টেলিমেডিচিন কিহৰ বাবে উপযোগী?

(a) অনলাইন চিকিৎসা পৰামৰ্শ (b) বতৰৰ পূৰ্বানুমান

(c) কেৱল কৃষিকাৰ্য (d) ওপৰৰ কোনোটোৱে নহয়

## ? সংক্ষিপ্ত উত্তৰৰ প্ৰশ্ন (Short Type Questions)ঃ

১। বৈজ্ঞানিক মনোভাৱৰ সংজ্ঞা দিয়া।

২। অসমৰ জনজীৱনত বিজ্ঞানে কেনেদৰে উন্নতি সাধন কৰিছে তাৰ দুটা উদাহৰণ দিয়া।

৩। ভুৱা তথ্য (misinformation) বুলিলে কি বুজায়?

## ? দীঘল উত্তৰৰ প্ৰশ্ন (Long Type Questions)ঃ

১। প্ৰযুক্তিয়ে কেনেদৰে সমাজত উপকাৰ আৰু অপকাৰ দুয়ো ধৰণে প্ৰভাৱ পেলাব পাৰে, আলোচনা কৰা।

২। সমাজত বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলাত যুৱসমাজৰ ভূমিকা বৰ্ণনা কৰা।

## ? প্ৰকল্প কাৰ্যকলাপ (Project Activity)ঃ

১। তোমালোকৰ সমাজত চলি থকা কোনো এটা জনবিশ্বাস বা লোকাচাৰ লক্ষ্য কৰা। এইটো বৈজ্ঞানিক যুক্তিৰে সমৰ্থিত হয় নে নহয় আলোচনা কৰা আৰু তোমাৰ ফলাফল শ্ৰেণীত উপস্থাপন কৰা।

২। তোমালোকৰ অঞ্চল (জিলা/চহৰ/নগৰ)ত শিক্ষা আৰু স্বাস্থ্যসেৱাত প্ৰযুক্তিয়ে কেনেদৰে সহায় কৰিছে, তাৰ বিষয়ে তথ্য সংগ্ৰহ কৰা। ইয়াৰ ওপৰত ২-৩ পৃষ্ঠাৰ এটা ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিবেদন প্ৰস্তুত কৰা।

৩। তোমাৰ বা তোমাৰ বন্ধু বা পৰিচিত কোনোবাই সন্মুখীন হোৱা এটা চাইবাৰ অপৰাধৰ উদাহৰণৰ ওপৰত ২ পৃষ্ঠাৰ এটা টোকা প্ৰস্তুত কৰা আৰু অনলাইনত সুৰক্ষিত থকাৰ বাবে কিছুমান পৰামৰ্শ দিয়া।

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (b) | 2.(c) | 3. (c) | 4. (b) |
| 5. (c) | 6. (b) | 7. (b) | 8. (c) |
| 9. (a) | 10. (c) | 11. (b) | 12. (c) |
| 13. (b) | 14. (c) | 15. (c) | 16. (b) |
| 17. (b) | 18. (b) | 19. (c) | 20. (c) |
| 21. (b) | 22. (a) | | |

■ ■ ■

# অধ্যায় ৩

# সাংস্কৃতিক ঐতিহ্য (Cultural Heritage)

## পৰিচয় (Introduction) ঃ

ভাৰত এখন খুবেই বৈচিত্র্যপূৰ্ণ (diversities) দেশ। ইয়াত ভাষা, ধৰ্ম, জাতিগত পটভূমি, ৰীতি-নীতি, খাদ্য, সংগীত আৰু নৃত্য আদিত বহুতো বৈচিত্র্য দেখা যায়। এই বৈচিত্র্যই আমাৰ দেশক অনন্য (unique) কৰি তুলিছে আৰু এইবোৰ বৈচিত্র্যই একতাৰো (unity) সৃষ্টি কৰিছে। এই বৈচিত্র্যসমূহ ভাৰতৰ বিভিন্ন সাংস্কৃতিক গোটসমূহৰ সমৃদ্ধ অৰদান। এই সংস্কৃতিসমূহ প্ৰতিজন ভাৰতীয়ৰ সম্পত্তি। ইয়াত মানুহৰ সামাজিক আৰু বৌদ্ধিক দিশ অন্তৰ্ভুক্ত থাকে। লগতে সৌন্দৰ্যবোধ (aesthetic) আৰু আধ্যাত্মিক অনুভূতিও (spiritual impulses) থাকে, যিবোৰে অজানিতে এজন ব্যক্তিৰ চৰিত্ৰ গঢ়ি তুলিবলৈ বা বিকাশ কৰিবলৈ সহায় কৰে।

## সাংস্কৃতিক ঐতিহ্যৰ অৰ্থ (Meaning of Cultural Heritage) ঃ

সাংস্কৃতিক ঐতিহ্য হৈছে এখন সমাজে গঢ়ি তোলা জীৱনধাৰাৰ প্ৰকাশ, যি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ আগবাঢ়ি যায়। ইয়াৰ ভিতৰত ৰীতি-নীতি, আচৰণ, ঠাই, বস্তু, শিল্পৰ প্ৰকাশ (artistic expressions) আৰু মূল্যবোধ অন্তৰ্ভুক্ত থাকে।

## সাংস্কৃতিক ঐতিহ্যৰ দুটা প্ৰকাৰ (Two Types of Cultural Heritage) ঃ

সাংস্কৃতিক ঐতিহ্য দুইপ্ৰকাৰৰ— দৃশ্যমান (Tangible) আৰু অদৃশ্যমান (Intangible)। দৃশ্যমান সাংস্কৃতিক ঐতিহ্যত দেশৰ ইতিহাস আৰু সংস্কৃতিৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ ঠাইসমূহ যেনে— স্মৃতিস্তম্ভ আৰু পবিত্ৰ

স্থানসমূহ (monuments and shrines) অন্তৰ্ভুক্ত। অদৃশ্যমান সাংস্কৃতিক ঐতিহ্যত সেইবোৰ দিশ অন্তৰ্ভুক্ত, যিবোৰ চুব নোৱাৰি বা দেখা নাযায়, যেনে— পৰম্পৰাগত সংগীত, লোককথা আৰু ভাষা।

সাংস্কৃতিক ঐতিহ্য অমূল্য (Irreplaceable) আৰু অদ্বিতীয় (unique)। ইয়াক সচেতনভাৱে সংৰক্ষণ কৰিলে ই সংৰক্ষিত হৈ থাকে। এই সংৰক্ষণে সমাজৰ বিভিন্ন প্ৰতিষ্ঠানৰ বাবে এক গুৰুত্বপূৰ্ণ সম্পদ হিচাপে কাম কৰে।

এতিয়া আহা "সংস্কৃতি" আৰু "ঐতিহ্য" শব্দ দুটাৰ সংজ্ঞা বুজি লওঁ।

এডৱাৰ্ড টাইলৰৰ মতে, "সংস্কৃতি হৈছে এক জটিল সমষ্টি, য'ত জ্ঞান, বিশ্বাস, শিল্প, নৈতিকতা, আইন, ৰীতি-নীতি আৰু সমাজৰ সদস্য হিচাপে মানুহে লাভ কৰা সকলো দক্ষতা অন্তৰ্ভুক্ত থাকে।"

লিণ্টনৰ মতে, "সংস্কৃতি হৈছে সামাজিক বংশানুক্ৰম, যি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ব্যক্তিগত অভিজ্ঞতাৰে আগবঢ়োৱা হয়।"

Aas et al (2005)ৰ মতে, "ঐতিহ্য হৈছে সেই সংস্কৃতিৰ ৰূপ, যি সময়ৰ পৰীক্ষাত টিকি (survives) থাকে আৰু মানুহৰ বিবৰ্তনৰ যাত্ৰাৰ জ্বলন্ত প্ৰমাণ হিচাপে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ আগবাঢ়ে।"

ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উপাদান (Elements in Cultural Heritage of India), সংস্কৃতি হৈছে জীৱনধাৰা। আমি খোৱা খাদ্য, পিন্ধা কাপোৰ, কথিত ভাষা আৰু উপাস্য দেৱতা বা ভগৱান—এই সকলোবোৰ সংস্কৃতিৰ অংশ।

সহজ ভাষাত ক'বলৈ হ'লে, সংস্কৃতি হৈছে আমি কৰা চিন্তা আৰু কামৰ প্ৰতিফলন। ইয়াৰ লগতে সমাজৰ সদস্য হিচাপে আমি যিবোৰ বস্তু আৰু মূল্যবোধ লাভ কৰোঁ, সেইবোৰো অন্তৰ্ভুক্ত থাকে। ইয়াত দৃশ্যমান আৰু অদৃশ্যমান— দুয়ো প্ৰকাৰৰ সাংস্কৃতিক ঐতিহ্যৰ উপাদান অন্তৰ্ভুক্ত থাকে।

## ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উপাদানসমূহ (The elements of Cultural Heritage of India) ঃ

ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ মুখ্য উপাদানসমূহ হৈছে—

(১)ধৰ্মীয় সংস্কৃতি (Religious culture)

(২) পৰিয়ালৰ গঠন আৰু বিবাহ (Family structure & Marriage)

(৩) উৎসৱসমূহ (Festivals)

(৪) প্ৰীতি-সম্ভাষণ (Greetings)

(৫) জীৱ-জন্তু (Animals)

(৬) খাদ্য-পানীয় (Cuisines)

(৭) সাজ-পাৰ (Clothing)

(৮)ভাষা আৰু সাহিত্য (Language and literature)

(৯)পৰিৱেশ্য কলা (Performing arts)

(১০) দৃশ্য কলা (Visual arts)

(১১) ক্ৰীড়া আৰু সমৰকলা (Sports and martial arts)

## ধৰ্মীয় সংস্কৃতি (Religious Culture) ঃ

হিন্দুধৰ্ম, জৈনধৰ্ম, বৌদ্ধধৰ্ম আৰু শিখধৰ্ম— এই সকলো ধৰ্ম "ধম্ম (dhamma)" আৰু "কৰ্ম (karma)"ৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। অহিংসা (অহিংসা অৰ্থাৎ হিংসা নকৰা) ভাৰতীয় ধৰ্মসমূহৰ এটা গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ আটাইতকৈ জনপ্ৰিয় সমৰ্থক আছিল মহাত্মা গান্ধী, যিয়ে অসহযোগ আন্দোলনৰ জৰিয়তে ভাৰতক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে একত্ৰিত কৰিছিল। এই দৰ্শনে আমেৰিকাৰ নাগৰিক অধিকাৰ আন্দোলনৰ সময়ত মাৰ্টিন লুথাৰ কিং জুনিয়ৰকো (Martin Luther King, Jr.) প্ৰেৰণা যোগাইছিল।

২০১১ চনৰ জনগণনাৰ অনুসাৰে, ভাৰতৰ ৭৯.৮% লোক হিন্দুধৰ্ম পালন কৰে। ইছলাম (১৪.২%), খ্ৰীষ্টান (২.৩%), শিখ (১.৭%), বৌদ্ধ (০.৭%) আৰু জৈন (০.৪%) ধৰ্ম হৈছে ভাৰতত আন মুখ্য ধৰ্মসমূহ।

## পৰিয়ালৰ গঠন আৰু বিবাহ (Family Structure and Marriage) ঃ

### পৰিয়ালৰ গঠন (Family Structure) ঃ

ভাৰতত যৌথ পৰিয়াল ব্যৱস্থা এক প্ৰচলিত পৰম্পৰা। এই ব্যৱস্থাত পিতৃ-মাতৃ, সন্তান, সন্তানৰ স্বামী বা পত্নী আৰু তেওঁলোকৰ সন্তান আদি একেলগে বাস কৰে। সাধাৰণতে, এই যৌথ পৰিয়ালত বয়োজ্যেষ্ঠ পুৰুষ সদস্যজন পৰিয়ালৰ মুৰব্বী হয়। তেওঁ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ লয় আৰু নীতি-নিয়ম নিৰ্ধাৰণ কৰে আৰু আন সদস্যসকলে সাধাৰণতে সেইবোৰ মানি চলে।

### বিবাহ (Marriage) ঃ

ভাৰতীয় সমাজ ব্যৱস্থাত পৰিয়ালৰ লোকে চাই-চিতি কৰা বিবাহ (Arranged Marriage) বহুকাল ধৰি চলি অহা এক সাধাৰণ পৰম্পৰা। আজিও অধিকাংশ ভাৰতীয়ৰ বিবাহ পিতৃ-মাতৃ আৰু পৰিয়ালৰ সন্মানীয় সদস্যসকলৰ দ্বাৰা নিৰ্ধাৰিত হয়।

## উৎসৱসমূহ (Festivals) ঃ

ভাৰত এখন বহু-সংস্কৃতিসম্পন্ন (multi-cultural), বহু জাতি-জনগোষ্ঠী (multi-ethnic) আৰু বহু-ধৰ্মীয় সমাজ (multi-religious society), সেয়েহে ইয়াত বিভিন্ন ধৰ্মৰ বন্ধৰ দিন আৰু উৎসৱসমূহ উদযাপন কৰা হয়। দেৱালী সমগ্ৰ দেশত হিন্দু, শিখ, বৌদ্ধ আৰু জৈন ধৰ্মৰ লোকসকলে উদযাপন কৰে। বুদ্ধ পূৰ্ণিমা, কৃষ্ণ জন্মাষ্টমী আদি উৎসৱ বৌদ্ধ আৰু হিন্দুসকলে উদযাপন কৰে। শিখ ধৰ্মৰ উৎসৱসমূহ যেনে— গুৰু নানক জয়ন্তী, বৈশাখী পঞ্জাব আৰু দিল্লীৰ শিখ আৰু হিন্দুসকলে ধুমধামকৈ উদযাপন কৰে। ভাৰতত উদযাপিত ইছলাম ধৰ্মৰ উৎসৱসমূহ হৈছে— ঈদ-উল-ফিতৰ, বকৰিদ, মিলাদ-উন-নবী, মহৰম। খ্ৰীষ্টান ধৰ্মৰ উৎসৱসমূহ

হৈছে— ইষ্টাৰ, গুড ফ্ৰাইডে আৰু বড়দিন। ইয়াৰ উপৰি প্ৰতিখন ৰাজ্যৰ নিজা নিজা উৎসৱ আছে। অসমৰ প্ৰধান উৎসৱ হৈছে বিহু; সেইদৰে কেৰালামত ওনাম (Onam), তামিলনাডুত পঙ্গল (Pongal), পঞ্জাব আৰু হাৰিয়ানাত লোহৰি (Lohri) আদি উদযাপন কৰা হয়। এই উৎসৱসমূহৰ অধিকাংশই কৃষিভিত্তিক।

### সম্ভাষণ (Greetings) ঃ

ভাৰতত পৰস্পৰে সম্ভাষণ জনোৱাৰ বাবে সাধাৰণতে "নমস্কাৰ" বা "নমস্তে" শব্দ ব্যৱহাৰ কৰা হয় (যদিও আন ভাষাতো সম্ভাষণসূচক শব্দ আছে)। হাত যোৰ (hand folded) কৰি কৰা এই ভঙ্গীৰ (gesture) সম্ভাষণ কেতিয়াবা শব্দ নোকোৱাকৈও কৰা হয়। "নমস্কাৰ" শব্দটো সংস্কৃত "নমঃ"ৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে "মই আপোনাক নমন কৰোঁ"। ভাৰতৰ অধিকাংশ পৰিয়ালত সৰুসকলে ডাঙৰসকলৰ পৰা আশীৰ্বাদ ল'বলৈ সম্ভাষণ কৰে, এই প্ৰথাক প্ৰণাম বুলি কোৱা হয়।

### খাদ্য-পানীয় (Cuisine) ঃ

ভাৰতীয় খাদ্য অঞ্চলভেদে ভিন্ন ভিন্ন। ইয়াক সাধাৰণতে পাঁচটা ভাগত ভাগ কৰিব পাৰি— উত্তৰ ভাৰত, দক্ষিণ ভাৰত, পূব ভাৰত, পশ্চিম ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চল। বিভিন্ন মছলা (spices) আৰু বনৌষধিৰ ব্যৱহাৰ, বিভিন্ন ৰন্ধন পদ্ধতি (cooking techniques) আৰু ৰেচিপিৰ (recipes) বাবে ভাৰতীয় খাদ্যৰ বৈচিত্ৰ্য পৰিলক্ষিত হয়। যদিও ভাৰতত বহু খাদ্য নিৰামিষ, তথাপিও বহু খাদ্যত মাংস (মুৰ্গী, ছাগলী, গাহৰি), মাছ, কণী আৰু সাগৰীয় খাদ্য (seafood) ব্যৱহাৰ কৰা হয়। পূব ভাৰতৰ ৰাজ্যসমূহত (বিশেষকৈ পশ্চিমবংগ) আৰু দক্ষিণ ভাৰতৰ ৰাজ্যসমূহত (কেৰালাম, তামিলনাডু) মাছভিত্তিক খাদ্য বেছি জনপ্ৰিয়।

### সাজপাৰ (Clothing) ঃ

ভাৰতত মানুহৰ জাতি-জনগোষ্ঠী ভেদে, ভৌগোলিক অৱস্থান ভেদে, জলবায়ু আৰু সংস্কৃতিৰ ওপৰত সাজপাৰ নিৰ্ভৰ কৰে। অতীতৰপৰা পুৰুষ আৰু মহিলাই পৰিধান কৰি অহা সাধাৰণ কাপোৰ যেনে— ধুতি, লুঙি, শাৰীৰ পৰা বিকাশ হৈ আজি জটিল আৰু আকৰ্ষণীয় সাজপাৰত পৰিণত হৈছে। এইবোৰ কেৱল দৈনন্দিন জীৱনতে নহয়; উৎসৱ, ধৰ্মীয় অনুষ্ঠান (rituals) আৰু নৃত্য-প্ৰদৰ্শনতো (dance performances) ব্যৱহাৰ কৰা হয়। ভাৰতত কাপোৰৰ বয়ন, সূতা, ৰং আৰু সামগ্ৰীৰ ক্ষেত্ৰতো বহুত বিচিত্ৰতা দেখা যায়। ইয়াত বিভিন্ন ধৰণৰ এম্ব্ৰয়ডাৰী (embroidery), খোদিত (prints) আৰু হাতৰ কামৰ শৈলীৰো ব্যৱহাৰ দেখা যায়। ভাৰতত পৰম্পৰাগত (traditional) আৰু পাশ্চাত্য পৰিধানৰ (western styles) এক মিশ্ৰ ৰূপো দেখা যায়।

### ভাষা আৰু সাহিত্য (Languages & Literature) ঃ

### ভাষা (Languages) ঃ

সাম্প্ৰতিক লোকপিয়লৰ তথ্য অনুসাৰে, ভাৰতত মাতৃভাষা (mother tongues) হিচাপে ১৯, ৫০০তকৈ অধিক ভাষা বা উপভাষা (languages or dialects) ব্যৱহাৰ কৰা হয়। ভাৰতত প্ৰায় ১২১ কোটিৰো অধিক

জনসংখ্যাৰ ভিতৰত ১০,০০০ বা তাৰ অধিক মানুহে কোৱা ১২১টা ভাষা আছে। ২০১১ চনৰ লোকপিয়ল অনুসাৰে এই ১২১টা ভাষাৰ ভিতৰত ২২টা ভাষা ভাৰতৰ সংবিধানৰ অষ্টম সূচীত অন্তৰ্ভুক্ত। এইবোৰ হৈছে— (১) অসমীয়া (২) বাংলা (৩) গুজৰাটী (৪) হিন্দী (৫) কানাড়া (৬) কাশ্মীৰী (৭) কংকণী (৮) মালায়ালম (৯) মণিপুৰী (১০) মাৰাঠী (১১) নেপালী (১২) ওড়িয়া (১৩) পাঞ্জাবী (১৪) সংস্কৃত (১৫) সিন্ধী (১৬) তামিল (১৭) তেলেগু (১৮) উদু (১৯) বড়ো (২০) চাওতালী (২১) মৈথিলী আৰু (২২) ডোগ্ৰী।

সংস্কৃত ভাষাই ভাৰতীয় ভাষা আৰু সাহিত্যত গভীৰ প্ৰভাৱ পেলাইছে। ভাৰতৰ আটাইতকৈ বেছি ব্যৱহৃত ভাষা হিন্দী, যিটো দিল্লী অঞ্চলৰ উপভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা এটা "সংস্কৃতমুখী" (Sanskritised register) ভাষা। ইয়াৰ উপৰি আধুনিক ইন্দো-আৰ্য, মুণ্ডা আৰু দ্ৰাবিড় ভাষাসমূহেও সংস্কৃতৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে বহু শব্দ গ্ৰহণ কৰিছে। অনুমান কৰা হয় যে আধুনিক ইন্দো-আৰ্য ভাষাসমূহৰ প্ৰায় ৫০% শব্দভাণ্ডাৰ সংস্কৃতৰ পৰা আহিছে।

## সাহিত্য (Literature) ঃ

ভাৰতীয় সাহিত্য মানে ভাৰতৰ সৈতে সম্পৰ্কিত সাহিত্যসমূহ। ভাৰতীয় সাহিত্যৰ আটাইতকৈ পুৰণি ৰচনাসমূহ প্ৰথমে মৌখিকভাৱে প্ৰচাৰ কৰা হৈছিল। সংস্কৃত সাহিত্যৰ আৰম্ভণি ঋগ্বেদৰ পৰা, যি ১৫০০-১২০০ খ্ৰীষ্টপূৰ্ব সময়ৰ পবিত্ৰ স্তোত্ৰৰ সংকলন। ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্য খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰাব্দৰ শেষভাগত প্ৰকাশ পায়। প্ৰথম সহস্ৰাব্দৰ আৰম্ভণিৰ কেইশতকত সংস্কৃত সাহিত্যৰ বিশেষ বিকাশ হৈছিল। কানাড়া আৰু তেলেগু ভাষাৰ সাহিত্য মধ্যযুগত অৰ্থাৎ ৯ম আৰু ১০ম শতিকাত বিকাশ লাভ কৰে।

## পৰিৱেশ্য কলা (Performing Arts) ঃ

ভাৰত পৰিৱেশ্য কলাৰ ক্ষেত্ৰত এখন শক্তিশালী দেশ। ইয়াত ৰঙীন আৰু বৈচিত্ৰ্যপূৰ্ণ পৰম্পৰাসমূহে মানুহৰ প্ৰতিভা সুন্দৰকৈ প্ৰকাশ কৰে। এই পৰম্পৰাসমূহে দেশৰ আধ্যাত্মিক অতীত আৰু বৰ্তমানৰ মাজত এক গুৰুত্বপূৰ্ণ যোগসূত্ৰ হিচাপে কাম কৰে। ইয়াৰ বহুকেইটা ৰূপ (many forms)-ক ইউনেস্কো (UNESCO)-ই অদৃশ্য সাংস্কৃতিক ঐতিহ্য হিচাপে স্বীকৃতি দিছে।

### নৃত্য (Dance) ঃ

ভাৰতত নৃত্য কলাৰ এক দীঘলীয়া ইতিহাস আছে। হিন্দু সংস্কৃত গ্ৰন্থ নাট্যশাস্ত্ৰ (Natyashastra) আৰু অভিনয় দৰ্পণ (Abhinaya Darpana) প্ৰায় ২০০ খ্ৰীষ্টপূৰ্বৰ পৰা প্ৰথম সহস্ৰাব্দৰ আৰম্ভণিতে লিখা হৈছিল বুলি ধৰা হয়। ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ নৃত্যৰ উৎপত্তি হৈছে। ভাৰতীয় নৃত্যধাৰাত মুঠ আঠবিধ শাস্ত্ৰীয় নৃত্য আছে, যিবোৰত পৌৰাণিক কাহিনীৰ উপাদান থাকে। এইবোৰ হৈছে— তামিলনাডুৰ ভৰতনাট্যম, উত্তৰ প্ৰদেশৰ কথক, কেৰেলমৰ কথাকলি আৰু মোহিনীআট্টম, অন্ধ্ৰ প্ৰদেশৰ কুচিপুড়ি, কৰ্ণাটকৰ যক্ষগান, মণিপুৰৰ মণিপুৰী, ওড়িশাৰ ওডিশী আৰু অসমৰ সত্ৰীয়া।

## সংগীত (Music) ঃ

সংগীত ভাৰতীয় সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ অংশ। প্ৰায় ২০০০ বছৰৰ পুৰণি সংস্কৃত গ্ৰন্থ নাট্যশাস্ত্ৰত বাদ্যযন্ত্ৰসমূহ বৰ্গীকৰণ কৰাৰ পাঁচটা পদ্ধতি উল্লেখ কৰা হৈছে। ইয়াৰ ভিতৰত এটা পদ্ধতিত বাদ্যযন্ত্ৰসমূহক চাৰিটা ভাগত বিভক্ত কৰা হৈছে— ততবাদ্য, অৱনদ্ধ বাদ্য, ঘনবাদ্য আৰু সুষিৰ বাদ্য।

সুৰদাস, তুলসীদাস, কবীৰ আৰু মীৰাবাঈৰ গীতসমূহ আজিও অতি জনপ্ৰিয়। ষোড়শ শতিকাৰ ভিতৰত উত্তৰ ভাৰতীয় (হিন্দুস্তানী সংগীত) আৰু দক্ষিণ ভাৰতীয় (কাৰ্ণাটকী সংগীত)ৰ মাজত স্পষ্ট পাৰ্থক্য দেখা যায়।

## নাটক আৰু থিয়েটাৰ (Drama and Theatre) ঃ

ভাৰতীয় নাটক আৰু থিয়েটাৰৰো সংগীত আৰু নৃত্যৰ সৈতে এক দীঘলীয়া ইতিহাস আছে। শকুন্তলা আৰু মেঘদূত পুৰণি নাটকৰ ভিতৰত অন্যতম। কেৰলমৰ কুটিয়াট্টম (Kutiyattam) হৈছে প্ৰাচীন সংস্কৃত থিয়েটাৰৰ একমাত্ৰ জীৱিত উদাহৰণ, যাৰ উৎপত্তি খ্ৰীষ্টীয় যুগৰ আৰম্ভণিৰ সময়ত হৈছিল বুলি ধৰা হয়। ইয়াক UNESCO-এ "মানৱ জাতিৰ মৌখিক আৰু অদৃশ্য ঐতিহ্যৰ এক অনন্য নিদৰ্শন" হিচাপে স্বীকৃতি দিছে। ই নাট্যশাস্ত্ৰৰ নিয়ম কঠোৰভাৱে অনুসৰণ কৰে। নাট্যাচাৰ্য মণি মাধৱ চাক্যাৰক এই পুৰণি নাট্য পৰম্পৰাক বিলুপ্তিৰ গৰাহ পৰা পুনৰুদ্ধাৰৰ বাবে কৃতিত্ব দিয়া হয়। তেওঁ ৰস অভিনয় দক্ষতাৰ বাবে বিখ্যাত আছিল।

## দৃশ্য কলা (Visual Arts) ঃ

## চিত্ৰকলা (Paintings) ঃ

ভাৰতীয় চিত্ৰকলাৰ এক দীঘলীয়া পৰম্পৰা আৰু ইতিহাস আছে যদিও জলবায়ু পৰিস্থিতিৰ বাবে মাত্ৰ কিছুসংখ্যকহে সংৰক্ষিত হৈ আছে। আটাইতকৈ পুৰণি ভাৰতীয় চিত্ৰসমূহ হৈছে প্ৰাগৈতিহাসিক যুগৰ শিলাচিত্ৰ, যেনে— ভীমবেটকা (Bhimbetka) শিলাশ্ৰয়ত পোৱা চিত্ৰসমূহ, যিবোৰ প্ৰায় ১০,০০০ বছৰ পুৰণি। ভাৰতীয় চিত্ৰকলাক সাধাৰণতে তিনিটা ভাগত বিভক্ত কৰিব পাৰি— দেৱাল চিত্ৰ (murals), ক্ষুদ্ৰ চিত্ৰ (miniatures) আৰু কাপোৰত অঁকা চিত্ৰ। দেৱাল চিত্ৰসমূহ ডাঙৰ আকাৰৰ হয় আৰু পকা গাঁথনিৰ দেৱালত অঁকা হয়, যেনে— অজন্তাৰ গুহা আৰু কৈলাশনাথ মন্দিৰ। ক্ষুদ্ৰ চিত্ৰসমূহ অতি সৰু আকাৰত কাগজ বা কাপোৰৰ দৰে সহজে নষ্ট হোৱা বস্তুত অঁকা হয়।

## ভাস্কৰ্য (Sculptures) ঃ

ভাৰতত ভাস্কৰ্যৰ আৰম্ভণি সিন্ধু উপত্যকা সভ্যতাৰ সময়ত হৈছিল, য'ত শিলৰ আৰু পিতলৰ মূৰ্তি পোৱা গৈছে। পিছত হিন্দুধৰ্ম, বৌদ্ধধৰ্ম আৰু জৈনধৰ্মৰ বিকাশৰ লগে লগে ভাৰতত অতি সূক্ষ্ম পিতলৰ মূৰ্তি আৰু মন্দিৰত খোদিত শিল্পৰ বিকাশ হয়।

কিছুমান ডাঙৰ মন্দিৰ, যেনে— ইলোৰা (Ellora), শিলৰ টুকুৰা ব্যৱহাৰ নকৰি একেটা ডাঙৰ শিলৰ ওপৰত খোদাই কৰি বনোৱা হৈছিল। খ্ৰীষ্টীয় যুগৰ আৰম্ভণিৰ সময়ত ভাৰতৰ প্ৰধান ধৰ্মসমূহে ধৰ্মীয় মূৰ্তিৰ ব্যৱহাৰ আৰম্ভ কৰিছিল আৰু শিলৰ ব্যৱহাৰ ধীৰে ধীৰে বৃদ্ধি পাইছিল।

## স্থাপত্য (Architecture) ঃ

ভাৰতীয় স্থাপত্যৰ ইতিহাস, সংস্কৃতি আৰু ধৰ্মৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। বিভিন্ন স্থাপত্য শৈলীৰ ভিতৰত হিন্দু মন্দিৰৰ স্থাপত্য আৰু ইন্দো-ইছলামিক স্থাপত্য আটাইতকৈ জনাজাত। এই দুয়োটাৰ মাজতো বহু স্থানীয় শৈলী দেখা যায়। চহৰ পৰিকল্পনাৰ এক উৎকৃষ্ট উদাহৰণ হৈছে সিন্ধু উপত্যকা সভ্যতাৰ হৰপ্পাৰ স্থাপত্য। তেতিয়া মানুহে পোৰা ইটাৰে বনোৱা ঘৰ, সৰল ৰেখাত সজোৱা ৰাস্তা, উন্নত আৱৰ্জনা নিষ্কাশন ব্যৱস্থা, পানী যোগান ব্যৱস্থা, খাদ্যৰ গুদাম, দুৰ্গ আৰু ডাঙৰ অ-বাসস্থানীয় ভৱনসমূহৰ মাজত বাস কৰিছিল। ভাৰতৰ বহু পুৰণি স্থাপত্য কাঠেৰে নিৰ্মিত আছিল, কিন্তু সেইবোৰ আজিও সংৰক্ষিত নহয়।

## ক্ৰীড়া আৰু সমৰকলা (Sports & Martial Arts) ঃ

### ক্ৰীড়া (Sports) ঃ

ভাৰতবৰ্ষত বিভিন্ন ধৰণৰ খেল-ধেমালি আছে। যিবোৰ জনজাতীয় খেলৰ পৰা আৰম্ভ কৰি ক্ৰিকেট, বেডমিণ্টন আৰু ফুটবলৰ দৰে জনপ্ৰিয় খেললৈকে বিস্তৃত। ভাৰতৰ সংস্কৃতি, মানুহ আৰু জনজাতিৰ বৈচিত্ৰ্যৰ লগতে ঔপনিৱেশিক ইতিহাসতো দেশখনৰ বিভিন্ন খেলক প্ৰতিফলিত কৰিছে। উদাহৰণস্বৰূপে, ক্ৰিকেট ইংৰাজসকলে ভাৰতলৈ লৈ আহিছিল, ই এতিয়া অতি জনপ্ৰিয় খেল হৈ পৰিছে। ডবা (Chess) খেলক উত্তৰ-পশ্চিম ভাৰতত উৎপত্তি হোৱা বুলি ধৰা হয়। ইয়াৰ প্ৰাচীন ৰূপ "চতুৰঙ্গ (Chaturanga)" ষষ্ঠ শতিকাত জনাজাত আছিল। ভাৰতত উৎপত্তি হোৱা আৰু এতিয়াও জনপ্ৰিয় হৈ থকা আন খেলসমূহ হৈছে— কাবাডী, গিলি-ডাণ্ডা (Gilli-danda) আৰু খো-খো আদি। দক্ষিণ ভাৰতৰ পৰম্পৰাগত খেলসমূহৰ ভিতৰত সাপ নৌকা দৌৰ (Snake Boat Race) আৰু কুট্টিয়ুমকলুম (Kuttiyum kolum) উল্লেখযোগ্য। পোলো (Polo) নামৰ আধুনিক খেলবিধ মণিপুৰত উৎপত্তি হৈছিল। প্ৰথম পোলো ক্লাব অসমৰ শিলচৰত ১৮৩৩ চনত স্থাপন কৰা হৈছিল।

### সমৰকলা (Martial Arts) ঃ

ভাৰতীয় সমৰকলাই এছিয়াৰ আন সমৰকলাসমূহত গভীৰ প্ৰভাৱ পেলাইছে। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পতঞ্জলিৰ যোগসূত্ৰত (Yoga Sutras) দেহৰ ভিতৰত থকা নিৰ্দিষ্ট স্থানত মন একাগ্ৰ কৰি ধ্যান কৰাৰ শিক্ষা দিয়া হৈছিল, যাক পিছত সমৰকলাত ব্যৱহাৰ কৰা হয়। কিছুমান ঐতিহাসিক তথ্য অনুসৰি, দক্ষিণ ভাৰতৰ বৌদ্ধ সন্ন্যাসী বোধিধৰ্ম (Bodhidharma) চাওলিন কুংফুৰ অন্যতম প্ৰতিষ্ঠাপক আছিল।

আটাইতকৈ জনাজাত সমৰকলাৰ ভিতৰত এটা হৈছে কলাৰিপায়ত্তু (Kalaripayattu)। সঙ্গম সাহিত্যত (৪০০ খ্ৰীষ্টপূৰ্ব — ৬০০ খ্ৰীষ্টীয়) এই সমৰকলাৰ উল্লেখ পোৱা যায় আৰু ইয়াক পৃথিৱীৰ আটাইতকৈ পুৰণি সমৰকলাৰ ভিতৰত এটা বুলি গণ্য কৰা হয়।

## ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ (Characteristics of Indian Culture) ঃ

ভাৰতীয় সংস্কৃতিৰ মৌলিক বৈশিষ্ট্যসমূহে দুটা গুৰুত্বপূৰ্ণ দিশ প্ৰকাশ কৰে।

"বৈচিত্ৰ্যৰ মাজত ঐক্য" হৈছে ভাৰতীয় সংস্কৃতিৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য।

ভাৰতত বিভিন্ন ধৰণৰ বৈচিত্ৰ্য থাকিলেও এইবোৰে মিলি এক শক্তিশালী ঐক্য গঢ়ি তোলে।

**ভাৰতীয় সংস্কৃতিৰ ১৫টা বৈশিষ্ট্য তলত দিয়া হ'ল—**

| বৈচিত্ৰ্য (Diversity) | ঐক্য (Unity in Diversity) |
|---|---|
| (১) শাৰীৰিক বৈচিত্ৰ্য | (৯) ভৌগোলিক ঐক্য |
| (২) জাতিগত বৈচিত্ৰ্য | (১০) ৰাজনৈতিক ঐক্য |
| (৩) ভাষাগত বৈচিত্ৰ্য | (১১) ধৰ্মীয় ঐক্য |
| (৪) লিখিত আৰু সাহিত্যিক বৈচিত্ৰ্য | (১২) সাংস্কৃতিক ঐক্য |
| (৫) সামাজিক-সাংস্কৃতিক বৈচিত্ৰ্য | (১৩) হস্তলিপি, ভাষাগত আৰু সাহিত্যিক ঐক্য |
| (৬) ধৰ্মীয় বৈচিত্ৰ্য | (১৪) সামাজিক-আৰ্থিক ঐক্য |
| (৭) আৰ্থিক বৈচিত্ৰ্য | (১৫) শাৰীৰিক সমৰূপতা |
| (৮) ৰাজনৈতিক বৈচিত্ৰ্য | |

ভাৰতীয় সংস্কৃতিৰ "বৈচিত্ৰ্যৰ মাজত ঐক্য" এই গুৰুত্বপূৰ্ণ বৈশিষ্ট্য কিছুমানৰ বিষয়ে আলোচনা তলত আগবঢ়োৱা হৈছে—

## (ক) জাতিগত বৈচিত্ৰ্য (Racial Diversity) ঃ

ভাৰত এখন অত্যন্ত বৈচিত্ৰ্যপূৰ্ণ দেশ, যাৰ জনসংখ্যা হাজাৰ হাজাৰ বছৰৰ প্ৰব্ৰজন আৰু সংমিশ্ৰণৰ ফলত গঢ় লৈ উঠিছে। ইয়াৰ ফলত বিভিন্ন জাতি আৰু গোষ্ঠীৰ এক সমৃদ্ধ সংমিশ্ৰণ দেখা যায়।

এই জাতিগত গোটসমূহৰ ভিতৰত আছে—

(১) প্ৰাক-দ্ৰাবিড় (Pre-Dravidian)

(২) দ্ৰাবিড় (Dravidian)

(৩) ইন্দো-আৰ্য (Indo-Aryan)

(৪) তুৰ্ক-ইৰানীয় (Turko-Iranian)

(৫) স্কিথো-দ্ৰাবিড় (Scytho-Dravidian)

(৬) আৰ্য-দ্ৰাবিড় (Arya-Dravidian)
(৭) মংগোলীয় (Mongoloid)
(৮) মংগোলীয়-দ্ৰাবিড় (Mongoloid-Dravidian)

## (খ) ভাষাগত বৈচিত্ৰ্য (Linguistic Diversity) ঃ

ভাৰতত প্ৰায় ১২১ কোটি জনসংখ্যাৰ ভিতৰত ১০,০০০ বা তাৰ অধিক মানুহে কোৱা ১২১টা ভাষা আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি এই ১২১টা ভাষাৰ ভিতৰত ২২টা ভাষা ভাৰতৰ সংবিধানৰ অষ্টম সূচীত অন্তৰ্ভুক্ত। এইবোৰ হৈছে— অসমীয়া, বাংলা, গুজৰাটী, হিন্দী, কানাড়া, কাশ্মীৰী, কংকণী, মালায়ালম, মণিপুৰী, মাৰাঠী, নেপালী, ওড়িয়া, পাঞ্জাবী, সংস্কৃত, সিন্ধী, তামিল, তেলেগু, উৰ্দু, বড়ো, চাওতালী, মৈথিলী আৰু ডোগ্ৰী।

## (গ) সামাজিক-সাংস্কৃতিক বৈচিত্ৰ্য (Socio-Cultural Diversity) ঃ

শাৰীৰিক বৈশিষ্ট্য, জাতিগত গঠন আৰু ভাষাৰ ভিন্নতাৰ ফলত মানুহৰ সাজপাৰ, খাদ্যাভ্যাস, সামাজিক ৰীতি-নীতি আৰু বিশ্বাস আদিৰ যথেষ্ট পাৰ্থক্য দেখা যায়। ভাৰতৰ মানুহসকলৰ সামাজিক আচৰণত যথেষ্ট পাৰ্থক্য আছে আৰু এই সাংস্কৃতিক বৈচিত্ৰ্য ৰাজ্যভেদে বেলেগ বেলেগ হয়।

হিন্দু সমাজ পৰম্পৰাগতভাৱে চাৰিটা বৰ্ণ ব্যৱস্থাত বিভক্ত— ব্ৰাহ্মণ, ক্ষেত্ৰিয়, বৈশ্য আৰু শূদ্ৰ।

ভাৰতীয় সমাজৰ পৰম্পৰা, ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠানসমূহতো আঞ্চলিক বৈচিত্ৰ্য দেখা যায়। সামাজিক অনুষ্ঠান, উৎসৱ আৰু আচাৰসমূহ পালন কৰাৰ ক্ষেত্ৰতো বিভিন্ন ধৰণৰ উপাদান দেখা যায়।

## (ঘ) ধৰ্মীয় বৈচিত্ৰ্য (Religious Diversity) ঃ

পৃথিৱীৰ আটাইতকৈ ধৰ্মীয়ভাৱে বৈচিত্ৰ্যপূৰ্ণ দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। ই বহুতো বিশ্বখ্যাত ধৰ্মৰ জন্মস্থান,  যেনে— হিন্দুধৰ্ম, ইছলাম, বৌদ্ধধৰ্ম, জৈনধৰ্ম, খ্ৰীষ্টান ধৰ্ম আৰু শিখধৰ্ম।

## (ঙ) ভৌগোলিক ঐক্য (Geographical Unity) ঃ

এখন দেশৰ সংস্কৃতিৰ ঐক্য বহুলাংশে ইয়াৰ ভূগোলৰ ওপৰত নিৰ্ভৰ কৰে। ভূগোলেই এটা সভ্যতাৰ বিস্তাৰ নিৰ্ধাৰণ কৰে। ভাৰতৰ ভৌগোলিক ঐক্য এটা প্ৰাচীন ধাৰণা, যি প্ৰাচীন কালৰ পৰা ইয়াৰ বাসিন্দাসকলৰ মনত গভীৰভাৱে আছিল। এই ঐক্যৰ প্ৰথম প্ৰকাশ আছিল— হিমালয়ৰ পৰা কুমাৰিকা অন্তৰীপলৈ সমগ্ৰ দেশখনক "ভাৰতবৰ্ষ" নামেৰে অভিহিত কৰা, যাৰ অৰ্থ হৈছে "ভাৰত ভূমি"।

## (চ) ধৰ্মীয় ঐক্য (Religious Unity) ঃ

ভাৰত এখন দেশ য'ত বিভিন্ন ধৰ্ম মুক্তভাৱে গ্ৰহণ আৰু পালন কৰা হয়। ভাৰতীয় সংবিধানত ব্যৱহাৰ কৰা "ধৰ্মনিৰপেক্ষ" (secular) শব্দটোৱে সকলো ধৰ্মৰ সমতা নিশ্চিত কৰে। ইয়াত সকলো ধৰ্ম আৰু বিশ্বাসৰ লোকসকলে এই স্বাধীনতা উপভোগ কৰে।

## (ছ) সাংস্কৃতিক ঐক্য (Cultural Unity) ঃ

ভাৰতত অসংখ্য বৈচিত্ৰ্য থাকিলেও সাংস্কৃতিক ঐক্য অতি শক্তিশালী। ভাৰতীয় জীৱনৰ সংস্কৃতিৰ মূল বিচাৰিলে বৈদিক যুগলৈ উভতি যাব লাগিব। এই মূল সময়ৰ লগে লগে বিস্তাৰ লাভ কৰি ভাৰতীয় সংস্কৃতিত বিকাশ লাভ কৰে। এইদৰে সাহিত্যিক চিন্তা, দৰ্শন, দৃষ্টিভংগী, পৰম্পৰা আৰু আচৰণৰ এক মৌলিক ঐক্য সমগ্ৰ দেশজুৰি দেখা যায়। সামাজিক অনুষ্ঠান, ধৰ্মীয় আচাৰ, উৎসৱ আৰু জীৱনধাৰা দেশৰ সকলো ঠাইতে প্ৰায় একে ধৰণৰ। পৰিয়ালৰ পবিত্ৰতা, বৰ্ণ ব্যৱস্থাৰ নিয়ম, মৃতদেহ দাহ কৰাৰ ৰীতি, ৰান্ধনি ঘৰৰ পৰিচ্ছন্নতা আদি সকলো গোষ্ঠী আৰু সমাজত একে ধৰণে দেখা যায়।

## (জ) হস্তলিপি, ভাষাগত আৰু সাহিত্যিক ঐক্য (Scriptural, Linguistic and Literary Unity) ঃ

যদিও ভাৰতত বহু ভাষা, উপভাষা আৰু লিপিত সাহিত্য আছে, তথাপি ইয়াৰ মাজত এক ধৰণৰ একতা আৰু ঐক্য দেখা যায়। ব্ৰাহ্মী লিপি ভাৰতৰ আটাইতকৈ পুৰণি লিপি। আধুনিক ভাৰতীয় ভাষাৰ লিপিসমূহ এই লিপিৰ পৰাই বিকাশ লাভ কৰিছে। বৰ্তমান ভাৰতীয় সংবিধানে দেৱনাগৰী লিপিক ৰাষ্ট্ৰীয় ভাষাৰ লিপি হিচাপে স্বীকৃতি দিছে। বিভিন্ন ভাষাই ৰাষ্ট্ৰীয় ঐক্য বজাই ৰাখিবলৈ চেষ্টা কৰাৰ লগতে বিভিন্ন অঞ্চলৰ সাহিত্যতো এই ঐক্যৰ প্ৰতিফলন দেখা যায়। সংস্কৃত সাহিত্য হৈছে আধুনিক ভাৰতীয় ভাষাৰ লেখক, কবি আৰু নাট্যকাৰসকলৰ প্ৰধান প্ৰেৰণা আৰু উপাদানৰ উৎস। বেদ, উপনিষদ, গীতা আৰু কালিদাস, জয়দেৱ আদিৰ ৰচনাসমূহ আঞ্চলিক সাহিত্যৰ অমূল্য সম্পদ।

## (ঝ) সামাজিক-আৰ্থিক ঐক্য (Socio-economic Unity) ঃ

ভাৰতীয় জীৱনৰ সামাজিক বৈচিত্ৰ্য বহু ক্ষেত্ৰত উপৰুৱা। সাজপাৰ, খাদ্য আৰু আন আন দিশত পাৰ্থক্য থাকিলেও ইয়াৰ ভিতৰত এক পৰম্পৰাগত ঐক্যও দেখা যায়। উদাহৰণস্বৰূপে, অঞ্চলভেদে সাজপাৰৰ ভিন্নতা থাকিলেও ধুতি আৰু শাৰী আজিও পৰম্পৰাগত ভাৰতীয় সাজপাৰ হিচাপে বিদ্যমান। খাদ্যাভ্যাস ভিন্ন হ'লেও মাটিত বহি আহাৰ গ্ৰহণ কৰা পদ্ধতি আৰু নিৰামিষ-আমিষ খাদ্যৰ ব্যৱস্থাতো এক সাধাৰণ ধাৰা দেখা যায়।

ভাৰতত আৰ্থিক অসমতা স্পষ্ট ৰূপত দেখা যায়। তথাপি এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে ভাৰতীয় অৰ্থনীতিৰ মূল হৈছে কৃষি। অৰ্থাৎ ভাৰতীয় অৰ্থনীতি মূলতঃ কৃষিভিত্তিক। মাটিত কাম কৰা কৃষকৰ পৰা মাটিৰ গৰাকীলৈকে সকলোৰে জীৱনধাৰা কৃষিৰ উৎপাদনৰ সৈতে সম্পৰ্কিত।

ইয়াৰ উপৰি কৃষিৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে ভাৰতত বহু কৃষিভিত্তিক উদ্যোগো গঢ় লৈ উঠিছে।

## উপসংহাৰ (Conclusion) ঃ

সাংস্কৃতিক ঐতিহ্যই আমাৰ জীৱনত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যিয়ে আমাক আমাৰ ধৰ্ম, পৰম্পৰা আৰু বিশ্বাসৰ সৈতে জড়িত কৰি ৰাখে।

আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাৰ সৰ্বোত্তম উপায় হৈছে ইয়াক আনৰ সৈতে ভাগ-বতৰা কৰা। ভৱিষ্যত প্ৰজন্মৰ বাবে বিশ্ব ইতিহাস সংৰক্ষণ কৰাটো আমাৰ দায়িত্ব, যাতে তেওঁলোকেও আমাৰ দৰে অতীত আৰু নিজৰ মূলৰ বিষয়ে জানিবলৈ সমান সুযোগ-সুবিধা লাভ কৰে।

## প্ৰশ্নাৱলী

### ? বহুবিকল্পী প্ৰশ্ন (Multiple Choice Questions) ঃ

১. সাংস্কৃতিক ঐতিহ্যই বুজায়-
(a) কেৱল ঐতিহাসিক স্মৃতিস্তম্ভ (b) প্ৰজন্মৰ পৰা প্ৰজন্মলৈ আগবঢ়োৱা জীৱনধাৰা
(c) কেৱল ৰজাসকলৰ পৰম্পৰা (d) আধুনিক প্ৰযুক্তি

২. সাংস্কৃতিক ঐতিহ্যক সাধাৰণতে ভাগ কৰা হয়—
(a) প্ৰাচীন আৰু আধুনিক (b) গাঁও আৰু চহৰ
(c) দৃশ্যমান আৰু অদৃশ্যমান (d) ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়

৩. তলৰ কোনটো দৃশ্যমান ঐতিহ্যৰ উদাহৰণ?
(a) ভাষা (b) সংগীত
(c) স্মৃতিস্তম্ভ (d) লোককথা

৪. অদৃশ্য সাংস্কৃতিক ঐতিহ্যত অন্তৰ্ভুক্ত—
(a) ভৱন (b) মন্দিৰ
(c) পৰম্পৰাগত সংগীত আৰু লোককথা (d) ৰাস্তা

৫. এডৱাৰ্ড টাইলৰৰ মতে সংস্কৃতিত অন্তৰ্ভুক্ত—
(a) কেৱল শিল্প (b) জ্ঞান, বিশ্বাস, আইন, ৰীতি-নীতি
(c) কেৱল ধৰ্ম (d) কেৱল পৰম্পৰা

৬. "সংস্কৃতি হৈছে সামাজিক বংশানুক্ৰম" বুলি কোনে কৈছিল?
(a) এডৱাৰ্ড টাইলৰ (b) লিন্টন
(c) গান্ধী (d) কালিদাস

৭. ভাৰতত যৌথ পৰিয়াল ব্যৱস্থাৰ মূৰব্বী সাধাৰণতে—
(a) সৰু সদস্য (b) জ্যেষ্ঠ মহিলা
(c) জ্যেষ্ঠ পুৰুষ সদস্য (d) চৰকাৰ

৮. ভাৰতৰ বিবাহ ব্যৱস্থা সাধাৰণতে নিৰ্ধাৰণ কৰে—
(a) বন্ধু-বান্ধৱে (b) চৰকাৰে
(c) পিতৃ-মাতৃ আৰু পৰিয়ালৰ সদস্যসকলে (d) শিক্ষকসকলে

৯. তলৰ কোনটো উৎসৱ অসমৰ সৈতে সম্পৰ্কিত?

(a) পঙ্গল (b) লোহৰি
(c) বিহু (d) ওনাম

১০. "নমস্তে"ৰ অৰ্থ হৈছে—

(a) বিদায় (b) স্বাগতম
(c) মই আপোনাক নমস্কাৰ কৰোঁ (d) ধন্যবাদ

১১. ভাৰতীয় খাদ্য-পানীয়ৰ বৈশিষ্ট্য হৈছে—

(a) বৈচিত্ৰ্যৰ অভাৱ (b) মছলা আৰু বনৌষধিৰ ব্যৱহাৰ
(c) কেৱল নিৰামিষ খাদ্য (d) কেৱল আমিষ খাদ্য

১২. তলৰ কোনটো অসমৰ শাস্ত্ৰীয় নৃত্য?

(a) কথক (b) ভাৰতনাট্যম
(c) সত্ৰীয়া (d) ওড়িশী

১৩. ঋগ্বেদ হৈছে—

(a) এখন নাটক (b) এখন উপন্যাস
(c) স্তোত্ৰৰ সংকলন (d) এখন চিত্ৰ

১৪. দবা খেল ভাৰতত কি নামৰে আৰম্ভ হৈছিল?

(a) পোলো (b) কাবাডী
(c) চতুৰঙ্গ (d) গিলি-ডাণ্ডা

১৫. তলৰ কোনটো ভাৰতৰ আটাইতকৈ পুৰণি সমৰকলাৰ ভিতৰত এটা?

(a) কাৰাতে (b) কুংফু
(c) কলাৰিপায়ত্তু (d) জুডো

১৬. "বৈচিত্ৰ্যৰ মাজত ঐক্য" বুজায়—

(a) কেৱল পাৰ্থক্য (b) কেৱল ঐক্য
(c) বৈচিত্ৰ্যৰ মাজত লুকাই থকা ঐক্য (d) কোনো বৈচিত্ৰ্য নাই

১৭. ভাৰতৰ অষ্টম সূচীত কিমান ভাষা আছে?

(a) ১৫ (b) ১৮
(c) ২২ (d) ২৫

১৮. ভাৰতৰ আটাইতকৈ পুৰণি লিপি কোনটো?

(a) দেৱনাগৰী (b) ব্ৰাহ্মী
(c) উৰ্দু (d) তামিল

১৯. হৰপ্পা সভ্যতা কিহৰ বাবে জনাজাত?

(a) সংগীত (b) নৃত্য

(c) নগৰ পৰিকল্পনা (d) সাহিত্য

২০. সাংস্কৃতিক ঐতিহ্যই সহায় কৰে—

(a) পৰম্পৰা পাহৰিবলৈ

(b) ইতিহাস আৰু পৰিচয় সংৰক্ষণ কৰিবলৈ

(c) কেৱল আধুনিক চিন্তাধাৰা প্ৰচাৰ কৰিবলৈ

(d) অতীতক উপেক্ষা কৰিবলৈ

## ? চুটি উত্তৰৰ প্ৰশ্ন (Short Type Questions) ঃ

১। সাংস্কৃতিক ঐতিহ্যৰ সংজ্ঞা দিয়া আৰু ইয়াৰ গুৰুত্ব বৰ্ণনা কৰা।

২। দৃশ্যমান আৰু অদৃশ্য সাংস্কৃতিক ঐতিহ্যৰ মাজত পাৰ্থক্য দেখুৱাই উদাহৰণ দিয়া।

৩। ভাৰতীয় সংস্কৃতিৰ প্ৰেক্ষাপটত "বৈচিত্ৰ্যৰ মাজত ঐক্য" ধাৰণাটো বৰ্ণনা কৰা।

৪। ভাৰতৰ যৌথ পৰিয়াল ব্যৱস্থাৰ মুখ্য বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

৫। ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য প্ৰতিফলিত কৰাত উৎসৱৰ ভূমিকা আলোচনা কৰা।

## ? দীঘল উত্তৰৰ প্ৰশ্ন (Long Type Questions) ঃ

১। সাংস্কৃতিক ঐতিহ্যৰ অৰ্থ ব্যাখ্যা কৰি ইয়াৰ প্ৰকাৰসমূহ উপযুক্ত উদাহৰণসহ আলোচনা কৰা।

২। ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ মুখ্য উপাদানসমূহ বিস্তৃতভাৱে বৰ্ণনা কৰা।

৩। ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ "বৈচিত্ৰ্যৰ মাজত ঐক্য"ৰ বিশেষ উল্লেখসহ আলোচনা কৰা।

৪। ভাৰতীয় সাংস্কৃতিক ঐতিহ্য গঢ়ি তোলাত ভাষা আৰু সাহিত্যৰ ভূমিকা ব্যাখ্যা কৰা।

৫। অভিনয় কলা, পৰিৱেশ্য কলা আৰু স্থাপত্যই ভাৰতীয় সংস্কৃতিত আগবঢ়োৱা অৱদান কেনে ধৰণৰ বৰ্ণনা কৰা।

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (b) | 2. (c) | 3. (c) | 4. (c) |
| 5. (b) | 6. (b) | 7. (c) | 8. (c) |
| 9. (c) | 10. (c) | 11. (b) | 12. (c) |
| 13. (c) | 14. (c) | 15. (c) | 16. (c) |
| 17. (c) | 18. (b) | 19. (c) | 20. (b) |

■■■

# অধ্যায় ৪

# সহ-পাঠ্য কাৰ্যক্ৰমৰ গুৰুত্ব

## (Importance of CCA)

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) ২০২০-এ সামগ্ৰিক বিকাশৰ (holistic development) ওপৰত গুৰুত্ব আৰোপ কৰিছে। ই মুখস্থ বিদ্যাৰ পৰা আঁতৰি গৈ কেৱল বহুমুখী শিক্ষাৰ পদ্ধতি গ্ৰহণ কৰিছে, যাৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীৰ-বৌদ্ধিক (intellectual), শাৰীৰিক (physical), মানসিক (emotional), সামাজিক (social), নৈতিক (moral) ক্ষমতাসমূহ বিকশিত কৰা। ইয়াত সহ-পাঠ্য কাৰ্যক্ৰম (CCA) যেনে—শিল্প (arts), খেল-ধেমালি (sports), যোগ (yoga), NCC, স্কাউট আৰু গাইড (Scout and Guide), কাৰিকৰী বা বৃত্তিমূলক প্ৰশিক্ষণ (vocational training)— এইবোৰক পাঠ্যসূচীৰ সৈতে সংযুক্ত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে, যাতে শিক্ষাৰ্থীসকলক সম্পূৰ্ণভাৱে বিকশিত ব্যক্তি হিচাপে গঢ়ি তোলা হয়।

**"স ৱিদ্যা য়া ৱিমুক্তায়ে" (सा विद्या या विमुक्तये)** এটা গুৰুত্বপূৰ্ণ সংস্কৃত বচন, যি ভাৰতীয় দৰ্শনৰ পৰা আহিছে আৰু বিশেষকৈ "বিষ্ণু পুৰাণ (1.19.41)"ত উল্লেখ আছে। ইয়াৰ অৰ্থ হৈছে— "সেইটোৱেই বিদ্যা, যিয়ে মুক্তি দিয়ে।"

NEP-২০২০ অনুসৰি আধুনিক শিক্ষাৰ প্ৰেক্ষাপটত এই বাক্যাংশই শিক্ষাক কেৱল চাকৰি বা সামাজিক মৰ্যাদা লাভৰ মাধ্যম বুলি ধাৰণা কৰাৰ বিপৰীতে প্ৰত্যাহ্বান জনায়। NEP-য়ে শিক্ষা মানে সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিক্ষাত তলত দিয়া দিশসমূহ অন্তৰ্ভুক্ত কৰিব লাগে—

- **সামগ্ৰিক বিকাশ (Holistic Growth) ঃ** শিক্ষাই জীৱনৰ শাৰীৰিক, বৌদ্ধিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক সকলো দিশ সামৰি ল'ব লাগে।
- **মূল্যভিত্তিক শিক্ষা (Value-Based Education) ঃ** শিক্ষাই চৰিত্ৰ গঠন, মানৱীয় গুণৰ বিকাশ আৰু মানসিক, আৱেগিক আৰু সামাজিক অন্ধকাৰ দূৰ কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

- **ৰাষ্ট্ৰ নিৰ্মাণ (Nation Building)** ঃ প্ৰকৃততে শিক্ষাই এনে ব্যক্তিৰ সৃষ্টি কৰে যিসকলে কেৱল নিজস্ব স্বাৰ্থ পূৰণ নকৰি সমাজৰ উন্নতিৰ বাবে অৱদান আগবঢ়ায়।

  সহ-পাঠ্য কাৰ্যক্ৰম (CCA)সমূহ আধুনিক বিদ্যালয়ত এই দৰ্শন বাস্তৱায়ন কৰাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ, কিয়নো এইবোৰে শ্ৰেণীকক্ষৰ শিক্ষাৰ সীমা অতিক্ৰম কৰি বিভিন্ন ধৰণে "স্বাধীনতা" প্ৰদান কৰে। এই স্বাধীনতাসমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি-
- **বৌদ্ধিক স্বাধীনতা (Intellectual Liberation) — বিতৰ্ক/কুইজ** ঃ ই সমালোচনামূলক চিন্তাধাৰাৰ বিকাশ কৰে আৰু শিক্ষাৰ্থীক সংকীৰ্ণ আৰু উপৰুৱা ধাৰণাৰ পৰা স্বাধীন হ'বলৈ সহায় কৰে।
- **মানসিক /সৃজনীশীল স্বাধীনতা (Emotional/Creative Liberation) — শিল্প/সংগীত/নাটক** ঃ ই অন্তৰ্দৃষ্টি আৰু অনুভূতি প্ৰকাশ কৰাৰ পথ প্ৰদান কৰে, মানসিক চাপ হ্ৰাস কৰে আৰু আত্মপ্ৰকাশৰ জৰিয়তে ব্যক্তিগত স্বাধীনতা প্ৰদান কৰে।
- **সামাজিক স্বাধীনতা (Social Liberation)— খেল-ধেমালি/NSS/স্কাউট** ঃ ই জাতি, ধৰ্ম, লিংগ আদি সামাজিক বাধাসমূহ ভাঙি সমতা আৰু দলীয় কামৰ মনোভাৱ গঢ়ি তোলে আৰু পক্ষপাতিত্ব মনোভাৱ আঁতৰায়।
- **নৈতিক/মূল্যভিত্তিক স্বাধীনতা (Moral/Value Liberation) — মূল্য শিক্ষা** ঃ ই শিক্ষাৰ্থীক ধৰ্ম (কৰ্তব্য/সৎ আচৰণ) আৰু কৰ্ম (কৰ্মফল) বুজিবলৈ সহায় কৰে আৰু অনৈতিক আৰু স্বাৰ্থপৰ আচৰণৰ পৰা দূৰত ৰাখে।

সঁচা অৰ্থত শিক্ষাই সমতা প্ৰয়োজন বুলি ভাবে । এজন ব্যক্তিৰ আনুষ্ঠানিক শিক্ষা কেৱল শব্দ, প্ৰশ্ন-উত্তৰ আৰু পাঠ্যপুথিৰ সমস্যাৰ সমাধানতেই সীমাবদ্ধ হৈ থাকিব নালাগে। মুখস্থ শিক্ষা (Rote learning) আৰু তাত্ত্বিকজ্ঞান (theoretical knowledge) এক গভীৰ আৰু ফলপ্ৰসূ শিক্ষাৰ বাবে যথেষ্ট নহয়। এটা ৰূপান্তৰমূলক শিক্ষাযাত্ৰা (transformative journey) লাভ কৰিবলৈ ব্যৱহাৰিক শিক্ষাৰ (Practical-based learning) অতি প্ৰয়োজন।

আহা আমি পাঠ্যক্ৰমিক কাৰ্যক্ৰম আৰু সহ-পাঠ্য কাৰ্যক্ৰমৰ মাজৰ গুৰুত্বপূৰ্ণ পাৰ্থক্য বুজি লওঁ।

পাঠ্যক্ৰমিক কাৰ্যক্ৰমসমূহ (Curricular activities) হৈছে বিদ্যালয়ৰ নিৰ্ধাৰিত পাঠ্যসূচীৰ অংশ হোৱা বিষয় আৰু পাঠসমূহ। ইয়াৰ ভিতৰত শ্ৰেণীকক্ষত পঢ়া-শুনা, পৰীক্ষাগাৰৰ কাম, গৃহকাৰ্য, প্ৰজেক্ট, পৰীক্ষা আদি অন্তৰ্ভুক্ত থাকে আৰু এইবোৰ বাধ্যতামূলক। লিখিত পৰীক্ষা, সাময়িক মূল্যায়ণ, ধাৰাবাহিক মূল্যায়ণ, ব্যৱহাৰিক পৰীক্ষা আৰু বোৰ্ড মূল্যায়নৰ জৰিয়তে আনুষ্ঠানিকভাৱে শিক্ষাৰ্থীৰ পাৰদৰ্শিতা নিৰ্ধাৰণ কৰা হয়।

সহ-পাঠ্য কাৰ্যক্ৰমসমূহ (Co-curricular activities) হৈছে বিদ্যালয়ৰ দ্বাৰা অনুমোদিত আৰু সুসংগঠিত কাৰ্যসূচী। এই কাৰ্যসূচীবোৰ শৈক্ষিকৰ লগতে ব্যৱহাৰিক বিকাশো উন্নীত কৰে । ইয়াৰ জৰিয়তে শিক্ষাৰ্থীক দক্ষতা-ভিত্তিক আৰু স্বেচ্ছাসেৱী অভিজ্ঞতা প্ৰদান কৰা হয়, যিয়ে তেওঁলোকৰ সামগ্ৰিক বিকাশ, সৃষ্টিশীলতা,

নেতৃত্ব গুণ আৰু দলীয় কামৰ দক্ষতা বৃদ্ধি কৰে। এই কাৰ্যক্ৰমসমূহে শিক্ষাৰ্থীৰ সামাজিক, মানসিক আৰু মৌলিক বিকাশতো গুৰুত্ব দিয়ে।

এই দুয়োটা কাৰ্যক্ৰম একেলগে মিলি শিক্ষাৰ্থীৰ প্ৰকৃত সম্ভাৱনা উন্নীত কৰে। ৭০ : ২০ : ১০ বিকাশ মডেলটো এটা ধাৰণাগত গাঁথনি হিচাপে ব্যৱহাৰ কৰিব পাৰি, যিয়ে আনুষ্ঠানিক শিক্ষাৰ সৈতে সহযোগিতা, পাৰস্পৰিক যোগাযোগ আৰু অভিজ্ঞতামূলক শিক্ষাক উৎসাহিত কৰে। যেতিয়া শিক্ষাৰ্থীয়ে সংগীত প্ৰতিযোগিতাত অংশ লয়, সহপাঠীৰ সৈতে অভিনয় শিকে আৰু কৰে, বিতৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে বা কুইজ প্ৰতিযোগিতাত সজাগ আৰু তৎপৰ থাকে, তেতিয়া তেওঁলোকে আত্মবিশ্বাস গঢ়ি তোলে, অনুভূতি নিয়ন্ত্ৰণ কৰিবলৈ শিকে আৰু যোগাযোগ দক্ষতা আৰু মানসিক বুদ্ধিমত্তা বিকাশ কৰে।

## আৱেগিক/সৃজনীশীল স্বাধীনতা (Emotional/Creative Liberation) (শিল্প /সংগীত /নৃত্য / নাটক) ঃ

### সংগীত (Music) ঃ

আমাৰ জীৱনত সংগীতে বিভিন্ন গুণৰ বিকাশ সাধন কৰে, যিয়ে জীৱনৰ বিভিন্ন ক্ষেত্ৰত আমাক সহায় কৰে। প্ৰবন্ধকাৰ আৰু শিল্প সমালোচক ৱাল্টাৰ পেটাৰে (Walter Pater) কৈছিল— “সমগ্ৰ শিল্পই সদায় সংগীতৰ অৱস্থালৈ আগবাঢ়িবলৈ চেষ্টা কৰে।” সংগীত হৈছে এক সাৰ্বজনীন ভাষা, যিয়ে সময়, সংস্কৃতি আৰু প্ৰজন্মৰ সীমা অতিক্ৰম কৰে। পৃথিৱীৰ কোনো দূৰৱৰ্তী ঠাইৰ লোকগীতেও আমাৰ মনৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। সংগীতে সামগ্ৰিক বিকাশ আৰু বৌদ্ধিক ক্ষমতা বৃদ্ধিত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই আমাৰ ইন্দ্ৰিয়সমূহ উদ্দীপিত কৰে আৰু সমালোচনামূলক চিন্তাধাৰা (critical thinking) ব্যৱহাৰ কৰিবলৈ সহায় কৰে। সংগীতত ৰূপক, চৰিত্ৰ আৰু পৰিবেশৰ ব্যৱহাৰ হয়, যিয়ে আমাৰ বিশ্লেষণ ক্ষমতাও (analytical skills) বৃদ্ধি কৰে।

শিক্ষা প্ৰতিষ্ঠানসমূহে সংগীতক আনুষ্ঠানিক শিক্ষাৰ সৈতে সংযুক্ত কৰি এক সম্পূৰ্ণ শিক্ষা প্ৰদান কৰে। সহ-পাঠ্য কাৰ্যক্ৰম হিচাপে সংগীতৰ কিছুমান গুৰুত্বপূৰ্ণ লাভালাভ তলত দিয়া হ’ল—

(১) **সংগীতে বৌদ্ধিক বিকাশত সহায় কৰে ঃ** ই একে সময়তে মগজুৰ বিভিন্ন অংশক সক্ৰিয় কৰি স্নায়ু-সংযোগ শক্তিশালী কৰে। ইয়াৰ ফলত শিক্ষণ আৰু স্মৃতি শক্তি উন্নত হয়। বাদ্যযন্ত্ৰ বজোৱা বা গান গোৱা কাৰ্যই মনক অধিক মনোযোগী আৰু তৎক্ষণাত সিদ্ধান্ত ল’ব পৰা কৰি তোলে।

(২) **সংগীতে সৃষ্টিশীলতা আৰু আগ্ৰহ বৃদ্ধি কৰে ঃ** ই কল্পনাশক্তি (imagination) জগাই তোলে আৰু নতুন চিন্তা আৰু দৃষ্টিভংগী বিকাশৰ পথ মুকলি কৰে।

(৩) **সংগীতে মানসিক সুস্থতা আৰু শৃংখলা উন্নত কৰে ঃ** ই আত্মপ্ৰকাশৰ (self-expression) এক শক্তিশালী মাধ্যম, যিয়ে মানসিক চাপ হ্ৰাস (stress reduction) কৰে আৰু অনুভূতি নিয়ন্ত্ৰণ

(mood regulation) কৰাত সহায় কৰে। শান্ত আৰু স্থিৰ মনোভাৱে শিক্ষাৰ্থীক পাঠ্যক্ৰমিক কাম আৰু জীৱনৰ আন ক্ষেত্ৰসমূহ ভালদৰে সম্পন্ন কৰাত সহায় কৰে। অনুশীলন, সময় ব্যৱস্থাপনা আৰু অধ্যৱসায় (perseverance) সংগীত শিকাৰ বাবে অতি প্ৰয়োজনীয়, যিয়ে ব্যক্তিৰ নিয়মানুবৰ্তিতা গুণৰ বিকাশ ঘটায়।

(৪) **সংগীতে সাংস্কৃতিক সচেতনতা বৃদ্ধি কৰে ঃ** ই বিভিন্ন সংস্কৃতি, পৰম্পৰা আৰু ইতিহাস বুজিবলৈ এখন সেতু (bridge) হিচাপে কাম কৰে। নিজৰ সংস্কৃতিৰ সংগীত শিকনৰ দ্বাৰা ব্যক্তি নিজৰ মূলৰ সৈতে গভীৰভাৱে জড়িত হয়। আন সংস্কৃতিৰ সংগীত শিকিলে সাংস্কৃতিক বাধা কমে আৰু পৰস্পৰৰ প্ৰতি সন্মান আৰু গ্ৰহণযোগ্যতা বৃদ্ধি পায়।

(৫) **সংগীতে সামাজিক আৰু যোগাযোগ দক্ষতা উন্নত কৰে ঃ** সংগীত শিক্ষণৰ দ্বাৰা কথনৰ স্পষ্টতা (clarity of speech) বৃদ্ধি পায়। ৰাজহুৱা মঞ্চত প্ৰদৰ্শনে জনগণৰ লগত কথোপকথন (public speaking) আৰু দেহৰ অংগ-ভংগী (body language) সঞ্চালন উন্নত কৰে। সমূহীয়াভাৱে কৰা প্ৰদৰ্শন যেনে— কোৰাৰ (choir ), অৰ্কেষ্ট্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীয়ে সহযোগিতা, সমন্বয় আৰু নেতৃত্ব গুণৰ বিকাশ কৰে।

সংগীতে মনোযোগ, মানসিক সুস্থতা, শৃংখলা আৰু সহযোগিতা বৃদ্ধি কৰি শিক্ষাৰ্থীক জীৱনৰ প্ৰয়োজনীয় দক্ষতা বিকাশত সহায় কৰে। এইদৰে, শ্ৰেণীকক্ষত সংগীতৰ অন্তৰ্ভুক্তিয়ে সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক শিক্ষাৰ পৰিৱেশ গঢ়ি তুলিবলৈ অৰ্থপূৰ্ণ অৱদান আগবঢ়ায়।

## নাটক (Drama) ঃ

প্ৰাচীন মঞ্চাভিনয়ৰ পৰা আধুনিক বিদ্যালয়ৰ প্ৰদৰ্শনলৈকে নাটকে এক শক্তিশালী আৰু আকৰ্ষণীয় মাধ্যম হিচাপে কাম কৰি আহিছে, যাৰ জৰিয়তে সামাজিক বাস্তৱতা, অনুভূতি আৰু দৃষ্টিভংগী শিল্পসন্মতভাৱে প্ৰকাশ কৰা হয়। সহ-পাঠ্য কাৰ্যক্ৰম হিচাপে নাটকে সৃষ্টিশীলতা আৰু শিক্ষাৰ মাজত সংযোগ স্থাপন কৰে। সজীৱ আৰু অৰ্থপূৰ্ণ হোৱা বাবে নাটকে সাংস্কৃতিক সংৰক্ষণ আৰু সামগ্ৰিক শিক্ষাত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰে।

(১) **নাটকে যোগাযোগ আৰু কথন দক্ষতা উন্নত কৰে ঃ** নাটকৰ মূল ভিত্তি হৈছে যোগাযোগ। অভিনেতা আৰু দৰ্শকৰ মাজত সদায় এক অব্যক্ত সংলাপ থাকে। এজন অভিনেতাই নিজৰ চৰিত্ৰৰ সূক্ষ্মতা স্পষ্টভাৱে প্ৰকাশ কৰিব লাগে, যাৰ ফলত যোগাযোগ দক্ষতা উন্নত হয়। গল্প কোৱা, কণ্ঠ নিয়ন্ত্ৰণ, দেহভাষা আৰু অনুভূতি প্ৰকাশৰ দক্ষতাই এই ক্ষেত্ৰত সহায় কৰে।

(২) **নাটকে কল্পনাশক্তি আৰু সৃষ্টিশীলতা বৃদ্ধি কৰে ঃ** কোনো চৰিত্ৰত অভিনয় কৰাৰ সময়ত ব্যক্তিজন নিজৰ চিন্তাধাৰাৰ সীমা অতিক্ৰম কৰি নতুন নতুন ধাৰণাৰে আগবাঢ়ে। চৰিত্ৰ অভিনয় (role-play) আৰু তাৎক্ষণিক অভিনয় (improvisation)ৰ জৰিয়তে অংশগ্ৰহণকাৰীয়ে জটিল অনুভূতি,

সামাজিক সমস্যা আৰু ভিন্ন দৃষ্টিভংগী বুজিবলৈ সক্ষম হয়। বিদ্যালয়ৰ বহু নাটক ঐতিহাসিক ঘটনাৰ ওপৰত ভিত্তি কৰি থাকে, যিয়ে শ্ৰেণীকক্ষৰ শিক্ষাৰ সৈতে সংযোগ স্থাপন কৰে।

(৩) **নাটকে সহানুভূতি আৰু সামাজিক বিষয়ৰ জ্ঞান বৃদ্ধি কৰে ঃ** কোনো চৰিত্ৰত অভিনয় কৰিলে অভিনেতাই আনৰ দুখ-কষ্ট আৰু অনুভূতি বুজিবলৈ সক্ষম হয়। নৈতিকতা, ন্যায়, সচেতনতা আৰু সক্ৰিয় অংশগ্ৰহণৰ দৰে বিষয়সমূহে শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তিমূলক মনোভাৱ গঢ়ি তোলে।

(৪) **নাটকে দলীয় কাম আৰু সমন্বয়ৰ মনোভাৱ গঢ়ি তোলে ঃ** এজন অভিনেতাই নিজৰ সহপাঠীৰ ওপৰত নিৰ্ভৰ কৰি একে লক্ষ্য অৰ্জন কৰিব লাগে। ইয়াৰ ফলত সহানুভূতি আৰু সহনশীলতা বৃদ্ধি পায়। দৰ্শকৰ আগত অভিনয় কৰাৰ অভিজ্ঞতাই ভয়, উদ্বেগ আৰু লজ্জা দূৰ কৰাত সহায় কৰে। এনে অভিজ্ঞতাই ব্যক্তিক অপ্ৰত্যাশিত পৰিস্থিতিতো দক্ষতা আৰু সৃষ্টিশীলতাৰে মোকাবিলা কৰিবলৈ সক্ষম কৰে আৰু নেতৃত্ব আৰু যোগাযোগ দক্ষতাও বৃদ্ধি কৰে।

(৫) **নাটকে আত্মবিশ্বাস বৃদ্ধি কৰে ঃ** নাটকত অভিনয় কৰিবলৈ এজন ব্যক্তিয়ে নিজৰ আৰামদায়ক পৰিসৰৰ বাহিৰলৈ ওলাই আহি শক্তিশালীভাৱে নিজৰ অনুভূতি প্ৰকাশ কৰিব লাগে। ইয়াৰ ফলত আত্মসম্মান আৰু আত্মবিশ্বাস বৃদ্ধি পায় আৰু সাহস গঢ়ি উঠে।

এইদৰে, নাটক সহ-পাঠ্য কাৰ্যক্ৰমৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে ব্যক্তিক ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহ সাহস আৰু দক্ষতাৰে সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে। বাস্তৱ জীৱনৰ অভিজ্ঞতা উপলব্ধি কৰাত সহায় কৰা এক শিক্ষা-উপায় হিচাপে নাটকে সহযোগিতা, শৃংখলা আৰু সহানুভূতি বৃদ্ধি কৰে।

## নৃত্য (Dance) ঃ

নৃত্য হৈছে জীৱনৰ এক সাৰ্বজনীন প্ৰকাশ। পৰম্পৰাগত নৃত্যৰ পৰা আধুনিক নৃত্যলৈকে প্ৰতিটো নৃত্যৰূপত ৰীতি-নীতি, সংগীত আৰু পৰম্পৰাগত আচৰণ সংৰক্ষিত থাকে। বিভিন্ন সংস্কৃতিত নৃত্যৰ ৰূপ ভিন্ন হয়, যি ইতিহাস, ভূগোল আৰু সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত। তথাপি, এই নৃত্যসমূহত থকা অনুভূতি আৰু সেইবোৰ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা সুশোভিত অংগ-ভঙ্গী মানুহৰ স্বাভাৱিক গুণ।

(১) **নৃত্যই সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা সংৰক্ষণ কৰে ঃ** তাল, গতি, সাজপাৰ আৰু ব্যৱহৃত সামগ্ৰীৰ জৰিয়তে নৃত্যই এক জীৱন্ত সংৰক্ষণাগাৰ হিচাপে কাম কৰে। নৃত্য হ'ল উৎকৃষ্ট গল্প কোৱাৰ মাধ্যম, যিয়ে মূল্যবোধ আৰু সংস্কৃতি সংৰক্ষণ কৰে। ই ব্যক্তিক নিজৰ পৰিচয় আৰু সম্পৰ্কৰ অনুভৱ কৰায়।

(২) **নৃত্যই দেহৰ ভংগীমা আৰু দৈহিক সৌন্দৰ্য উন্নত কৰে ঃ** নিয়মীয়াকৈ নৃত্য কৰিলে মাংসপেশীৰ নমনীয়তা, সন্ধিৰ গতি আৰু সামঞ্জস্য বৃদ্ধি পায়। ই শাৰীৰিক সচেতনতা বৃদ্ধি কৰে আৰু মানসিক শিথিলতা আনে। নৃত্যশিল্পীয়ে ধীৰে ধীৰে ভংগীমা আৰু সৌন্দৰ্য বজাই ৰাখিবলৈ শিকে, যাৰ ফলত স্বাভাৱিক আত্মবিশ্বাস বৃদ্ধি পায়।

(৩) **নৃত্যই শৃংখলা গঢ়ি তোলে ঃ** নৃত্যৰ বাবে একাগ্ৰতাৰে নিয়মীয়াকৈ অনুশীলন কৰাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ জৰিয়তে শৃংখলা, অধ্যৱসায় আৰু সহনশীলতাৰ দৰে জীৱনৰ গুৰুত্বপূৰ্ণ গুণসমূহ আহৰণ কৰিব পৰা যায়। ৱাৰ্ম-আপ, কৌশল আৰু নৃত্য বিন্যাস (choreography)ৰ জৰিয়তে এক সুসংগঠিত পদ্ধতি অনুসৰণ কৰা হয়। ই বিকাশমুখী চিন্তাধাৰা আৰু আত্ম-নিয়ন্ত্ৰণ গঢ়ি তোলে।

(৪) **নৃত্যই সৃষ্টিশীলতা বৃদ্ধি কৰে ঃ** অংগ-ভঙ্গী আৰু প্ৰকাশভংগীৰ জৰিয়তে নৃত্যশিল্পীৰ শিল্পময় চিন্তা আৰু কল্পনাশক্তিৰ বিকাশ হয়। স্বতঃস্ফূৰ্তভাৱে কৰা নৃত্য কৰা আৰু সুপৰিকল্পিতভাৱে কৰা নৃত্য— এই দুয়োটাই আত্মপ্ৰকাশৰ স্বাধীনতা দিয়ে।

(৫) **নৃত্যই ঐক্য আৰু সমন্বয় গঢ়ি তোলে ঃ** সমন্বিত নৃত্য প্ৰদৰ্শনত অংশগ্ৰহণকাৰীসকলৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সমন্বয়ৰ প্ৰয়োজন হয়। নিয়মীয়াকৈ অংশগ্ৰহণ কৰিলে উজ্জ্বলতা, সৌন্দৰ্য আৰু আত্মবিশ্বাস বৃদ্ধি পায়।

বিদ্যালয়ৰ নৃত্য ক্লাব, উৎসৱ, বিদ্যালয় সপ্তাহ আৰু আন্তঃবিদ্যালয় প্ৰতিযোগিতাসমূহে স্কুলীয়া জীৱনক সজীৱ আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰ কৰি তোলে। শিক্ষাৰ্থীয়ে নিৰ্ভয়ে নিজৰ অনুভূতি প্ৰকাশ কৰিবলৈ শিকে, সহানুভূতিশীল হয় আৰু একে সময়তে শাৰীৰিক সুস্থতাৰো যত্ন লয়। নৃত্যই দিয়া যৌৱনসুলভ উৎসাহ সামগ্ৰিক, উদ্যমী আৰু শৃংখলাবদ্ধ শিক্ষাৰ এক অতি গুৰুত্বপূৰ্ণ অংশ।

## বৌদ্ধিক স্বাধীনত (Intellectual Liberation) (বিতৰ্ক / কুইজ) ঃ

বিতৰ্ক হৈছে এক উপকাৰী আৰু বৌদ্ধিকভাৱে উদ্দীপক সহ-পাঠ্য কাৰ্যক্ৰম, যিয়ে ব্যৱহাৰিক জ্ঞান, সমালোচনামূলক অনুসন্ধান, যুক্তিসংগত সিদ্ধান্ত আৰু সাংস্কৃতিক সচেতনতা বৃদ্ধি কৰে। ই এক সহনশীল পৰিৱেশ গঢ়ি তোলে, য'ত যুক্তিসংগত চিন্তাধাৰাই প্ৰাধান্য লাভ কৰে।

(১) **বিতৰ্কই বিশ্লেষণ ক্ষমতা তীক্ষ্ণ কৰে ঃ** বিতৰ্ক কৰাৰ সময়ত গৱেষণা কৰা, প্ৰমাণ দাঙি ধৰা, ভিন্ন দৃষ্টিভংগী বুজা আৰু যুক্তিসংগত চিন্তাধাৰা ব্যৱহাৰ কৰাৰ ফলত বিশ্লেষণ ক্ষমতা উন্নত হয়। সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধানৰ দক্ষতাও ইয়াত অত্যন্ত গুৰুত্বপূৰ্ণ। এই সুসংগঠিত চিন্তাধাৰাই শ্ৰেণীকক্ষৰ লিখনীতো সহায় কৰে।

(২) **বিতৰ্কই স্পষ্ট উচ্চাৰণ আৰু ভাব প্ৰকাশৰ দক্ষতা বৃদ্ধি কৰে ঃ** দৰ্শকৰ আগত আৰু প্ৰতিদ্বন্দ্বীৰ সন্মুখত বিতৰ্ক কৰাৰ সময়ত শিক্ষাৰ্থীৰ শুদ্ধ উচ্চাৰণ, উপযুক্ত শব্দচয়ন, স্পষ্ট বক্তব্য আৰু সঠিক বাক্য গঠনৰ দক্ষতাৰ প্ৰয়োজন হয়। ই স্পষ্ট আৰু প্ৰভাৱশালী যোগাযোগ গঢ়ি তোলাত সহায় কৰে।

(৩) **বিতৰ্কই বৌদ্ধিক আত্মবিশ্বাস (counter positions in a debate) বৃদ্ধি কৰে ঃ** নিজৰ মতামত ৰক্ষা কৰা আৰু বিপৰীত মতামতৰ উত্তৰ দিয়াৰ জৰিয়তে যুক্তি আৰু চিন্তাশক্তিৰ ওপৰত আত্মবিশ্বাস

বৃদ্ধি পায়। হঠাৎ উত্তৰ দিয়াৰ অভ্যাসে শিক্ষাৰ্থীক তৎক্ষণাত চিন্তা কৰিব পৰা আৰু শান্তভাৱে পৰিস্থিতি চম্ভালিব পৰা কৰি তোলে। ইয়াৰ ফলত তেওঁলোকে নিজৰ জ্ঞানৰ ওপৰত দৃঢ় বিশ্বাস গঢ়ি তোলে আৰু আত্মবিশ্বাসেৰে কথা ক'ব পাৰে।

(৪) **বিতৰ্কই ভিন্ন মতামতৰ প্ৰতি সন্মান বৃদ্ধি কৰে ঃ** বিতৰ্কত অংশগ্ৰহণ কৰিলে শিক্ষাৰ্থীয়ে নিজৰ পক্ষপাতিত্বৰ পৰা আঁতৰি গৈ বিপৰীত মতামতৰ সৈতে সক্ৰিয়ভাৱে জড়িত হয়। ইয়াৰ ফলত ধৈৰ্য আৰু বৌদ্ধিক নমনীয়তা বৃদ্ধি পায়। অংশগ্ৰহণকাৰীয়ে সন্মান বজাই ৰাখি জটিল আলোচনা কৰাৰ লগতে নিজৰ মতামত প্ৰকাশ কৰিবলৈও শিকে।

(৫) **বিতৰ্কই চলিত ঘটনাৰ জ্ঞান বৃদ্ধি কৰে ঃ** বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত গভীৰ জ্ঞান থকা দৰকাৰ। কিয়নো, সাধাৰণতে সামাজিক, ৰাজনৈতিক, আৰ্থিক আৰু সাংস্কৃতিক বিষয়ৰ ওপৰত ভিত্তি কৰিয়ে বিতৰ্ক হয়। চলিত ঘটনাৰ জ্ঞান আহৰণৰ জৰিয়তে নাগৰিকৰ সচেতনতা বৃদ্ধি পায় আৰু দায়িত্বশীল নাগৰিক হ'বলৈ উৎসাহিত হয়।

বিতৰ্কই কূটনীতি, গৱেষণা আৰু বিশ্লেষণমূলক চিন্তাধাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সহ-পাঠ্য কাৰ্যক্ৰম হিচাপে বিতৰ্কই শিক্ষাৰ্থীক সমাজত চলি থকা সমস্যাসমূহ সমালোচনামূলকভাৱে বিশ্লেষণ কৰাত সহায় কৰে। পৰম্পৰাগত বিতৰ্কই MUNs (Model United Nations) এক বিশেষ ৰূপ লয়, য'ত ব্যক্তিগত মতামতৰ পৰিৱৰ্তে শিক্ষাৰ্থীয়ে নিৰ্দিষ্ট দেশক প্ৰতিনিধিত্ব কৰে। ইয়াত প্ৰধানকৈ সহযোগিতামূলক আলোচনাৰ ওপৰত গুৰুত্ব দিয়া হয়।

শিক্ষাৰ্থীসকলক বিভিন্ন সহ-পাঠ্য কাৰ্যক্ৰমত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হয়, কিয়নো এইবোৰে তেওঁলোকক দক্ষ, আত্মবিশ্বাসী আৰু সামাজিকভাৱে দায়িত্বশীল ব্যক্তি হিচাপে গঢ়ি তোলে। খেল-ধেমালি, শিল্প আৰু হাতৰ কাম, সাহিত্য ক্লাব আদি কাৰ্যক্ৰমসমূহেও নেতৃত্ব গুণ আৰু সামাজিক দক্ষতাৰ বিকাশ কৰে, আত্মবিশ্বাস বৃদ্ধি কৰে আৰু সামগ্ৰিক ব্যক্তিত্ব গঢ়ি তোলে।

ওপৰত কৰা আলোচনাৰ ভিত্তিত স্পষ্ট হয় যে সহ-পাঠ্য কাৰ্যক্ৰমসমূহে বিদ্যালয় শিক্ষাত গভীৰতা, সমতা, সৃষ্টিশীলতা আৰু উদ্যম আনে। শ্ৰেণীকক্ষ সজীৱ স্থানলৈ পৰিণত হয়, য'ত শিক্ষাৰ্থীয়ে উৎসাহ, আগ্ৰহ আৰু কৌতূহলেৰে শিকে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ লগতে আন্তঃব্যক্তিক দক্ষতা বৃদ্ধি পায়, শিক্ষাৰ মান উৎকৃষ্ট হয় আৰু আত্মবিশ্বাসো বাঢ়ে। এইবোৰ কাৰ্যক্ৰমে কৈশোৰৰ শক্তিক সঠিক দিশ আৰু সমতা প্ৰদান কৰে। সাংস্কৃতিক, সাহিত্যিক আৰু সৃষ্টিশীল কাৰ্যসূচীত অংশগ্ৰহণে বিদ্যালয়ত এক সমন্বিত আৰু সুস্থ পৰিৱেশ গঢ়ি তোলে। এইদৰে সহ-পাঠ্য কাৰ্যক্ৰমসমূহে শিক্ষাৰ্থীৰ প্ৰতিভা চিনাক্তকৰণ কৰি সেই দিশত আগবাঢ়ি যাবলৈ শিক্ষাৰ্থীজনক উৎসাহিত কৰাৰ আৰু বিকাশ কৰাৰ সুযোগ দিয়ে। এখন সুস্থ আৰু সমৃদ্ধ সমাজ গঢ়ি তুলিবলৈ ইয়াৰ যুৱসমাজক সক্ষম আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা অত্যন্ত প্ৰয়োজনীয়।

## সামাজিক স্বাধীনত (Social Liberation) (খেল-ধেমালি/ NSS/স্কাউট) ঃ

## ৰাষ্ট্ৰীয় কেডেট কোৰ্প (National Cadet Corps - NCC) ঃ

ৰাষ্ট্ৰীয় কেডেট কোৰ (NCC) হৈছে ভাৰতৰ আটাইতকৈ ডাঙৰ ইউনিফৰ্ম পৰিহিত যুৱ সংগঠন, যি ভাৰত চৰকাৰৰ ৰক্ষা মন্ত্ৰালয়ৰ অধীনত চলে। ইয়াৰ উদ্দেশ্য হৈছে দেশৰ যুৱসমাজৰ মাজত শৃংখলা, নেতৃত্ব, দেশপ্ৰেম আৰু সেৱাৰ মনোভাৱ গঢ়ি তোলা।

NCC-এ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক সামৰিক প্ৰশিক্ষণ, সাহসিকতা কাৰ্যক্ৰম, সামাজিক সেৱা আৰু ৰাষ্ট্ৰীয় সংহতিমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুযোগ দিয়ে। এই অভিজ্ঞতাৰ জৰিয়তে শিক্ষাৰ্থীয়ে দায়িত্ববোধ, সাহস আৰু দেশৰ প্ৰতি আনুগত্যৰ অনুভাৱ গঢ়ি তোলে।

NCC-ৰ মূল মন্ত্ৰ **“একতা আৰু শৃংখলা” (Unity and Discipline)**, যি ইয়াৰ মূল দৰ্শন কেডেটসকলৰ মাজত দেশীয় ঐক্য আৰু ব্যক্তিগত শৃংখলা গঢ়ি তোলা কাৰ্যক প্ৰতিফলিত কৰে ।

NCC-ৰ আৰম্ভণি ১৯১৭ চনত ব্ৰিটিছ শাসনৰ সময়ত “University Corps” গঠনৰ সৈতে সম্পৰ্কিত, যাৰ উদ্দেশ্য আছিল ভাৰতীয় সশস্ত্ৰ বাহিনীলৈ সহায় আগবঢ়োৱা। স্বাধীনতাৰ পিছত যুৱসমাজৰ শক্তিক ৰাষ্ট্ৰ গঠনৰ দিশত ব্যৱহাৰ কৰিবলৈ এখন সুসংগঠিত সংগঠনৰ প্ৰয়োজন অনুভৱ কৰা হৈছিল।

এই উদ্দেশ্যে ভাৰতৰ সংসদে National Cadet Corps Act গ্ৰহণ কৰে আৰু ই **১৫ জুলাই ১৯৪৮** চনৰ পৰা কাৰ্যকৰী হয়। তেতিয়াৰ পৰা NCC এখন অগ্ৰণী যুৱ সংগঠন হিচাপে বিকাশ লাভ কৰিছে, যিয়ে শৃংখলা, নেতৃত্ব আৰু নাগৰিক সচেতনতা গঢ়ি তুলি নতুন প্ৰজন্মৰ ভাৰতীয়ক গঢ়ি তুলিছে।

## NCC প্ৰশিক্ষণ কাৰ্যসূচী (NCC Training Programme) ঃ

NCC-ৰ প্ৰশিক্ষণ কাৰ্যসূচী শৃংখলা, নেতৃত্ব আৰু দেশপ্ৰেম গঢ়ি তুলিবলৈ সাজু কৰা হৈছে। ইয়াত সামৰিক আৰু সামাজিক কাৰ্যকলাপৰ এক সংমিশ্ৰণ থাকে। এই প্ৰশিক্ষণ দুটা ভাগত বিভক্ত—

(১) আনুষ্ঠানিক প্ৰশিক্ষণ (Institutional Training)

(২) শিবিৰ প্ৰশিক্ষণ (Camp Training)

## NCC-ত প্ৰমাণপত্ৰ আৰু পৰীক্ষা (Certificates and Examinations in NCC) ঃ

এই প্ৰমাণপত্ৰসমূহে মহাবিদ্যালয়ত নামভৰ্তি, চাকৰিত নিযুক্তি আৰু বিশেষকৈ ৰক্ষা সেৱাত নিৰ্বাচনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মূল্য বহন কৰে।

## NCC-ৰ কাৰ্যকলাপসমূহ (Activities of NCC) ঃ

NCC কেডেটসকলে বিভিন্ন ধৰণৰ কাৰ্যকলাপত অংশগ্ৰহণ কৰে, যেনে— আনুষ্ঠানিক কাৰ্যকলাপ, সামাজিক কাৰ্যকলাপ, সাহসিকতাৰ কাৰ্যকলাপ, ৰাষ্ট্ৰীয় স্তৰৰ কাৰ্যসূচী আদি। এইবোৰে দেশপ্ৰেম, শৃংখলা আৰু সামাজিক সচেতনতা বৃদ্ধি কৰে।

## NCC-ত যোগদানৰ লাভসমূহ (Benefits of Joining NCC) ঃ

NCC-ত অংশগ্ৰহণ কৰিলে শিক্ষা, ব্যক্তিগত আৰু পেছাগত ক্ষেত্ৰত বহুতো লাভ হয়—

- শৃংখলা, আত্মবিশ্বাস আৰু নেতৃত্বৰ গুণ বিকাশ কৰে।
- সেৱাৰ মনোভাৱ আৰু দলীয় কামৰ গুণ গঢ়ি তোলে।
- সশস্ত্ৰ বাহিনী আৰু অসামৰিক সেৱাত প্ৰৱেশৰ বাবে প্ৰস্তুতি আৰু সুবিধা প্ৰদান কৰে।
- স্ক'লাৰশ্বিপ, পুৰস্কাৰ আৰু বিদেশ ভ্ৰমণৰ সুযোগ দিয়ে।
- ব্যক্তিত্ব, শাৰীৰিক সক্ষমতা আৰু নাগৰিক সচেতনতা উন্নত কৰে।
- দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় গৌৰৱ বৃদ্ধি কৰে।

বহু NCC কেডেটে পাছত সেনা, নৌবাহিনী আৰু বায়ুসেনাত বিষয়া হিচাপে সেৱা আগবঢ়ায়, আনহাতে কিছুমানে শৃংখলা আৰু সততাৰ মূল্যবোধেৰে অসামৰিক জীৱনত উৎকৃষ্টতা দেখুৱায়।

## ৰাষ্ট্ৰীয় সেৱা আঁচনি (National Service Scheme - NSS) ঃ

ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) হৈছে ভাৰত চৰকাৰৰ এটা মুখ্য কেন্দ্ৰীয় আঁচনি, যি যুৱ কাৰ্য আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ দ্বাৰা ৰূপায়িত হয়। ইয়াৰ উদ্দেশ্য হৈছে যুৱ শিক্ষাৰ্থীৰ মাজত সামাজিক দায়িত্ববোধ, নেতৃত্ব গুণ আৰু সমাজৰ সৈতে সম্পৰ্ক গঢ়ি তোলা।

(৫) **পানী ব্যৱস্থাপনা (Water Management)ঃ** পানী ব্যৱস্থাপনা আৰু সংৰক্ষণ সিন্ধু উপত্যকা সভ্যতাৰ নগৰ পৰিকল্পনাৰ এটা মুখ্য অংশ আছিল।পানীৰ অভাৱ থকা ধোলাভিৰাত (Dholavira) বৰষুণৰ পানী আৰু ঋতুগত সোঁত সংৰক্ষণ কৰিবলৈ বৃহৎ জলাশয়ৰ ব্যৱস্থা আছিল। লোথালৰ ‘টাইডেল ডকইয়াৰ্ড’ (Lothal Tidal Dockyard) বিশ্বৰ আটাইতকৈ পুৰণি কৃত্ৰিম বন্দৰসমূহৰ ভিতৰত এটা বুলি গণ্য কৰা হয়। পানীৰ স্তৰ নিয়ন্ত্ৰণ কৰিবলৈ ‘চুইচ গেট’ আৰু ‘স্পিল চেনেল’ ব্যৱহাৰ কৰা হৈছিল। এই ব্যৱস্থাত জোৱাৰ-ভাটাৰ গতি আৰু পানীৰ চাপৰ বিষয়ে উন্নত জ্ঞানৰ প্ৰয়োজন কৰিছিল।

সিন্ধু উপত্যকা সভ্যতাৰ পতনৰ পিছত বৈদিক যুগ (খ্ৰীষ্টপূৰ্ব ১৫০০-৫০০) আৰম্ভ হয়। প্ৰাৰম্ভিক বৈদিক সমাজ গ্ৰাম্য আৰু গোত্ৰভিত্তিক আছিল। ‘গ্ৰাম’ (গাঁও) আছিল মূল সামাজিক গোট। কৃষিজাত উৎপাদনৰ বৃদ্ধি হোৱাৰ লগে লগে এইবোৰ ‘নগৰ’ বা ‘পুৰ’ (দুৰ্গবেষ্টিত চহৰ)লৈ পৰিণত হয়। স্থায়ী বাসস্থান, সংৰক্ষণ ব্যৱস্থা আৰু স্পষ্ট বসতিৰ সীমা দেখা দিবলৈ আৰম্ভ কৰে। প্ৰাচীন ৰাজগৃহ (বৰ্তমানৰ ৰাজগীৰ) নগৰখন ডাঙৰ শিলৰ প্ৰাচীৰেৰে বেষ্টিত আছিল। অৰ্থশাস্ত্ৰ আদি গ্ৰন্থত বৰ্ণনা কৰা মতে, নগৰসমূহ গভীৰ পানীভৰ্তি খালৰ দ্বাৰা বেষ্টিত আছিল। প্ৰৱেশদ্বাৰসমূহ কৌশলগতভাৱে স্থাপন কৰা হৈছিল, যাতে মানুহৰ চলাচল নিয়ন্ত্ৰণ আৰু নিৰাপত্তাৰ অধীনত ৰাখিব পৰা যায়। এই দ্বাৰসমূহে নগৰৰ পৰিচয়ৰ প্ৰতীক হিচাপেও কাম কৰিছিল। বসতিৰ দিশ নিৰ্ধাৰণ বৈদিক বিশ্বব্ৰহ্মাণ্ডৰ শৃংখলা (ঋতা) ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। পৰিকল্পনা কৰাৰ সময়ত দিশসূচক (Cardinal directions) দিশসমূহক বিশেষ গুৰুত্ব দিয়া হৈছিল। গংগা আৰু যমুনা নদীৰ উৰ্বৰা তীৰত ঘন বসতি গঢ়ি উঠিছিল। ভাৰতৰ ধ্ৰুপদী যুগ (প্ৰায় খ্ৰীষ্টপূৰ্ব ৩০০ - খ্ৰীষ্টীয় ৬০০) সাম্ৰাজ্যবাদী নগৰায়নৰ দ্বাৰা বিশেষভাৱে চিহ্নিত। এই সময়ত চহৰ পৰিকল্পনা ৰাষ্ট্ৰৰ অনুমোদিত কাৰ্য আছিল। মৌৰ্য সাম্ৰাজ্যৰ সময়ত পাটলিপুত্ৰ নগৰখনে বহুত উন্নতি লাভ কৰে। গ্ৰীক পৰ্যটক মেগাস্থেনিছে (Megasthenes) এই নগৰখন আয়তাকাৰ আকাৰৰ আৰু খাল আৰু প্ৰাচীৰেৰে বেষ্টিত বুলি বৰ্ণনা কৰিছে।

আন এজন গ্ৰীক পৰ্যটক ষ্ট্ৰেবোৱে (Strabo) কয় যে নগৰৰ প্ৰাচীৰবোৰ কাঠেৰে নিৰ্মিত আছিল আৰু ইয়াৰ আকৃতি সমান্তৰাল চতুৰ্ভুজৰ দৰে আছিল। তেওঁ লগতে কয় যে এই কাঠৰ প্ৰাচীৰত এনে ফাঁক আছিল য'ৰ পৰা কাঁড় মাৰিব পৰা যায়। খালসমূহে নগৰৰ বাবে সুৰক্ষা আৰু নিষ্কাশন— দুয়োটা কামেই কৰিছিল। অৰ্থশাস্ত্ৰত এক প্ৰকাৰৰ অঞ্চল বিভাজন (zoning) ব্যৱস্থাৰো উল্লেখ আছে, য'ত কাৰিকৰ, বেপাৰী আৰু কৰ্মচাৰীসকলৰ বাবে পৃথক এলেকা নিৰ্ধাৰণ কৰা হৈছিল। অৰ্থশাস্ত্ৰত গৃহ নিৰ্মাণ, বন্দৰ আৰু চহৰ পৰিকল্পনাৰ ওপৰত বিশেষ অধ্যায় আছিল। মৌৰ্যসকলে আধুনিক গ্ৰেণ্ড ট্ৰাংক ৰ'ডৰ পূৰ্বসূৰী 'উত্তৰপথ' নামৰ পথ নিৰ্মাণ কৰিছিল। এই পথটো প্ৰায় ২,৬০০ কিলোমিটাৰ দীঘল আছিল আৰু পুৰুষপুৰ, তক্ষশীলা, হস্তিনাপুৰ, কান্যকুব্জ, প্ৰয়াগ, পাটলিপুত্ৰ আৰু তাম্ৰলিপ্ত আদি নগৰসমূহ সংযোগ কৰিছিল। কিছুমান উৎস অনুসৰি, এই পথৰ ৰক্ষণাবেক্ষণৰ বাবে চন্দ্ৰগুপ্ত মৌৰ্যৰ অধীনত বিশেষ কৰ্মচাৰী বাহিনী আছিল। প্ৰাৰম্ভিক মধ্যযুগ (খ্ৰীষ্টীয় ৬০০—১২০০)ত মন্দিৰকেন্দ্ৰিক নগৰায়নৰ প্ৰৱণতা দেখা যায়। বিশেষকৈ দক্ষিণ ভাৰতত নগৰসমূহ মন্দিৰক কেন্দ্ৰ কৰি গঢ়ি উঠে। মন্দিৰসমূহ অৰ্থনৈতিক, ধৰ্মীয় আৰু পবিত্ৰ কেন্দ্ৰ হিচাপে পৰিণত হয়। বজাৰ, পানীৰ টেংক আৰু বাসস্থানসমূহ এই মন্দিৰসমূহৰ চাৰিওফালে গঢ়ি উঠে। এই ক্ষেত্ৰত 'বাস্তু শাস্ত্ৰ'ৰ উল্লেখ কৰা উচিত। ই ভাৰতীয় স্থাপত্য বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ তাত্ত্বিক ভেটি। এইটো এক প্ৰকাৰৰ আধ্যাত্মিক জ্যামিতি, যি সূৰ্যৰ পোহৰ, বতাহ আৰু পঞ্চভূত (পৃথিৱী, পানী, বায়ু, অগ্নি, আকাশ)ৰ সৈতে সমন্বয়ত গুৰুত্ব দিয়ে। ই বসতি পৰিকল্পনা, দিশ নিৰ্ধাৰণ, অনুপাত আৰু নিৰ্মাণৰ জৰিয়তে সম্পূৰ্ণ মংগল সাধন কৰিব বিচাৰে। বাস্তু শাস্ত্ৰই নগৰ পৰিকল্পনাতো প্ৰভাৱ পেলাইছিল। 'মানসাৰা' আৰু 'মায়ামত' আদি গ্ৰন্থসমূহ ইয়াৰ অন্তৰ্গত উল্লেখযোগ্য।

## শাসন ব্যৱস্থা (Governance) ঃ

প্ৰাচীন ভাৰতীয় পৰম্পৰাত শাসন ব্যৱস্থা আধ্যাত্মিকতাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল। প্ৰাৰম্ভিক বৈদিক সমাজসমূহ গোত্ৰভিত্তিক আছিল। এটা গোত্ৰৰ প্ৰধানক 'ৰাজন' বুলি কোৱা হৈছিল। তেওঁৰ ক্ষমতা সাধাৰণতে 'সভা' আৰু 'সমিতি' নামৰ দুটা সংগঠনৰ দ্বাৰা সীমাবদ্ধ আছিল। ৰাজনৰ এখন সৰু দৰবাৰ আছিল, য'ত সভাসদ (দৰবাৰী) আৰু গোষ্ঠীৰ প্ৰধান (গ্ৰামণী) উপস্থিত থাকিছিল। অথৰ্ববেদত 'সভা' আৰু 'সমিতি'ক প্ৰজাপতি (সৃষ্টিকৰ্তা)ৰ দুগৰাকী কন্যা বুলি বৰ্ণনা কৰা হৈছে। এই দুয়োটা সংগঠনে ৰাষ্ট্ৰীয় ব্যৱস্থাৰ স্থিৰতা বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। 'সভা' আছিল বয়োজ্যেষ্ঠ আৰু ক্ষমতাশালী লোকসকলৰ এক বিশেষ পৰিষদ। ই একে সময়তে ন্যায়িক আৰু পৰামৰ্শদাতা সংস্থা আছিল, যি ন্যায়ালয় হিচাপে কাম কৰিছিল। 'সমিতি' আছিল সাধাৰণ লোকসকলৰ এটা বিস্তৃত সংগঠন। ইয়াত যুদ্ধ, শান্তি, সম্পদ আৰু ৰাজনৰ নিৰ্বাচন আদি বিষয়ত সমূহীয়াভাৱে আলোচনা কৰা হৈছিল। পৰৱৰ্তী বৈদিক যুগত ৰাজনৰ ক্ষমতা বেছি স্বাধীন হৈ পৰে। এই সময়লৈকে গোত্ৰসমূহ প্ৰাথমিক ৰাজতন্ত্ৰত পৰিণত হৈছিল আৰু এক মৌলিক প্ৰশাসনিক গঠন গঢ়ি উঠিছিল। ৰাজনৰ মুখ্য দায়িত্ব আছিল সামাজিক শৃংখলা ৰক্ষা কৰা আৰু 'ৰাষ্ট্ৰ'ৰ সুৰক্ষা

কৰা। সমাজৰ বিকাশৰ লগে লগে ৰাজনৰ ওপৰত নিয়ন্ত্ৰণ ৰখা 'সভা' আৰু 'সমিতি'ৰ ভূমিকা 'ৰাজধৰ্ম' (ৰজাৰ কৰ্তব্য) নামৰ নৈতিক দায়িত্বলৈ সলনি হয়। শাসকজন নিজ প্ৰজাৰ সেৱক (দাস) বুলি গণ্য হৈছিল আৰু তেওঁৰ শাসনৰ বৈধতা তেওঁৰ প্ৰজাৰ সঠিক সেৱা কৰাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। এই ৰাজধৰ্ম কাৰ্যকৰী কৰিবলৈ কৌটিল্যই 'সপ্তাঙ্গ তত্ত্ব' (ৰাষ্ট্ৰৰ সাতটা অংগ) প্ৰস্তুত কৰিছিল, য'ত ৰাষ্ট্ৰক এটা জীৱন্ত সংগঠন হিচাপে বুজোৱা হৈছে। নিযুক্তিসমূহ যোগ্যতা আৰু দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰিছিল।

এই সাতটা অংগৰ সঠিক কাৰ্যক্ষমতাৰ ওপৰতেই ৰাষ্ট্ৰৰ স্থিৰতা নিৰ্ভৰ কৰিছিল—

(১) স্বামী (শাসক)

(২) অমাত্য (মন্ত্ৰীসকল)

(৩) জনপদ (ভূমি আৰু জনসাধাৰণ)

(৪) দুৰ্গ (দুৰ্গবেষ্টিত ৰাজধানী)

(৫) কোষ (ৰাজকোষ)

(৬) দণ্ড (সেনা)

(৭) মিত্ৰ (মিত্ৰ ৰাষ্ট্ৰ)

'অৰ্থশাস্ত্ৰ' কৌটিল্যই ৰচনা কৰা ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। এই গ্ৰন্থত অৰ্থনৈতিক কৌশল, শাসন ব্যৱস্থাৰ নীতি, প্ৰশাসনিক নিৰ্দেশনা আৰু সামৰিক কৌশল আদি বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাচীন ভাৰতত 'গণ-সংঘ' বা অলিগাৰ্কিক প্ৰজাতন্ত্ৰও (oligarchic republics) আছিল। এই প্ৰজাতন্ত্ৰসমূহ খ্ৰীষ্টপূৰ্ব ষষ্ঠৰ পৰা চতুৰ্থ শতিকাৰ মাজত বিকশিত হৈছিল আৰু ইয়াত ক্ষমতা বয়োজ্যেষ্ঠসকলৰ এটা পৰিষদৰ মাজত বণ্টিত আছিল। প্ৰাচীন ভাৰতৰ ১৬টা মহাজনপদৰ ভিতৰত বজ্জি আৰু মল্লক গণ-সংঘৰ দ্বাৰা শাসিত হৈছিল। বৌদ্ধ গ্ৰন্থসমূহত 'গণ-মুখ্য' (প্ৰধান) আৰু 'সংঘ' (আলোচনা সভা)ক গণ-সংঘৰ দুটা গুৰুত্বপূৰ্ণ অংশ বুলি কোৱা হৈছে। এই শাসন ব্যৱস্থাসমূহে প্ৰমাণ কৰে যে ভাৰতৰ ৰাজনৈতিক পৰম্পৰাসমূহ নৈতিক দায়িত্ব, সুসংগঠিত প্ৰশাসন আৰু নাগৰিক সমতাৰ ভিত্তিত গঢ়ি উঠিছিল।

## লোক প্ৰশাসন (Public Administration) ঃ

ভাৰতীয় সাৰ্বজনীন প্ৰশাসনৰ ভেটি কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'ত পোৱা যায়। আগতেই ৰাজধৰ্মৰ বিষয়ে আলোচনা কৰা অনুসাৰে, এই ব্যৱস্থাই প্ৰশাসকৰ নৈতিক চৰিত্ৰৰ ওপৰত অত্যন্ত গুৰুত্ব আৰোপ কৰিছিল। নীতিসমূহ 'ধৰ্ম' বা নৈতিক নিয়মৰ ওপৰত আধাৰিত আছিল। কৌটিল্যৰ মতে, এজন আদৰ্শ প্ৰশাসকৰ 'আত্ম-সম্পৎ' (Atma-sampat) নামৰ গুণ থাকিব লাগিব, অৰ্থাৎ আত্ম-নিয়ন্ত্ৰণ। কাৰণ, যিজনে নিজক শাসন কৰিব নোৱাৰে, তেওঁ ৰাষ্ট্ৰ শাসন কৰিব নোৱাৰে আৰু কৰা উচিতো নহয়। 'যোগক্ষেম' (Yogakshema) হৈছে এনে এক লক্ষ্য, য'ত চৰকাৰে মানুহৰ উন্নতি সাধন কৰাৰ লগতে সেই সম্পত্তিৰ সুৰক্ষাও নিশ্চিত কৰে।

কৌটিল্যই নিৰাপত্তাৰ দায়িত্ব সম্পূৰ্ণৰূপে শাসক আৰু প্ৰশাসনিক ব্যৱস্থাৰ ওপৰত আৰোপ কৰিছে। চৰকাৰে ন্যায়সঙ্গত ব্যৱসায় নিশ্চিত কৰিব লাগিব আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সহায় আগবঢ়াব লাগিব। অনাথ, বৃদ্ধ, দৰিদ্ৰ আৰু ৰোগাক্ৰান্ত লোকসকলৰ দৰে দুৰ্বল লোকসকলক চৰকাৰে সুৰক্ষা দিয়াটো প্ৰয়োজন। চৰকাৰে জনসাধাৰণ আৰু সম্পদসমূহ সুৰক্ষিত ৰাখিবলৈ দক্ষতাৰে দুৰ্গ নিৰ্মাণ, সেনা ৰক্ষা আৰু এটা পৰিষ্কাৰ আৰু সহজে ব্যৱহাৰযোগ্য পৰিবেশ প্ৰদান কৰিব লাগিব। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' গ্ৰন্থত প্ৰায় ২৭টা প্ৰশাসনিক বিভাগৰ উল্লেখ পোৱা যায়। অৰ্থশাস্ত্ৰত কৌটিল্যই দিয়া এটা গুৰুত্বপূৰ্ণ ধাৰণা হৈছে— এখন বিশাল সাম্ৰাজ্য শাসন কৰিবলৈ ভৌগোলিক বিকেন্দ্ৰীকৰণৰ প্ৰয়োজন। সাম্ৰাজ্যখন প্ৰদেশ (জনপদ), জিলাসমূহ (প্ৰদেশ) আৰু গাঁও (গ্ৰাম)ত বিভক্ত কৰা হৈছিল। জনপদসমূহ ৰাজপৰিয়াল বা উচ্চ পদস্থ বিষয়াই শাসন কৰিছিল, জিলাসমূহ 'প্ৰদেশিক' বিষয়াই পৰিচালনা কৰিছিল আৰু গাঁওসমূহ 'গ্ৰামিক' (গাঁৱৰ মুৰব্বী)ৰ তত্বাৱধানত আছিল। এই বিকেন্দ্ৰীকৃত ব্যৱস্থাৰ প্ৰমাণ চোল সাম্ৰাজ্যৰ (খ্ৰীষ্টীয় ১০ম শতিকাৰ) 'উত্তৰামেৰুৰ শিলালিপি'ত পোৱা যায়। এই শিলালিপিসমূহ গাঁৱৰ সংবিধানৰ দৰে আছিল। ইয়াত 'কুডোভালাই' (Kudovalai) নামৰ এক বিশেষ পদ্ধতিৰ উল্লেখ আছে, ই এটা লটাৰী ব্যৱস্থা। ইয়াত প্ৰাৰ্থীৰ নাম তালপাতত লিখি এটা পাত্ৰত থোৱা হৈছিল আৰু এটি শিশুৱে সেইবোৰৰ পৰা নাম উঠাই নিৰপেক্ষতা নিশ্চিত কৰিছিল। প্ৰতিখন গাঁও ৩০টা ৱাৰ্ডত বিভক্ত আছিল। গাঁও পৰিষদৰ সদস্য হ'বলৈ কিছুমান কঠোৰ নিয়ম আছিল, যেনে— নিজা ঘৰ থাকিব লাগিব, ভূমিৰ মালিক হ'ব লাগিব আৰু বেদসমূহৰ জ্ঞান থাকিব লাগিব। চোল প্ৰশাসনে পানী ব্যৱস্থাপনাকো অগ্ৰাধিকাৰ দিছিল। তেওঁলোকে কাবেৰী নদীৰ পানী বণ্টন কৰিবলৈ বৃহৎ শিলৰ বান্ধ আৰু জটিল খাল ব্যৱস্থা নিৰ্মাণ কৰিছিল। তেওঁলোকে নিয়মীয়াকৈ ভূমি জৰীপ কৰিছিল, যাতে মাটিৰ উৰ্বৰতা অনুসৰি ন্যায়সঙ্গতভাৱে কৰ আৰোপ কৰিব পৰা যায়। এই নৈতিক শাসন আৰু প্ৰশাসনিক দক্ষতাৰ ঐতিহ্যই আধুনিক পঞ্চায়তীৰাজ ব্যৱস্থা আৰু আন নৈতিক অসামৰিক সেৱাসমূহত প্ৰভাৱ পেলাই আহিছে।

## প্ৰশ্নাৱলী

### ? বহুনিৰ্বাচনী প্ৰশ্ন (Multiple Choice Questions) ঃ

১। ভাৰতীয় জ্ঞান প্ৰণালী (IKS) অন্তৰ্ভুক্ত কৰে—

(a) কেৱল বিজ্ঞান (b) কেৱল দৰ্শন

(c) বিজ্ঞান, শিল্প আৰু শাসন আদি বহু শাখা (d) কেৱল ধৰ্ম

২। চাৰিটা পুৰুষাৰ্থ হৈছে—

(a) ধৰ্ম, অৰ্থ, কাম, মোক্ষ (b) সত্য, প্ৰেম, শান্তি, অহিংসা

(c) যোগ, ধ্যান, আয়ুৰ্বেদ, বিজ্ঞান (d) জ্ঞান, শক্তি, ধন, খ্যাতি

৩। 'ধৰ্ম'ই বুজায়—

(a) ধন (b) কৰ্তব্য আৰু ন্যায়পথ

(c) ভোগ (d) মুক্তি

৪। 'অৰ্থ'ৰ অৰ্থ হৈছে—

(a) আধ্যাত্মিক মুক্তি (b) নৈতিক কৰ্তব্য

(c) ভৌতিক সমৃদ্ধি (d) ধ্যান

৫। 'মোক্ষ'ই বুজায়—

(a) ধন (b) ভোগ

(c) জন্ম-মৃত্যুৰ চক্ৰৰ পৰা মুক্তি (d) জ্ঞান

৬। 'প্ৰমা'ই বুজায়—

(a) জ্ঞানৰ বস্তু (b) সঠিক জ্ঞান

(c) জ্ঞান লাভৰ পদ্ধতি (d) অজ্ঞতা

৭। 'প্ৰত্যক্ষ'ই বুজায়—

(a) অনুমান (b) তুলনা

(c) প্ৰত্যক্ষ উপলব্ধি (d) ধাৰণা

৮। 'ন্যায়' দৰ্শন মূলতঃ সম্পৰ্কিত—

(a) আচাৰ-অনুষ্ঠান (b) যুক্তি আৰু তৰ্ক

(c) ধ্যান (d) শিল্প

৯। 'বৈশেষিক' দৰ্শনে ব্যাখ্যা কৰে—

(a) যোগ (b) পৰমাণুবাদ

(c) ধ্যান (d) নৈতিকতা

১০। 'সাংখ্য' দৰ্শনে বিশ্বাস কৰে—

(a) এটা বাস্তৱতা (b) দুটা বাস্তৱতা (প্ৰকৃতি আৰু পুৰুষ)

(c) কোনো বাস্তৱতা নাই (d) কেৱল ভৌতিক জগত

১১। যোগ দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে—

(a) গৌতম (b) পতঞ্জলি

(c) কপিল (d) জৈমিনি

১২। ‘মীমাংসা’ দৰ্শনে গুৰুত্ব দিয়ে—

(a) যুক্তি (b) আচাৰ-অনুষ্ঠান আৰু বেদ

(c) ধ্যান (d) পৰমাণুবাদ

১৩। ‘বেদান্ত’ৰ ভিত্তি হৈছে—

(a) বেদ (b) উপনিষদ

(c) অৰ্থশাস্ত্ৰ (d) ৰামায়ণ

১৪। ‘চাৰ্বাক’ দৰ্শনে গ্ৰহণ কৰে—

(a) অনুমান (b) তুলনা

(c) প্ৰত্যক্ষ উপলব্ধি (d) সাক্ষ্য

১৫। বৌদ্ধ ধৰ্মৰ প্ৰতিষ্ঠাতা হৈছে—

(a) মহাবীৰ (b) বুদ্ধ

(c) পতঞ্জলি (d) চৰক

১৬। জৈন ধৰ্মই গুৰুত্ব দিয়ে—

(a) হিংসা (b) অহিংসা

(c) ধন (d) শক্তি

১৭। বৈদিক গণিতত গুৰুত্ব দিয়া হয়—

(a) মুখস্থ কৰা (b) মানসিক গণনা আৰু দ্ৰুততা

(c) কেৱল লিখা (d) যুক্তিক উপেক্ষা কৰা

১৮। আৰ্যভট্ট জনা যায়—

(a) চিকিৎসা (b) জ্যোতিৰ্বিজ্ঞান

(c) শিল্প (d) নৃত্য

১৯। ‘যোগ’ৰ অৰ্থ হৈছে—

(a) পৃথক হোৱা (b) নিয়ন্ত্ৰণ আৰু একতা

(c) অজ্ঞতা (d) ধন

২০। আয়ুৰ্বেদে গুৰুত্ব দিয়ে—

(a) কেৱল অস্ত্ৰোপচাৰ (b) শৰীৰ, মন আৰু আত্মাৰ সমতা

(c) কেৱল বনৌষধি (d) কেৱল আহাৰ

## ? চুটি প্ৰশ্ন (Short Type Questions) ঃ

১। ভাৰতীয় জ্ঞান প্ৰণালী (IKS) বুলিলে কি বুজা যায়?

২। চাৰিটা পুৰুষাৰ্থৰ নাম লিখা আৰু মানৱ জীৱনত ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰা।

৩। ভাৰতীয় দৰ্শনত 'প্ৰমা', 'প্ৰমাণ' আৰু 'প্ৰমেয়' কি?

৪। আস্তিক আৰু নাস্তিক দৰ্শনৰ মাজত পাৰ্থক্য কি?

৫। আধুনিক জীৱনত যোগ আৰু ধ্যানৰ গুৰুত্ব কি?

## ? দীঘল প্ৰশ্ন (Long Type Questions) ঃ

১। ভাৰতীয় জ্ঞান প্ৰণালী (IKS)ৰ ধাৰণা ব্যাখ্যা কৰা আৰু আধুনিক জীৱনত ইয়াৰ গুৰুত্ব আলোচনা কৰা।

২। চাৰিটা পুৰুষাৰ্থ বৰ্ণনা কৰা আৰু এইবোৰে কেনেদৰে সমতামূলক জীৱন লাভ কৰাত সহায় কৰে ব্যাখ্যা কৰা।

৩। ভাৰতীয় দৰ্শনৰ মুখ্য আস্তিক শাখাসমূহ আলোচনা কৰা আৰু ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

৪। যোগ আৰু ধ্যানে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কল্যাণত কেনেধৰণে অৱদান আগবঢ়ায় ব্যাখ্যা কৰা।

৫। ভাৰতত প্ৰচলিত পৰম্পৰাগত চিকিৎসা পদ্ধতি হিচাপে আয়ুৰ্বেদৰ বিকাশ আৰু গুৰুত্ব বৰ্ণনা কৰা।

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (c) | 2. (a) | 3. (b) | 4. (c) |
| 5. (c) | 6. (b) | 7. (c) | 8. (b) |
| 9. (b) | 10. (b) | 11. (b) | 12. (b) |
| 13. (b) | 14. (c) | 15. (b) | 16. (b) |
| 17. (b) | 18. (b) | 19. (b) | 20. (b) |

■ ■ ■

# অধ্যায় ৬

# ভাৰতীয় সংবিধানৰ স্বৰূপ
# (Nature of the Indian Constitution)

ভাৰতৰ সংবিধান দেশখনৰ সৰ্বোচ্চ আইন। ই ৰাজনৈতিক ব্যৱস্থাৰ এক কাঠামো প্ৰদান কৰে, চৰকাৰৰ ক্ষমতা আৰু দায়িত্ব নিৰ্ধাৰণ কৰে আৰু নাগৰিকসকলৰ অধিকাৰ আৰু কৰ্তব্য সুনিশ্চিত কৰে। ভাৰতৰ সংবিধানখন ২৬ নৱেম্বৰ ১৯৪৯ তাৰিখে গ্ৰহণ কৰা হৈছিল আৰু ২৬ জানুৱাৰী, ১৯৫০ ৰপৰা কাৰ্যকৰী কৰা হৈছিল। সেয়ে ২৬ জানুৱাৰী দিনটো সমগ্ৰ দেশতে গণতন্ত্ৰ দিৱস হিচাপে উদযাপন কৰা হয়।

সংবিধানে শাসন ব্যৱস্থাৰ বাবে এক পথপ্ৰদৰ্শক হিচাপে কাম কৰে আৰু নাগৰিকসকলৰ অধিকাৰ আৰু চৰকাৰৰ ক্ষমতাৰ মাজত সমতা বজাই ৰাখে। ই ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ বাবে ভাৰতীয় জনসাধাৰণৰ আকাংক্ষাক প্ৰতিফলিত কৰে।

## সংবিধানৰ অৰ্থ (Meaning of the Constitution) ঃ

সংবিধান হৈছে কিছুমান মৌলিক নীতি আৰু প্ৰতিস্থাপিত প্ৰথাৰ সমষ্টি, যাক অনুসৰণ কৰি এখন ৰাষ্ট্ৰ চলি থাকে। ই চৰকাৰৰ বিভিন্ন অংগ— বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ গঠন, ক্ষমতা আৰু কাৰ্যসমূহ নিৰ্ধাৰণ কৰে আৰু নাগৰিকসকলৰ অধিকাৰ আৰু কৰ্তব্যসমূহ সুনিৰ্দিষ্ট কৰে। ভাৰতীয় সংবিধান বিশ্বৰ আটাইতকৈ দীঘল লিখিত সংবিধান। ইয়াত চৰকাৰৰ কাৰ্যপ্ৰণালী আৰু জনসাধাৰণৰ অধিকাৰৰ বিষয়ে বিস্তৃত বৰ্ণনা কৰা হৈছে।

**ভাৰতীয় সংবিধানৰ মুখ্য বৈশিষ্ট্যসমূহ (Salient Features of the Indian Constitution) ঃ**

(১) **লিখিত আৰু বিস্তৃত সংবিধান ঃ** ভাৰতীয় সংবিধান বিশ্বৰ অন্যতম বিস্তৃত লিখিত দলিল। ইয়াত ৪৭০টা অনুচ্ছেদ, ১২টা অনুসূচী আৰু বহুতো সংশোধনী আছে, য'ত শাসন ব্যৱস্থাৰ সকলো দিশ সামৰি লোৱা হৈছে।

(২) **প্ৰস্তাৱনা (Preamble)** ঃ প্ৰস্তাৱনাই সংবিধানৰ দৰ্শন আৰু উদ্দেশ্য প্ৰকাশ কৰে। ই ভাৰতক এক সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণা কৰে আৰু সকলো নাগৰিকৰ বাবে ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ব নিশ্চিত কৰাৰ লক্ষ্য ৰাখে।

(৩) **সাৰ্বভৌমত্ব (Sovereign)** ঃ ভাৰত নিজে নিজৰ আইন আৰু সিদ্ধান্ত ল'বলৈ স্বাধীন। ই আভ্যন্তৰীণ আৰু বাহ্যিক দুয়ো ক্ষেত্ৰতে কোনো বিদেশী শক্তিৰ নিয়ন্ত্ৰণত নাই।

(৪) **সমাজবাদী (Socialist)** ঃ এই শব্দই সামাজিক আৰু অৰ্থনৈতিক সমতা লাভ কৰাৰ অঙ্গীকাৰ প্ৰকাশ কৰে। ইয়াৰ উদ্দেশ্য ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান কমোৱা আৰু সকলোৰে বাবে সমান সুযোগ নিশ্চিত কৰা।

(৫) **ধৰ্মনিৰপেক্ষ (Secular)** ঃ ভাৰতৰ কোনো চৰকাৰী ধৰ্ম নাই। প্ৰতিজন নাগৰিককে যিকোনো ধৰ্ম পালন, মানি চলা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা দিয়া হৈছে, অথবা কোনো ধৰ্ম নামানিবও পাৰে। ৰাষ্ট্ৰই সকলো ধৰ্মক সমানে আচৰণ কৰে।

(৬) **গণতান্ত্ৰিক (Democratic)** ঃ ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা আছে, য'ত জনসাধাৰণেই ক্ষমতাৰ মূল উৎস। নাগৰিকসকলে মুক্ত আৰু ন্যায়সংগত নিৰ্বাচনৰ জৰিয়তে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰে।

(৭) **গণৰাজ্য (Republic)** ঃ ৰাষ্ট্ৰৰ প্ৰধানজন (ৰাষ্ট্ৰপতি) নিৰ্বাচিত হয়, বংশগত নহয়। ইয়াৰ দ্বাৰা সমতা আৰু জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত হয়।

(৮) **এককেন্দ্ৰিক ভাবধাৰাৰ সৈতে যুক্তৰাষ্ট্ৰীয় গাঁথনি (Federal Structure with Unitary Spirit)** ঃ ভাৰতত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আছে, য'ত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিভাজিত। কিন্তু জৰুৰীকালীন অৱস্থাত কেন্দ্ৰই অধিক ক্ষমতা প্ৰয়োগ কৰিব পাৰে, সেয়ে ইয়াত এককেন্দ্ৰিক বৈশিষ্ট্যও আছে।

(৯) **সংসদীয় শাসন ব্যৱস্থা (Parliamentary Form of Government)** ঃ প্ৰধানমন্ত্ৰীৰ নেতৃত্বত থকা মন্ত্ৰীসভা লোকসভাৰ প্ৰতি দায়বদ্ধ। ইয়াৰ ফলত চৰকাৰৰ সমূহীয়া দায়িত্ব আৰু দায়বদ্ধতা নিশ্চিত হয়।

(১০) **মৌলিক অধিকাৰ আৰু কৰ্তব্য (Fundamental Rights and Duties)** ঃ সংবিধানে সমতা, স্বাধীনতা আৰু সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ আদি মৌলিক অধিকাৰ নিশ্চিত কৰিছে। ইয়াৰ লগতে নাগৰিকসকলৰ বাবে মৌলিক কৰ্তব্যসমূহো নিৰ্ধাৰণ কৰা হৈছে, যাতে জাতীয় আদৰ্শৰ প্ৰতি সন্মান আৰু ঐক্য বৰ্তি থাকে।

(১১) **ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি (Directive Principles of State Policy)** ঃ ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিবোৰ চৰকাৰৰ বাবে দিশ-নিৰ্দেশনা, যাৰ জৰিয়তে সামাজিক আৰু অৰ্থনৈতিক ন্যায় নিশ্চিত কৰাৰ চেষ্টা কৰা হয়। যদিও এইবোৰ আইনগতভাৱে বলবৎ নহয়, তথাপি দেশৰ উন্নতিৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ।

**(১২) স্বতন্ত্ৰ ন্যায়পালিকা (Independent Judiciary) ঃ** ন্যায়পালিকা স্বাধীন আৰু ই সংবিধানক সুৰক্ষা দিয়ে। উচ্চতম ন্যায়ালয় সংবিধানৰ ৰক্ষক আৰু চূড়ান্ত ব্যাখ্যাকৰোতা।

**(১৩) ধৰ্মনিৰপেক্ষ আৰু অন্তৰ্ভুক্তিমূলক মূল্যবোধ (Secular and Inclusive Values) ঃ** সংবিধানে বৈচিত্ৰ্যৰ মাজত ঐক্য প্ৰসাৰিত কৰে। ধৰ্ম, জাতি বা লিংগ নিৰ্বিশেষে প্ৰতিজন নাগৰিকক সমান মৰ্যাদা আৰু সুৰক্ষা প্ৰদান কৰা হয়।

**ভাৰতীয় সংবিধানৰ প্ৰকৃতি (Nature of the Indian Constitution) ঃ**

**(১) বিস্তৃত আৰু নমনীয় (Comprehensive and Flexible) ঃ** ভাৰতীয় সংবিধান বিশ্বৰ অন্যতম দীঘল আৰু বিস্তৃত সংবিধান। ইয়াত কেৱল কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কাৰ্যপ্ৰণালীয়ে নহয়, নাগৰিকৰ অধিকাৰ, ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি, জৰুৰীকালীন ক্ষমতা আৰু স্থানীয় শাসন ব্যৱস্থাৰ বিষয়েও বিধান আছে। ইমান বিস্তৃত হোৱাৰ পিছতো সংবিধানখন যথেষ্ট নমনীয়, কাৰণ ই সময়ৰ লগে লগে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ সৈতে নিজকে খাপ খুৱাব পাৰে। অনুচ্ছেদ ৩৬৮ অনুসৰি সংসদক সংবিধান সংশোধন কৰাৰ ক্ষমতা দিয়া হৈছে, যাৰ ফলত ই সদায় প্ৰাসংগিক হৈ থাকে।

**(২) গণতান্ত্ৰিক আৰু গণৰাজ্য (Democratic and Republican) ঃ** ভাৰত এখন গণতান্ত্ৰিক গণৰাজ্য। অৰ্থাৎ, সাৰ্বভৌম ক্ষমতা জনসাধাৰণৰ হাতত থাকে। চৰকাৰৰ সকলো ক্ষমতা জনসাধাৰণৰ ইচ্ছাৰ পৰা উদ্ভৱ হয়, যি নিয়মিত মুক্ত আৰু ন্যায়সংগত নিৰ্বাচনৰ জৰিয়তে প্ৰকাশ পায়। গণৰাজ্য হিচাপে ভাৰতত কোনো বংশগতভাৱে মনোনীত শাসক নাই। ৰাষ্ট্ৰৰ প্ৰধান ৰাষ্ট্ৰপতি নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত হয়। ইয়াৰ দ্বাৰা এইটো প্ৰকাশ পায় যে নেতৃত্ব জন্ম বা বিশেষাধিকাৰৰ ওপৰত নহয়, বৰং যোগ্যতা আৰু জনসাধাৰণৰ পছন্দৰ ওপৰত নিৰ্ভৰ কৰে।

**(৩) এককেন্দ্ৰিক প্ৰৱণতাৰ সৈতে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা (Federal with Unitary Bias) ঃ** ভাৰতীয় সংবিধানে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা স্থাপন কৰিছে, য'ত কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতা বিভাজিত। সংবিধানৰ সপ্তম অনুসূচীত কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমৱৰ্তী সূচীৰ বিষয়সমূহ উল্লেখ আছে। কিন্তু ই সম্পূৰ্ণ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দৰেও নহয়, ভাৰতত এককেন্দ্ৰিক প্ৰৱণতা দেখা যায়। বিশেষকৈ জৰুৰীকালীন অৱস্থাত অধিক ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত কেন্দ্ৰীভূত হয়। ইয়াৰ ফলত সংকটৰ সময়ত জাতীয় ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা সম্ভৱ হয়।

**(৪) ধৰ্মনিৰপেক্ষ আৰু সমাজবাদী (Secular and Socialist) ঃ** সংবিধানৰ প্ৰস্তাৱনাত ভাৰতক ধৰ্মনিৰপেক্ষ আৰু সমাজবাদী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হৈছে।

- ধৰ্মনিৰপেক্ষতাৰ অৰ্থ হৈছে ৰাষ্ট্ৰৰ কোনো চৰকাৰী ধৰ্ম নাই। প্ৰতিজন নাগৰিকৰ যিকোনো ধৰ্ম পালন কৰা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা আছে অথবা কোনো ধৰ্ম নামানিবও পাৰে। চৰকাৰে সকলো ধৰ্মক সমানে আচৰণ কৰে আৰু ধৰ্মীয় বিষয়ত এক নিৰপেক্ষ অৱস্থান লয়।
- সমাজবাদে সামাজিক আৰু অৰ্থনৈতিক সমতা স্থাপন কৰাৰ লক্ষ্য প্ৰকাশ কৰে। সংবিধানে ৰাষ্ট্ৰক আয় আৰু সম্পত্তিৰ অসমতা হ্ৰাস কৰা আৰু সকলো নাগৰিকৰ বাবে সন্মানজনক জীৱন-যাপনৰ সুযোগ প্ৰদান কৰাৰ বাবে নিৰ্দেশ দিয়ে।

(৫) **গতিশীল প্ৰকৃতি (Dynamic in Character) ঃ** ভাৰতীয় সংবিধান এক গতিশীল আৰু জীৱন্ত দলিল, ই স্থিৰ নহয়। ই ন্যায়িক ব্যাখ্যা, সংশোধনী আৰু সামাজিক-ৰাজনৈতিক পৰিবৰ্তনৰ জৰিয়তে বিকাশ লাভ কৰে। উচ্চতম ন্যায়ালয় আৰু উচ্চন্যায়ালয়সমূহে সংবিধানৰ ব্যাখ্যা কৰি ইয়াৰ নীতিসমূহ আধুনিক সময়ত প্ৰয়োগ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গুৰুত্বপূৰ্ণ ৰায় আৰু সংশোধনীৰ জৰিয়তে সংবিধানে আধুনিক ভাৰতৰ আকাংক্ষা আৰু প্ৰত্যাহ্বানসমূহৰ সৈতে সদায় খাপ খুৱাই আহিছে।

**সংবিধানৰ গুৰুত্ব (Importance of the Constitution) ঃ**

(১) ই শাসন ব্যৱস্থাত স্থিৰতা আৰু শৃংখলা প্ৰদান কৰে।
(২) ই নাগৰিকসকলৰ অধিকাৰ আৰু স্বাধীনতা সুৰক্ষিত ৰাখে।
(৩) ই সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় নিশ্চিত কৰে।
(৪) ই ৰাষ্ট্ৰৰ ঐক্য আৰু অখণ্ডতা বৃদ্ধি কৰে।
(৫) ই ভাৰতত গণতন্ত্ৰৰ ৰক্ষক হিচাপে কাম কৰে।

ভাৰতীয় সংবিধান কেৱল এক আইনী দলিলেই নহয়, ই ৰাষ্ট্ৰৰ এক নৈতিক আৰু ৰাজনৈতিক ঘোষণাপত্ৰও। ই সংবিধান ৰচয়িতাসকলৰ স্বাধীন, গণতান্ত্ৰিক আৰু অন্তৰ্ভুক্তিমূলক ভাৰত গঢ়াৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে। ইয়াৰ নমনীয়তা আৰু অগ্ৰগতিশীল স্বৰূপে সময়ৰ লগে লগে নতুন প্ৰত্যাহ্বানৰ সৈতে খাপ খুৱাবলৈ সক্ষম হৈছে। সংবিধানৰ প্ৰকৃতি বুজিলে প্ৰতিজন নাগৰিকে স্বাধীনতা, সমতা আৰু ন্যায়ৰ মূল্যবোধসমূহ বুজি পাব পাৰে, যিবোৰ আমাৰ গণতন্ত্ৰৰ ভিত্তি।

## সাংবিধানিক কৰ্তব্য (Constitutional Obligation) ঃ

ভাৰতৰ সংবিধানে নাগৰিকসকলক কেৱল অধিকাৰেই নিশ্চয়তা নিদিয়ে, লগতে কিছুমান কৰ্তব্য পালন কৰাৰো আশা কৰে। এই কৰ্তব্যসমূহক 'সংবিধানিক কৰ্তব্য' বুলি কোৱা হয়। এইবোৰে নাগৰিকসকলক সোঁৱৰাই দিয়ে যে নিজৰ অধিকাৰ উপভোগ কৰাৰ লগতে তেওঁলোকৰ দেশ, সমাজ আৰু পৰিবেশৰ প্ৰতি দায়িত্বও আছে।

এক গণতান্ত্রিক ব্যৱস্থা সফলভাৱে চলিবলৈ নাগৰিকসকলে আইন মানি চলা, নৈতিক মূল্যবোধ বজাই ৰখা আৰু ৰাষ্ট্ৰ গঠনত সক্রিয়ভাৱে অংশগ্রহণ কৰা অতি প্রয়োজন। এই কৰ্তব্যসমূহ ভাৰতৰ দৰে বৈচিত্র্যপূর্ণ দেশত ঐক্য, শান্তি আৰু স্থায়ী উন্নয়ন বজাই ৰাখিবলৈ অতি গুৰুত্বপূর্ণ।

## সাংবিধানিক কৰ্তব্যৰ ধাৰণা (Concept of Constitutional Obligations) ঃ

'সাংবিধানিক কৰ্তব্য' শব্দটোৱে সেই দায়িত্ব আৰু কৰ্তব্যসমূহক বুজায়, যিবোৰ দেশৰ মঙ্গলৰ বাবে প্রতিজন নাগৰিকে পালন কৰিব লাগিব।

ভাৰতত এই কৰ্তব্যসমূহ মূলতঃ 'মৌলিক কৰ্তব্য'ৰ জৰিয়তে প্রকাশ পায়, যিবোৰ সংবিধানৰ অংশ IVA (অনুচ্ছেদ 51A)ত অন্তৰ্ভুক্ত কৰা হৈছে। এইবোৰে প্রতিজন নাগৰিকক দায়িত্বশীলভাৱে আচৰণ কৰা, ৰাষ্ট্ৰীয় মূল্যবোধৰ সন্মান কৰা আৰু সামাজিক তথা পৰিবেশগত কল্যাণত অৱদান আগবঢ়াবলৈ সোঁৰৰাই দিয়ে।

## মৌলিক কৰ্তব্যৰ উৎপত্তি (Origin of Fundamental Duties) ঃ

প্রথমতে ভাৰতীয় সংবিধানত মৌলিক কৰ্তব্যৰ কোনো সূচী নাছিল। কিন্তু নাগৰিকৰ দায়িত্বৰ প্রয়োজনীয়তা বাঢ়ি অহাৰ বাবে ১৯৭৬ চনৰ ৪২তম সংবিধান সংশোধনী আইন (জৰুৰীকালীন সময়ত) অনুচ্ছেদ 51A সংযোজন কৰি ১০টা মৌলিক কৰ্তব্য সংযোজন কৰা হয়।

পিছত ২০০২ চনৰ ৮৬তম সংশোধনী আইনে শিক্ষাৰ সৈতে জড়িত এটা নতুন কৰ্তব্য যোগ কৰে, যাৰ ফলত মুঠ মৌলিক কৰ্তব্যৰ সংখ্যা ১১টা হয়।

## মৌলিক কৰ্তব্যসমূহৰ তালিকা (অনুচ্ছেদ 51A) ঃ

**প্রতিজন ভাৰতীয় নাগৰিকে—**

(১) সংবিধান মানি চলিব লাগিব আৰু ইয়াৰ আদর্শ, ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰ প্ৰতি সন্মান জনাব লাগিব।

(২) স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদর্শসমূহক সন্মান আৰু অনুসৰণ কৰিব লাগিব।

(৩) ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা আৰু সংৰক্ষণ কৰিব লাগিব।

(৪) দেশ ৰক্ষা কৰিব লাগিব আৰু প্রয়োজন হ'লে ৰাষ্ট্ৰীয় সেৱা আগবঢ়াব লাগিব।

(৫) ধৰ্ম, ভাষা আৰু আঞ্চলিক বৈচিত্র্য অতিক্ৰম কৰি সকলো ভাৰতীয় লোকৰ মাজত ঐক্য আৰু ভ্ৰাতৃত্বৰ ভাৱ গঢ়ি তুলিব লাগিব।

(৬) আমাৰ সংমিশ্ৰিত সংস্কৃতিৰ সমৃদ্ধ ঐতিহ্যৰ সন্মান আৰু সংৰক্ষণ কৰিব লাগিব।

(৭) বন, জলাশয়, নদী আৰু জীৱ-জন্তু আদি সামৰি প্ৰাকৃতিক পৰিবেশ সুৰক্ষিত আৰু উন্নত কৰিব লাগিব আৰু সকলো জীৱ-জন্তুৰ প্ৰতি দয়া দেখুৱাব লাগিব।

(৮) বৈজ্ঞানিক মনোভাৱ, মানবতা আৰু অনুসন্ধান আৰু সংস্কাৰৰ মনোভাৱৰ বিকাশ কৰিব লাগিব।

(৯) ৰাজহুৱা সম্পত্তি সুৰক্ষিত ৰাখিব লাগিব আৰু হিংসা ত্যাগ কৰিব লাগিব।

(১০) ব্যক্তিগত আৰু সামূহিক সকলো ক্ষেত্ৰত উৎকৃষ্টতাৰ বাবে চেষ্টা কৰিব লাগিব।

(১১) (২০০২ চনৰ ৮৬তম সংশোধনী অনুসাৰে সংযোজিত) — ৬ৰ পৰা ১৪ বছৰৰ বয়সৰ সন্তানক অভিভাৱকে শিক্ষাৰ সুযোগ নিশ্চিত কৰিব লাগিব।

## সাংবিধানিক কৰ্তব্যৰ তাৎপৰ্য (Significance of Constitutional Obligations) ঃ

মৌলিক কৰ্তব্যসমূহে দেশৰ নৈতিক আৰু নাগৰিক ভিত্তি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ গুৰুত্ব তলত দিয়া ধৰণে বুজা যায়—

(১) **ৰাষ্ট্ৰীয় ঐক্য আৰু অখণ্ডতা বৃদ্ধি কৰে ঃ** ই নাগৰিকসকলক দেশৰ ঐক্য আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰিবলৈ সোঁৱৰাই দিয়ে।

(২) **সামাজিক সমন্বয় নিশ্চিত কৰে ঃ** ভ্ৰাতৃত্বৰ ভাৱ গঢ়ি তোলা আৰু বৈচিত্ৰ্যৰ প্ৰতি সন্মান জনোৱাৰ দৰে কৰ্তব্যসমূহে সামাজিক সমতা আৰু শান্তি বজাই ৰাখে।

(৩) **সাংস্কৃতিক আৰু পৰিৱেশগত ঐতিহ্য সুৰক্ষিত কৰে ঃ** নাগৰিকসকলক ভাৰতৰ বৈচিত্ৰ্যময় সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰিবলৈ উৎসাহিত কৰে।

(৪) **শৃংখলা আৰু দেশপ্ৰেম বৃদ্ধি কৰে ঃ** ৰাষ্ট্ৰীয় প্ৰতীকসমূহৰ সন্মান কৰা আৰু দেশৰ ৰক্ষাৰ দায়িত্ব গ্ৰহণে দেশপ্ৰেমৰ ভাৱ বৃদ্ধি কৰে।

(৫) **গণতান্ত্ৰিক শাসন ব্যৱস্থাক শক্তিশালী কৰে ঃ** গণতন্ত্ৰ সফল হ'বলৈ নাগৰিকসকলে নিজৰ অধিকাৰৰ লগতে কৰ্তব্যসমূহো দায়িত্বশীলভাৱে পালন কৰিব লাগিব।

## সাংবিধানিক কৰ্তব্য হিচাপে পৰিৱেশৰ দায়িত্ব (Environmental Responsibility as a Constitutional Duty) ঃ

পৰিৱেশ সুৰক্ষাই মৌলিক কৰ্তব্যসমূহৰ ভিতৰত বিশেষ স্থান অধিকাৰ কৰিছে।

সংবিধানৰ অনুচ্ছেদ 51A(g) অনুসাৰে—"ভাৰতৰ প্ৰতিজন নাগৰিকৰ কৰ্তব্য হৈছে বন, হ্ৰদ, নদী আৰু জীৱ-জন্তুসহ প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত আৰু উন্নত কৰা আৰু সকলো জীৱৰ প্ৰতি দয়া দেখুওৱা।"

এই অনুচ্ছেদে প্ৰতিজন নাগৰিকক পৰিৱেশ সংৰক্ষণত সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে প্ৰতিষ্ঠা কৰে। ইয়াৰ অৰ্থ হৈছে—

- বায়ু, পানী বা মাটিত প্ৰদূষণ সৃষ্টি কৰা কামৰ পৰা বিৰত থকা।
- গছপুলি ৰোপণ আৰু পৰিষ্কাৰ অভিযানত অংশগ্ৰহণ কৰা।
- জীৱ-জন্তু আৰু জৈৱ-বৈচিত্ৰ্যক সন্মান কৰা।
- প্ৰাকৃতিক সম্পদবোৰ বুদ্ধিৰে আৰু দীঘলীয়া সময়লৈ ক্ষতি নোহোৱাকৈ ব্যৱহাৰ কৰা।

এই কৰ্তব্যটো অনুচ্ছেদ 48A ৰ সৈতে জড়িত, যি ৰাজ্যৰ নীতি-নির্দেশক তত্ত্বৰ অংশ আৰু চৰকাৰক পৰিৱেশ সুৰক্ষা আৰু উন্নয়ন কৰিবলৈ নির্দেশ দিয়ে। এই দুয়োটাই একেলগে ভাৰতত পৰিৱেশ সুৰক্ষাৰ সাংবিধানিক ভিত্তি গঠন কৰে।

## অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্ক (Relationship between Rights and Duties) ঃ

মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্য এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে।

- **অধিকাৰে** আমাক স্বাধীনতা আৰু সুযোগ প্ৰদান কৰে।
- **কৰ্তব্যই** আমাক আনৰ প্ৰতি আৰু ৰাষ্ট্ৰৰ প্ৰতি আমাৰ দায়িত্বৰ কথা সোঁৰৰাই দিয়ে।

**উদাহৰণস্বৰূপে—**

- আমাৰ বাক্-স্বাধীনতাৰ অধিকাৰ আছে, কিন্তু ইয়াক দায়িত্বশীলভাৱে ব্যৱহাৰ কৰিব লাগিব, যাতে ঘৃণা বা ভ্ৰান্ত তথ্য প্ৰচাৰ নকৰে।
- আমি জীৱনৰ অধিকাৰ উপভোগ কৰো, কিন্তু জীৱন ধৰি ৰখা পৰিৱেশক ক্ষতি কৰা উচিত নহয়।

সেয়েহে অধিকাৰ আৰু কৰ্তব্য পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল— এটাৰ অনুপস্থিতিত আনটোৱেও সঠিক অৰ্থত অস্তিত্ব ৰাখিব নোৱাৰে।

## সাংবিধানিক কৰ্তব্য পালনত নাগৰিকৰ ভূমিকা (Role of Citizens in Upholding Constitutional Obligations) ঃ

দায়িত্বশীল নাগৰিক হিচাপে আমি তলত দিয়া ধৰণে আমাৰ সাংবিধানিক কৰ্তব্য পালন কৰিব পাৰো—

(১) ৰাষ্ট্ৰীয় প্ৰতীক আৰু মূল্যবোধৰ সন্মান কৰা।

(২) সমাজ উন্নয়ন আৰু পৰিষ্কৰণ অভিযানত অংশগ্ৰহণ কৰা।

(৩) শান্তি, সহনশীলতা আৰু লিংগ সমতা প্ৰচাৰ কৰা।

(৪) শক্তি, পানী আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ কৰা।

(৫) শিশু আৰু বঞ্চিত লোকসকলৰ শিক্ষাত সহায় কৰা।

(৬) সমাজত আইনসন্মত আৰু নৈতিক আচৰণ সমৰ্থন কৰা।

এই মূল্যবোধসমূহ অনুসৰণ কৰিলে নাগৰিকসকলে গণতন্ত্ৰক শক্তিশালী কৰে আৰু ভাৰতৰ বাবে এটা বহনক্ষম ভৱিষ্যত নিশ্চিত কৰে।

ভাৰতীয় নাগৰিকসকলৰ সাংবিধানিক কৰ্তব্যসমূহ দায়িত্বশীল নাগৰিকত্বৰ পথপ্ৰদৰ্শক। এইবোৰে প্ৰতিজন ব্যক্তিক সোঁৰৰাই দিয়ে যে গণতন্ত্ৰ কেৱল অধিকাৰ উপভোগ কৰাৰ বিষয় নহয়, লগতে কৰ্তব্য পালন কৰাৰো

বিষয়। এই কৰ্তব্যসমূহৰ ভিতৰত পৰিৱেশ সুৰক্ষাই বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰিছে। সততা আৰু দায়িত্বৰে সৈতে এই কৰ্তব্যসমূহ পালন কৰি আমি এখন শক্তিশালী, শান্তিপূৰ্ণ আৰু পৰিৱেশ-সচেতন দেশ গঢ়ি তোলাত অৰদান আগবঢ়াব পাৰোঁ।

## মূল শব্দসমূহ (Key Terms) ঃ

| শব্দ | অৰ্থ |
|---|---|
| সংবিধান | এখন দেশৰ শাসন ব্যৱস্থাক নিৰ্দেশ কৰা সৰ্বোচ্চ আইন। |
| প্ৰস্তাৱনা | সংবিধানৰ আদৰ্শ আৰু উদ্দেশ্য প্ৰকাশ কৰা আৰম্ভণিৰ অংশ। |
| সাৰ্বভৌমত্ব | এখন ৰাষ্ট্ৰৰ বাহ্যিক নিয়ন্ত্ৰণৰ পৰা মুক্ত স্বাধীনতা। |
| গণতন্ত্ৰ | জনসাধাৰণৰ দ্বাৰা, জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ শাসন। |
| ধৰ্মনিৰপেক্ষতা | সকলো ধৰ্মৰ প্ৰতি সমান সন্মান। |
| মৌলিক কৰ্তব্য | সংবিধানৰ অনুচ্ছেদ 51A অনুসাৰে প্ৰতিজন নাগৰিকৰ দায়িত্বসমূহ। |
| ৪২তম সংশোধনী (১৯৭৬) | যি সংশোধনীয়ে মৌলিক কৰ্তব্য সংযোজন কৰিছিল। |
| সংবিধানিক কৰ্তব্য | সংবিধান অনুসাৰে নাগৰিকসকলে পালন কৰিবলগীয়া দায়িত্ব। |
| অনুচ্ছেদ ৫১A(g) | পৰিৱেশ সুৰক্ষা আৰু উন্নয়নৰ বাবে নাগৰিকৰ কৰ্তব্য। |
| সাৰ্বভৌমত্ব | এখন ৰাষ্ট্ৰৰ নিজে নিজে শাসন কৰাৰ সৰ্বোচ্চ ক্ষমতা। |

## প্ৰশ্নাৱলী

### ? বহুনিৰ্বাচনী প্ৰশ্ন (Multiple Choice Questions) ঃ

১। ভাৰতৰ সংবিধান গ্ৰহণ কৰা হৈছিল—
(a) ১৫ আগষ্ট ১৯৪৭ (b) ২৬ জানুৱাৰী ১৯৫০
(c) ২৬ নৱেম্বৰ ১৯৪৯ (d) ২ অক্টোবৰ ১৯৫০

২। ভাৰতৰ সংবিধান কাৰ্যকৰী হৈছিল—
(a) ১৫ আগষ্ট ১৯৪৭ (b) ২৬ জানুৱাৰী ১৯৫০
(c) ২৬ নৱেম্বৰ ১৯৪৯ (d) ১ জানুৱাৰী ১৯৫০

৩। সংবিধানক কোৱা হয়—

(a) সাধাৰণ আইন (b) দেশৰ সৰ্বোচ্চ আইন

(c) ধৰ্মীয় আইন (d) প্ৰচলিত আইন

৪। প্ৰস্তাৱনাই ভাৰতক ঘোষণা কৰে—

(a) ৰাজতন্ত্ৰ

(b) একনায়কত্ব

(c) সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য

(d) সংঘীয় ৰাজতন্ত্ৰ

৫। ভাৰতীয় সংবিধান হৈছে—

(a) আটাইতকৈ সৰু সংবিধান (b) আটাইতকৈ দীঘল লিখিত সংবিধান

(c) আটাইতকৈ পুৰণি সংবিধান (d) আটাইতকৈ সহজ সংবিধান

৬। সাৰ্বভৌমত্বই বুজায়—

(a) আন দেশৰ ওপৰত নিৰ্ভৰতা (b) বাহ্যিক নিয়ন্ত্ৰণৰ পৰা স্বাধীনতা

(c) ধৰ্মীয় স্বাধীনতা (d) সমতা

৭। ধৰ্মনিৰপেক্ষতাই বুজায়—

(a) কেৱল এটা ধৰ্ম (b) কোনো ধৰ্ম নাই

(c) সকলো ধৰ্মৰ প্ৰতি সমান সন্মান (d) চৰকাৰী ধৰ্ম

৮। গণতন্ত্ৰই বুজায়—

(a) ৰজাৰ শাসন (b) সেনাৰ শাসন

(c) জনসাধাৰণৰ শাসন (d) ন্যায়াধীশৰ শাসন

৯। গণৰাজ্যই বুজায়—

(a) বংশগত শাসক (b) নিৰ্বাচিত ৰাষ্ট্ৰপ্ৰধান

(c) ধৰ্মীয় প্ৰধান (d) সামৰিক প্ৰধান

১০। ভাৰতীয় সংবিধানত আছে—

(a) ৩৯৫টা অনুচ্ছেদ (b) ৪৪৮টা অনুচ্ছেদ

(c) ৪৭০টা অনুচ্ছেদ (d) ৬০০টা অনুচ্ছেদ

১১। সংবিধানে ক্ষমতা বিভাজন কৰে—

(a) নাগৰিক আৰু আদালতৰ মাজত (b) কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত

(c) শিক্ষক আৰু ছাত্ৰৰ মাজত (d) সেনা আৰু আৰক্ষীৰ মাজত

১২। ভাৰতীয় ব্যৱস্থা হৈছে—

(a) সম্পূৰ্ণ এককেন্দ্ৰীয় (b) সম্পূৰ্ণ যুক্তৰাষ্ট্ৰ

(c) এককেন্দ্ৰীয় প্ৰৱণতাৰ সৈতে যুক্তৰাষ্ট্ৰীয় (d) ৰাজতন্ত্ৰ

১৩। মৌলিক কৰ্তব্যসমূহ অন্তৰ্ভুক্ত কৰা হৈছে—

(a) অনুচ্ছেদ ২১ (b) অনুচ্ছেদ ৩২

(c) অনুচ্ছেদ ৫১ (d) অনুচ্ছেদ ৩৬৮

১৪। মৌলিক কৰ্তব্যসমূহ সংযোজন কৰা হৈছিল—

(a) ৪৪তম সংশোধনী (b) ৪২তম সংশোধনী

(c) ৮৬তম সংশোধনী (d) ৭৩তম সংশোধনী

১৫। বৰ্তমান মৌলিক কৰ্তব্যৰ সংখ্যা হৈছে—

(a) ১০ (b) ১১

(c) ১২ (d) ৯

১৬। ন্যায়পালিকা হৈছে—

(a) নিৰ্ভৰশীল (b) স্বতন্ত্ৰ

(c) সংসদৰ নিয়ন্ত্ৰণত (d) ৰাষ্ট্ৰপতিৰ নিয়ন্ত্ৰণত

১৭। নিৰ্দেশাত্মক নীতিসমূহ হৈছে—

(a) বলবৎ আইন (b) চৰকাৰৰ বাবে দিশ-নিৰ্দেশনা

(c) আদালতৰ আদেশ (d) শাস্তি

১৮। অনুচ্ছেদ ৫১A(g) সম্পৰ্কিত—

(a) শিক্ষা (b) পৰিবেশ সুৰক্ষা

(c) নিৰ্বাচন (d) কৰ

১৯। সংবিধান সংশোধন কৰিব পৰা যায়—

(a) অনুচ্ছেদ ২১ (b) অনুচ্ছেদ ৩২

(c) অনুচ্ছেদ ৩৬৮ (d) অনুচ্ছেদ ৩৭০

২০। সংবিধানে প্ৰসাৰিত কৰে—

(a) বিভাজন (b) অসমতা

(c) ঐক্য আৰু অখণ্ডতা (d) ৰাজতন্ত্ৰ

## অতি চুটি উত্তৰৰ প্ৰশ্ন (Very Short Answer Questions) ঃ

১। সাংবিধানিক কৰ্তব্য বুলিলে কি বুজা যায়?

২। ভাৰতীয় সংবিধানত কিমানটা মৌলিক কৰ্তব্য আছে?

৩। পৰিৱেশ সুৰক্ষাৰ সৈতে জড়িত অনুচ্ছেদ কোনটো?

৪। কেতিয়া সংবিধানত মৌলিক কৰ্তব্য সংযোজন কৰা হৈছিল?

## চুটি উত্তৰৰ প্ৰশ্ন (Short Answer Questions) ঃ

১। গণতান্ত্ৰিক দেশত মৌলিক কৰ্তব্যৰ গুৰুত্ব ব্যাখ্যা কৰা।

২। নাগৰিকসকলৰ যিকোনো তিনিটা মৌলিক কৰ্তব্য বৰ্ণনা কৰা।

৩। অনুচ্ছেদ 51A(g)ৰ গুৰুত্ব কি?

৪। অধিকাৰ আৰু কৰ্তব্যৰ মাজত সম্পৰ্ক কেনেকুৱা?

## দীঘল উত্তৰৰ প্ৰশ্ন (Long Answer Questions) ঃ

১। ভাৰতীয় নাগৰিকসকলৰ সাংবিধানিক কৰ্তব্যসমূহ আলোচনা কৰা আৰু ৰাষ্ট্ৰ গঠনত ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰা।

২। অনুচ্ছেদ 51A(g)ৰ সৈতে সম্পৰ্ক ৰাখি মৌলিক কৰ্তব্য আৰু পৰিৱেশ সুৰক্ষাৰ মাজৰ সম্পৰ্ক বিশ্লেষণ কৰা।

## কাৰ্যকলাপ আৰু নিযুক্তি (Activities and Assignments) ঃ

১। **শ্ৰেণীকক্ষৰ আলোচনা ঃ** ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ নিজৰ মৌলিক কৰ্তব্যৰ অংশ হিচাপে পৰিৱেশ সুৰক্ষাত অৰদান আগবঢ়াব পাৰে, এই বিষয়ে আলোচনা কৰা।

২। **পোষ্টাৰ / চাৰ্ট কাৰ্যকলাপ ঃ** ১১টা মৌলিক কৰ্তব্য দেখুৱাই এক ৰঙীন চাৰ্ট প্ৰস্তুত কৰা আৰু শ্ৰেণীকোঠাত প্ৰদৰ্শন কৰা।

৩। **ক্ষেত্ৰ প্ৰকল্প (Field Project) ঃ** নিজৰ অঞ্চলত গছপুলি ৰোপণ বা পৰিষ্কৰণ অভিযানত অংশগ্ৰহণ কৰা। এনে কাৰ্যকলাপে কেনেকৈ সংবিধানিক কৰ্তব্য পূৰণ কৰে তাৰ ওপৰত এখন চুটি প্ৰতিবেদন লিখা।

৪। **প্ৰবন্ধ লিখন ঃ** "ভাৰতৰ এজন দায়িত্বশীল নাগৰিক হিচাপে মোৰ ভূমিকা" শীৰ্ষক এটা প্ৰবন্ধ লিখা।

৫। **দলীয়ভাৱে উপস্থাপন ঃ** "ভাৰতীয় সংবিধানে কেনেদৰে নাগৰিকসকলক পৰিৱেশ সুৰক্ষাৰ বাবে অনুপ্ৰাণিত কৰে" এই বিষয়ত দলীয়ভাৱে টোকা প্ৰস্তুত কৰি উপস্থাপন কৰা।

## ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্যকলাপ/নিযুক্তি (Activity/Assignment for Students) ঃ

১। **কাৰ্যকলাপ ঃ** ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহ দেখুৱাই এখন চাৰ্ট প্ৰস্তুত কৰি নিজৰ বহীত সংলগ্ন কৰা।

২। **প্ৰদত্তকৰ্মৰ প্ৰশ্নসমূহ ঃ**

(ক) সংবিধান কি?

(খ) প্ৰস্তাৱনাৰ অৰ্থ ব্যাখ্যা কৰা।

(গ) ভাৰতীয় সংবিধানৰ যিকোনো তিনিটা মুখ্য বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) "ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ" বুলিলে কি বুজা যায়?

(ঙ) "ভাৰতীয় সংবিধানৰ প্ৰকৃতি"ৰ ওপৰত এটি চুটি টোকা লিখা।

## আলোচনাৰ বাবে (For Discussion) ঃ

- তুমি কিয় ভাবা যে ভাৰতীয় সংবিধানক "জীৱন্ত দলিল" বুলি কোৱা হয়?
- সংবিধানে ভাৰতত বৈচিত্ৰ্যৰ মাজত ঐক্য কেনেদৰে বৰ্তাই ৰাখিবলৈ সহায় কৰে?

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (c) | 2. (b) | 3. (b) | 4. (c) |
| 5. (b) | 6. (b) | 7. (c) | 8. (c) |
| 9. (b) | 10. (c) | 11. (b) | 12. (c) |
| 13. (c) | 14. (b) | 15. (b) | 16. (b) |
| 17. (b) | 18. (b) | 19. (c) | 20. (c) |

■ ■ ■

# অধ্যায় ৭

# প্ৰকৃতি আৰু সংৰক্ষণ
# (Nature and Conservation)

## পৰিচয় ঃ সহাৱস্থানৰ সম্পৰ্ক (Introduction : The Symbiotic Bond) ঃ

মানৱজাতিৰ ইতিহাস প্ৰকৃতিৰ অবিহনে লিখিব নোৱাৰি। শতিকা ধৰি বন, নদী, সাগৰ আৰু পাহাৰে মানুহৰ সভ্যতাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মানুহৰ অস্তিত্ব প্ৰকৃতিৰ সৈতে গভীৰভাৱে সংযুক্ত। এই দুয়োটাৰ মাজৰ সম্পৰ্ক প্ৰকৃতিয়ে সুষমভাৱে বজাই ৰাখিছে। কিন্তু কালক্ৰমত মানুহ আৰু পৰিৱেশৰ এই সম্পৰ্ক 'সন্মানৰ পৰা আধিপত্য'ৰ (one of reverence to one of dominance) দিশলৈ সলনি হৈছে।

বৰ্তমান যুগ, অৰ্থাৎ 'এন্‌থ্ৰ'প'চিন' (Anthropocene), ভূ-তাত্ত্বিক সময়ৰ আটাইতকৈ নতুন পৰ্যায় বুলি গণ্য কৰা হয়, য'ত মানুহৰ কাৰ্যকলাপে পৃথিৱীৰ জলবায়ু আৰু পৰিৱেশত গভীৰ প্ৰভাৱ পেলাইছে।

সংৰক্ষণ এতিয়া কেৱল এটা বিশেষ ৰুচিৰ বিষয় নহয়, বৰং অস্তিত্ব ৰক্ষাৰ বাবে ই অত্যাৱশ্যকীয় হৈ পৰিছে।

আধুনিক বিজ্ঞানৰ মতে, পৰিৱেশে মানুহৰ স্বাস্থ্যৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। **'গাইয়া ধাৰণা'** (Gaia Hypothesis) অনুসৰি, পৃথিৱী এটা একক, নিজে নিজে নিয়ন্ত্ৰিত জীৱন্ত সংগঠন। এই "জীৱন্ত" গ্ৰহটোৰ যিকোনো এটা অংশ যেনে— জলবায়ু-বিঘ্নিত হ'লে সম্পূৰ্ণ ব্যৱস্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সেয়েহে, সঠিক পদক্ষেপ ল'বলৈ যোৱাৰ আগতে এই আন্তঃসংযোগ বুজা অতিকে প্ৰয়োজন।

## প্ৰকৃতি অধ্যয়নৰ গুৰুত্ব আৰু প্ৰভাৱ (Importance and Impact of Nature Learning) ঃ

প্ৰকৃতিৰ বিষয়ে শিকাটো কেৱল জীৱবিজ্ঞানৰ শব্দ শিকা নহয়, ই পৰিৱেশ সচেতনতা গঢ়ি তোলাৰো বিষয়। প্ৰকৃতিৰ বিষয়ে শিক্ষা লাভ আৰু বাহিৰত হাতে-কামে কৰা অভিজ্ঞতা শ্ৰেণীকোঠাত অন্তৰ্ভুক্ত কৰিলে মানসিক বিকাশ, শাৰীৰিক স্বাস্থ্য আৰু অনুভূতিক সুস্থতা যথেষ্ট উন্নত হয়।

- **সংজ্ঞাত্মক আৰু মানসিক স্বাস্থ্য (Cognitive and Mental Health)ঃ** গৱেষকসকলে আধুনিক জীৱনশৈলীক "প্ৰকৃতিৰ অভাৱজনিত ৰোগ" (Nature Deficit Disorder) বুলি কয়। সেউজীয়া পৰিৱেশৰ সৈতে সংস্পৰ্শত থাকিলে সৃষ্টিশীলতা বৃদ্ধি পায়, মনোযোগৰ ক্ষমতা দীঘলীয়া হয় আৰু মানসিক চাপ কমে। 'বায়োফিলিয়া ধাৰণা' (Biophilia Hypothesis) অনুসাৰে, মানুহৰ ভিতৰত প্ৰকৃতি আৰু আন জীৱৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ এটা স্বাভাৱিক প্ৰৱণতা থাকে।
- **পৰিৱেশৰ প্ৰতি সহানুভূতিৰ বিকাশ (Developing Empathy for the Environment)ঃ** যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে বনাঞ্চল বা জলাহভূমিত ক্ষেত্ৰভ্ৰমণ আদি কাৰ্যকলাপত অংশগ্ৰহণ কৰে, তেতিয়া তেওঁলোকে কেৱল দৰ্শক হৈ নাথাকি পৰিৱেশৰ দায়িত্ব লোৱা ব্যক্তি হৈ পৰে। ইয়াৰ ফলত "পৰিৱেশ নৈতিকতা" গঢ়ি উঠে, য'ত পৰিৱেশ সংৰক্ষণক কেৱল আইনী বাধ্যবাধকতা নহয়, নৈতিক দায়িত্ব হিচাপে দেখা যায়।
- **পৰিৱেশ সুৰক্ষাৰ সচেতনতা (Environment Policing)ঃ** প্ৰকৃতিৰ বিষয়ে শিক্ষা লাভে যুৱ প্ৰজন্মক অসংগত আৰু পৰিৱেশ-বিৰোধী শিল্প কাৰ্যকলাপৰ বিৰুদ্ধে মাত দিবলৈ সাহস যোগায়। "Fridays for Future" আদি আন্দোলনে দেখুৱায় যে পৰিৱেশৰ বিষয়ে জ্ঞান থকা ছাত্ৰ-ছাত্ৰীসকলেই নীতি পৰিবৰ্তনৰ বাবে শক্তিশালী কণ্ঠস্বৰ হৈ উঠিব পাৰে।

## পৰিৱেশ সুৰক্ষা ঃ স্থায়িত্বৰ বাবে কৌশল (Protection of the Environment : Strategies for Resilience) ঃ

পৰিৱেশ সুৰক্ষাৰ বাবে বায়ু, পানী আৰু মাটিৰ পূৰ্ণতা ৰক্ষা কৰা এক বহুমুখী কৌশলৰ প্ৰয়োজন। জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱৰ সৈতে মোকাবিলা কৰিবলৈ সমাজৰ অংশগ্ৰহণ, পুনৰ্নৱীকৰণযোগ্য শক্তি আৰু প্ৰকৃতি-ভিত্তিক সমাধানসমূহ একেলগে ব্যৱহাৰ কৰা প্ৰয়োজন। কাৰ্বন নিৰ্গমন হ্ৰাস কৰা, পৰিৱেশ পুনৰুদ্ধাৰ কৰা, স্থায়ী পৰিকাঠামোত বিনিয়োগ কৰা আৰু "চাৰ্কুলাৰ অৰ্থনীতি" ব্যৱস্থা গ্ৰহণ কৰা আৱৰ্জনা হ্ৰাসৰ গুৰুত্বপূৰ্ণ উপায়।

- **প্ৰদূষণ সংকট নিয়ন্ত্ৰণ (Mitigating the Pollution Crisis)ঃ** আমি "ডাঙৰ তিনিটা" ক্ষেত্ৰত মনোনিৱেশ কৰিব লাগিব—

১. **বায়ুমণ্ডলীয় স্বাস্থ্য (Atmospheric Health)ঃ** বিশ্ব উষ্ণতা বৃদ্ধি ৰোধ কৰিবলৈ $CO_2$ আৰু $CH_4$ আদি গ্ৰীণহাউচ গেছৰ পৰিমাণ কমাব লাগিব। আন্তঃৰাষ্ট্ৰীয় নীতি যেনে— 'পেৰিছ চুক্তি' (Paris Agreement), যাৰ লক্ষ্য বিশ্ব উষ্ণতা 2°C তলত সীমাবদ্ধ ৰখা, বুজাটো অত্যন্ত প্ৰয়োজন; যাতে স্থানীয় পদক্ষেপসমূহে বিশ্বব্যাপী লক্ষ্য পূৰণত সহায় কৰে।

২. **জলীয় স্বাস্থ্য (Hydrological Health)ঃ** ভূগৰ্ভস্থ পানীত গধুৰ ধাতু প্ৰৱেশ বন্ধ কৰা আৰু সাগৰত প্লাষ্টিক প্ৰদূষণ (plastic soup) নিয়ন্ত্ৰণ কৰা অতি প্ৰয়োজন।

৩. **মাটিৰ সুৰক্ষা (Maintaining Soil Integrity) ঃ** কৃষি পদ্ধতিত অধিক পৰিমাণৰ ৰাসায়নিক সাৰ ব্যৱহাৰৰ ফলত হোৱা প্ৰদূষণ হ্ৰাস কৰিব লাগিব।

● **চক্ৰীয় অৰ্থনীতি (The Circular Economy) ঃ** বৰ্তমান আমি অনুসৰণ কৰা "লিনিয়াৰ অৰ্থনীতি" (Take–Make–Waste) ব্যৱস্থা পৰিৱেশ সুৰক্ষাৰ বাবে আমাক "চাৰ্কুলাৰ অৰ্থনীতি"লৈ সলনি কৰিব লাগিব।

এই পদ্ধতিত এনে সামগ্ৰী তৈয়াৰ কৰা হয় যিবোৰ সম্পূৰ্ণৰূপে পুনঃব্যৱহাৰযোগ্য, মেৰামতি কৰিব পৰা বা পুনঃচক্ৰীয় কৰিব পৰা। ইয়াৰ মূল লক্ষ্য হৈছে আৱৰ্জনা সম্পূৰ্ণৰূপে নাশ কৰা আৰু সম্পদসমূহ এক অবিৰত চক্ৰত ব্যৱহাৰ কৰি ৰখা।




**(উৎস ঃ Shutterstock-ৰ সংগ্ৰহীত ছবি)**

● **গোলকীয় নীতি (Global Policy) ঃ** পেৰিছ চুক্তি (Paris Agreement)ৰ দৰে আন্তঃৰাষ্ট্ৰীয় নীতিসমূহ বুজাটো অত্যন্ত গুৰুত্বপূৰ্ণ। এই চুক্তিৰ লক্ষ্য হৈছে বিশ্ব উষ্ণতা ২° চে'লচিয়াছৰ তলত সীমাবদ্ধ ৰখা। ইয়াৰ জৰিয়তে আমি বুজি পাব লাগিব যে স্থানীয় পৰ্যায়ত কৰা কাম-কাজ কেনেকৈ গোলকীয় লক্ষ্য পূৰণত অৱদান আগবঢ়ায়।

## শক্তি সংৰক্ষণ ঃ সেউজ ভৱিষ্যতৰ শক্তি (Energy Conservation : Powering a Greener Tomorrow) ঃ

আধুনিক সভ্যতা শক্তিৰ ওপৰত নিৰ্ভৰশীল, কিন্তু বৰ্তমান ব্যৱহৃত শক্তিৰ উৎসসমূহেই জলবায়ু পৰিৱৰ্তনৰ মুখ্য কাৰণ। সেয়ে, মূল উদ্দেশ্য হৈছে পৰম্পৰাগত ইন্ধন আৰু সম্পদৰ পৰা পুনৰ্নৱীকৰণযোগ্য শক্তিলৈ সলনি হোৱা, যি পৰিৱেশ সুৰক্ষা কৰে আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষতিকাৰক কাৰণসমূহ হ্ৰাস কৰে।

- **পুনৰ্নৱীকৰণযোগ্য শক্তিলৈ পৰিৱৰ্তন (The Transition to Renewable) ঃ** আমি এতিয়া বিশ্বজুৰি জীৱাশ্ম ইন্ধনৰ পৰা পুনৰনৱীকৰণযোগ্য শক্তিৰ উৎসলৈ সলনি হোৱা এক ধাৰা দেখিছোঁ।
  - **সূৰ্য আৰু বায়ু শক্তি ঃ** এই দুয়োটা শক্তি বৰ্তমান বিশ্বৰ বহু অংশত আটাইতকৈ সস্তীয়া আৰু সহজলভ্য নতুন শক্তিৰ উৎস হৈ পৰিছে।

- **গ্ৰীণ হাইড্ৰজেন ঃ** ইয়াত পুনৰনৱীকৰণযোগ্য বিদ্যুত ব্যৱহাৰ কৰি পানীৰপৰা হাইড্ৰ'জেন আৰু অক্সিজেন উৎপন্ন কৰা হয়। এই হাইড্ৰ'জেন জাহাজ চলোৱা আৰু ইস্পাত উদ্যোগৰ দৰে গধুৰ শিল্পৰ বাবে পৰিষ্কাৰ ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।

- **শক্তি দক্ষতা আৰু ব্যৱহাৰ নিয়ন্ত্ৰণ (Energy Efficiency and Demand-Side Management) ঃ** "আটাইতকৈ পৰিষ্কাৰ শক্তি হৈছে সেই শক্তি, যি আমি ব্যৱহাৰেই নকৰো।"
  - **প্ৰযুক্তিগত ব্যৱস্থা (Technological Fixes) ঃ** সাধাৰণ বাল্বৰ ঠাইত LED ব্যৱহাৰ কৰা, বিদ্যুৎ অপচয় ৰোধ কৰিবলৈ স্মাৰ্ট গ্ৰিড ব্যৱহাৰ কৰা আৰু কম শক্তি ব্যৱহাৰ কৰা যন্ত্ৰপাতি বাছনি কৰা—এইবোৰে পৰিৱেশৰ বাবে উপকাৰী।
  - **আচৰণগত ব্যৱস্থা (Behavioural Fixes) ঃ** ঘৰত প্ৰাকৃতিক পোহৰ বেছি ব্যৱহাৰ কৰা আৰু বৈদ্যুতিক যন্ত্ৰপাতি ব্যৱহাৰ নকৰি বন্ধ কৰি ৰখা আদি সৰল অভ্যাসসমূহে শক্তি সংৰক্ষণত সহায় কৰে।




(উৎস ঃ Shutterstock-ৰ ষ্টক ছবিসমূহ)

## বন্যপ্ৰাণী সংৰক্ষণ ঃ জীৱনৰ জাল ৰক্ষা (Wildlife Conservation: Preserving the Web of Life) ঃ

বন্যপ্ৰাণী সংৰক্ষণৰ লক্ষ্য হৈছে পৃথিৱীৰ "জিনগত ভাণ্ডাৰ" (genetic library) সংৰক্ষণ কৰা। কোনো এটা প্ৰজাতিৰ বিলুপ্তিয়ে পৰিৱেশ ব্যৱস্থাৰ এটা সংযোগ ভাঙি পেলায়।

- **জৈৱ-বৈচিত্ৰ্যৰ হটস্পট (Biodiversity Hotspots) ঃ** এইবোৰ সেই অঞ্চল, য'ত বহুতো প্ৰজাতিৰ জীৱ-জন্তু আৰু উদ্ভিদ পোৱা যায়, কিন্তু এইবোৰ বিপদৰ সন্মুখীন। ভাৰত বিশ্বৰ ১৭টাতকৈও অধিক জৈৱ-বৈচিত্ৰ্য থকা দেশৰ ভিতৰত এখন। বিশ্বৰ মুঠ ভূমিৰ মাত্ৰ ২.৪% ভাৰতত আছে, তথাপি বিশ্বৰ চিনাক্ত কৰা জৈৱ-বৈচিত্ৰ্যৰ ৮% ভাৰতৰ অৱদান।

ভাৰতত বিশ্বৰ ৩৬টা স্বীকৃত জৈৱ-বৈচিত্ৰ্য হটস্পটৰ ভিতৰত চাৰিটা অৱস্থিত— হিমালয়, পশ্চিমঘাট, ইণ্ডো-বাৰ্মা অঞ্চল আৰু সুন্দালেণ্ড (নিকোবৰ দ্বীপপুঞ্জ)। এই অঞ্চলসমূহত বিশেষকৈ বহুত উদ্ভিদৰ স্থানীয় (endemic) প্ৰজাতি পোৱা যায় আৰু ইয়াত বসবাস কৰা পৰিৱেশৰ ক্ষয়-ক্ষতিৰ আশংকাও বেছি।

১৯৮০ চনৰ ২৫ অক্টোবৰত ভাৰতীয় সংসদে 'বন (সংৰক্ষণ) আইন, ১৯৮০' প্ৰণয়ন কৰে। এই আইনৰ উদ্দেশ্য হৈছে বন ধ্বংসৰ বিৰুদ্ধে নিয়ন্ত্ৰণ স্থাপন কৰি ভাৰতৰ সমৃদ্ধ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ কৰা। ই অৰণ্যভূমিক অবনভূমিলৈ ৰূপান্তৰ কৰাৰ বাবে এক ভাৰসাম্য আৰু যুক্তিসংগত পদ্ধতিৰ প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰিছিল, সংৰক্ষণৰ সৈতে অৰ্থনৈতিক বৃদ্ধিৰ মিলন ঘটাইছিল।

● **সংৰক্ষণৰ পদ্ধতি (Conservation Methods) ঃ**

- **প্ৰাকৃতিক স্থানত (In-Situ) ঃ** প্ৰজাতিসমূহক তেওঁলোকৰ স্বাভাৱিক বাসস্থানতেই সংৰক্ষণ কৰা হয়, যেনে— ৰাষ্ট্ৰীয় উদ্যান (National Parks) আৰু জৈৱ সংৰক্ষিত অঞ্চল (Biosphere Reserves)। ইয়াৰ ফলত প্ৰাকৃতিক বিবৰ্তনৰ প্ৰক্ৰিয়া অব্যাহত থাকে।
- **প্ৰাকৃতিক স্থানৰ বাহিৰত (Ex-Situ) ঃ** প্ৰজাতিসমূহক তেওঁলোকৰ স্বাভাৱিক বাসস্থানৰ বাহিৰত সংৰক্ষণ কৰা হয়, যেনে— বীজ ভাণ্ডাৰ (seed banks), চিৰিয়াখানা (zoos) আৰু উদ্ভিদ উদ্যান (botanical gardens)। এইবোৰে অত্যন্ত বিপন্ন প্ৰজাতিসমূহৰ বাবে "বেকআপ" হিচাপে কাম কৰে।

● **মানুহ-বন্যপ্ৰাণীৰ সংঘাত (Human-Wildlife Conflict) ঃ** "মানুহ-বন্যপ্ৰাণীৰ সংঘাত" (HWC) বুলিলে মানুহ আৰু বন্যপ্ৰাণীৰ মাজত হোৱা এনে সংঘৰ্ষক বুজায়, যাৰ ফলত দুয়োপক্ষৰ ক্ষতি বা মৃত্যু হ'ব পাৰে। যেনে— খেতি নষ্ট কৰা পশুধন আক্ৰমণ কৰা, সম্পত্তিৰ ক্ষতি কৰা আৰু মানুহৰ জীৱনৰ বাবে বিপদ সৃষ্টি কৰা। চহৰ আৰু বাসস্থান সম্প্ৰসাৰণৰ বাবে এই ধৰণৰ সংঘাত বিশ্বজুৰি বেছি হোৱা দেখা গৈছে। ইয়াৰ সমাধান হৈছে সংঘাত নিয়ন্ত্ৰণৰ পৰা সহ-অস্তিত্ব (coexistence)ৰ দিশলৈ মানসিকতা সলনি কৰা আৰু **পৰিৱেশগত পথ (ecological corridors)** গঢ়ি তোলা।

ভাৰতত মানুহ-বন্যপ্ৰাণীৰ সংঘাত এটা সাধাৰণ সমস্যা। বছৰি প্ৰায় ৮০,০০০টা এনে ঘটনা ঘটে, যাৰ ফলত মানুহৰ মৃত্যু, খেতিৰ অনিষ্ট আৰু জীৱ-জন্তুৰো মৃত্যু ঘটে। এই সমস্যা সমাধানৰ বাবে ভাৰতীয় সংসদে **১৯৭২ চনত 'বন্যপ্ৰাণী (সংৰক্ষণ) আইন'** প্ৰণয়ন কৰে, যি দেশৰ উদ্ভিদ আৰু জীৱ-জন্তুৰ সুৰক্ষা প্ৰদান কৰে। ২০০৬ চনত এই আইনখন সংশোধন কৰা হৈছিল, য'ত বন্যপ্ৰাণী পথৰ (wildlife corridors) গুৰুত্ব স্বীকাৰ কৰা হয়। এই আইনখনে কৰ্তৃপক্ষক বিপজ্জনক জন্তুসমূহ নিয়ন্ত্ৰণ কৰা আৰু বৈজ্ঞানিক পদ্ধতিৰে মানুহ-বন্যপ্ৰাণী সংঘাত হ্ৰাস কৰাৰ বাবে ব্যৱস্থা ল'বলৈ ক্ষমতা দিয়ে।

## উপসংহাৰ ঃ আগবঢ়াৰ পথ (Conclusionঃ The Path Forward) ঃ

ভৱিষ্যৎ প্ৰজন্মৰ ন্যায় (Intergenerational Equity) নিশ্চিত কৰিব পাৰি তেতিয়াহে, যেতিয়া আমি পৃথিৱীৰ সম্পদসমূহ অপব্যয় নকৰোঁ। বৰ্তমান সময়ত হোৱা দ্ৰুত সম্পদ ক্ষয় ভৱিষ্যৎ প্ৰজন্মৰ বাবে অযৌক্তিক আৰু ক্ষতিকাৰক। বৃহৎ পৰিসৰৰ ঔদ্যোগীকৰণ, নগৰায়ন আৰু অ-পুনৰ্নৱীকৰণযোগ্য সম্পদৰ অযথা ব্যৱহাৰে মানৱজাতিক স্থবিৰ অৱস্থালৈ লৈ যাব পাৰে। আমি কি খাওঁ, কেনেকৈ যাত্ৰা কৰোঁ আৰু কি বস্তু ক্ৰয় কৰোঁ— এই ব্যক্তিগত সিদ্ধান্তসমূহেও গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।

সেয়েহে, মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কৰ আধুনিক বুজাবুজিয়ে দেখুৱায় যে সংৰক্ষণ মানৱ জীৱনৰ এক অত্যাৱশ্যকীয় অংশ। সংৰক্ষণৰ মূল অৰ্থ হৈছে সুৰক্ষা আৰু সংৰক্ষণ কৰা। যদি সংৰক্ষণৰ সুৰক্ষাৰ ব্যৱস্থা নাথাকে, তেন্তে উন্নতি আৰু সমৃদ্ধিৰ সুযোগেৰে পূৰ্ণ এক গতিশীল সভ্যতাৰ কল্পনাও কৰিব নোৱাৰি। এই দৃষ্টিভংগীত, সংৰক্ষণ কেৱল প্ৰকৃতিৰ প্ৰতি দয়া নহয়; ই আমাৰ নিজৰ অস্তিত্বৰ বাবে প্ৰয়োজনীয়। প্ৰকৃতিয়ে আমাক আশ্ৰয় দিয়ে আৰু এজন বুদ্ধিমান আৰু অনুভূতিশীল মানুহ হিচাপে আমি নিজ স্বাৰ্থ আৰু অতি লোভৰ বাবে এই আশ্ৰয় ধ্বংস কৰা উচিত নহয়। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে পৃথিৱীত সকলোৰে প্ৰয়োজন পূৰণৰ বাবে যথেষ্ট আছে, কিন্তু লোভ পূৰণৰ বাবে নহয়।

## প্ৰশ্নাৱলী

### ? বহুনিৰ্বাচনী প্ৰশ্ন (Multiple Choice Questions) ঃ

১। 'এন্থ্ৰ'প'চিন' (Anthropocene) শব্দটোৱে বুজায়—
(a) প্ৰাচীন যুগ
(b) মানুহৰ প্ৰভাৱত গঢ় লোৱা আধুনিক ভূ-তাত্ত্বিক যুগ
(c) বৰফ যুগ
(d) শিল যুগ

২। 'গাইয়া ধাৰণা' (Gaia Hypothesis) অনুসাৰে—
(a) পৃথিৱী জীৱহীন
(b) পৃথিৱী এটা নিজে নিজে নিয়ন্ত্ৰিত জীৱন্ত সংগঠন
(c) মানুহে পৃথিৱী নিয়ন্ত্ৰণ কৰে
(d) প্ৰকৃতি মানুহৰ পৰা পৃথক

৩। প্ৰকৃতি অধ্যয়নে সহায় কৰে—
(a) বুদ্ধি হ্ৰাস কৰাত
(b) জ্ঞানজনিত আৰু অনুভূতিক স্বাস্থ্য উন্নত কৰাত
(c) চাপ বৃদ্ধি কৰাত
(d) শিক্ষা এৰিবলৈ

৪। প্ৰকৃতিৰ অভাৱজনিত সমস্যা (Nature Deficit Disorder) ই বুজায়—

(a) খাদ্যৰ অভাৱ (b) প্ৰকৃতিৰ সংস্পৰ্শৰ অভাৱ

(c) শিক্ষাৰ অভাৱ (d) টোপনিৰ অভাৱ

৫। 'Biophilia Hypothesis' অনুসৰি—

(a) মানুহে প্ৰকৃতিক অপছন্দ কৰে (b) মানুহৰ প্ৰকৃতিৰ সৈতে স্বাভাৱিক সম্পৰ্ক থাকে

(c) প্ৰকৃতিয়ে মানুহৰ ক্ষতি কৰে (d) মানুহে জীৱ-জন্তুৰ পৰা আঁতৰি থাকে।

৬। 'Biophilia Hypothesis' অনুসৰি—

(a) পৰিৱেশক অৱহেলা কৰা (b) পৰিৱেশ সুৰক্ষাৰ নৈতিক দায়িত্ব

(c) কেৱল আইনী কৰ্তব্য (d) কেৱল বৈজ্ঞানিক কৰ্তব্য

৭। চক্ৰীয় অৰ্থনীতিৰ লক্ষ্য হৈছে—

(a) আৱৰ্জনা বৃদ্ধি কৰা

(b) পুনঃব্যৱহাৰ হ্ৰাস কৰা

(c) আৱৰ্জনা দূৰ কৰা আৰু সম্পদ পুনঃব্যৱহাৰ কৰা

(d) উৎপাদন বৃদ্ধি কৰা

৮। তলত দিয়া কোনটো "ডাঙৰ তিনিটা" প্ৰদূষণ ক্ষেত্ৰৰ অংশ নহয়?

(a) বায়ু (b) পানী

(c) মাটি (d) মহাকাশ

৯। গ্ৰীণহাউচ গেছসমূহ হৈছে—

(a) অক্সিজেন (b) নাইট্ৰজেন

(c) $CO_2$ আৰু $CH_4$ (d) হাইড্ৰজেন

১০। পেৰিছ চুক্তিৰ লক্ষ্য হৈছে—

(a) প্ৰদূষণ বৃদ্ধি কৰা (b) বিশ্ব উষ্ণতা 2°C ৰ তলত সীমাবদ্ধ কৰা

(c) উদ্যোগ বন্ধ কৰা (d) জীৱাশ্ম ইন্ধন প্ৰচাৰ কৰা

১১। পুনৰ্নৱীকৰণযোগ্য শক্তিৰ উৎস হৈছে—

(a) কয়লা (b) পেট্ৰল

(c) সূৰ্য আৰু বায়ু শক্তি (d) ডিজেল

১২। গ্ৰীণ হাইড্ৰজেন উৎপন্ন হয়—

(a) কয়লা পোৰাৰ দ্বাৰা (b) পুনৰ্নৱীকৰণযোগ্য শক্তিৰে পানী ভাঙি

(c) পেট্ৰল ব্যৱহাৰ কৰি (d) গেছ ব্যৱহাৰ কৰি

১৩। শক্তি দক্ষতাই বুজায়—

(a) অধিক শক্তি ব্যৱহাৰ কৰা (b) শক্তি সঞ্চয় কৰা

(c) শক্তি অপচয় কৰা (d) শক্তি উপেক্ষা কৰা

১৪। ভাৰত পৰিচিত—

(a) সৰু জৈৱ-বৈচিত্ৰ্যৰ দেশ (b) অধিক জৈৱ-বৈচিত্ৰ্য থকা দেশ

(c) মৰুভূমিৰ দেশ (d) মেৰু অঞ্চলৰ দেশ

১৫। তলত দিয়া কোনটো ভাৰতৰ জৈৱ-বৈচিত্ৰ্যৰ হটস্পট নহয়?

(a) হিমালয় (b) পশ্চিম ঘাট

(c) সুন্দালেণ্ড (d) সাহাৰা মৰুভূমি

১৬। In-situ সংৰক্ষণে বুজায়—

(a) প্ৰাকৃতিক স্থানৰ বাহিৰত (b) প্ৰাকৃতিক স্থানৰ ভিতৰত

(c) কেৱল চিৰিয়াখানাত (d) কেৱল গৱেষণাগাৰত

১৭। Ex-situ সংৰক্ষণে অন্তৰ্ভুক্ত কৰে-

(a) বনাঞ্চল (b) জাতীয় উদ্যান

(c) চিৰিয়াখানা আৰু বীজ ভাণ্ডাৰ (d) নদী

১৮। মানুহ-বন্যপ্ৰাণীৰ সংঘাত ঘটে—

(a) স্বাভাৱিক সমন্বয়ৰ বাবে (b) বাসস্থান বিস্তাৰ আৰু নগৰায়নৰ বাবে

(c) বন বৃদ্ধি পোৱাৰ বাবে (d) পৰিষ্কাৰ পৰিবেশৰ বাবে

১৯। বন্যপ্ৰাণী সুৰক্ষা আইন প্ৰণয়ন কৰা হৈছিল—

(a) ১৯৫০ (b) ১৯৬০

(c) ১৯৭২ (d) ১৯৮০

২০। সংৰক্ষণ গুৰুত্বপূৰ্ণ—

(a) প্ৰকৃতি ধ্বংস কৰাৰ বাবে (b) মানুহৰ অস্তিত্ব আৰু বহনক্ষম উন্নয়নৰ বাবে

(c) প্ৰদূষণ বৃদ্ধি কৰাৰ বাবে (d) জৈৱ-বৈচিত্ৰ্য হ্ৰাস কৰাৰ বাবে

## ? চুটি উত্তৰৰ প্ৰশ্ন (Short Type Questions) ঃ

১। ‘এন্থ্ৰ’প’চিন’ যুগ বুলিলে কি বুজা যায়?

২। ‘গাইয়া ধাৰণা’ সংক্ষেপে ব্যাখ্যা কৰা।

৩। চক্ৰীয় অৰ্থনীতি কি আৰু ই কিয় গুৰুত্বপূৰ্ণ?

৪। In-situ আৰু Ex-situ সংৰক্ষণৰ মাজত পাৰ্থক্য বৰ্ণনা কৰা।

৫। মানুহ-বন্যপ্ৰাণীৰ সংঘাত কি আৰু ই কিয় ঘটে?

## ? দীঘল উত্তৰৰ প্ৰশ্ন (Long Type Questions)ঃ

১। মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা আৰু আধুনিক বিশ্বত সংৰক্ষণৰ গুৰুত্ব আলোচনা কৰা।

২। প্ৰকৃতি অধ্যয়নৰ গুৰুত্ব আৰু ইয়াৰ জ্ঞানীয়, অনুভূতিক আৰু পৰিৱেশ সচেতনতাৰ ওপৰত প্ৰভাৱ আলোচনা কৰা।

৩। প্ৰদূষণ নিয়ন্ত্ৰণ আৰু চক্ৰীয় অৰ্থনীতিৰ সৈতে সম্পৰ্ক ৰাখি পৰিৱেশ সুৰক্ষাৰ কৌশলসমূহ ব্যাখ্যা কৰা।

৪। শক্তি সংৰক্ষণৰ ধাৰণা বৰ্ণনা কৰা আৰু বহনক্ষম উন্নয়নত পুনৰ্নৱীকৰণযোগ্য শক্তিৰ ভূমিকা আলোচনা কৰা।

৫। বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্ব ব্যাখ্যা কৰা আৰু In-situ আৰু Ex-situ সংৰক্ষণ পদ্ধতিৰ লগতে মানুহ-বন্যপ্ৰাণী সংঘাতৰ সমস্যা আলোচনা কৰা।

**MCQ ANSWERS**

| | | | |
|---|---|---|---|
| 1. (b) | 2. (b) | 3. (b) | 4. (b) |
| 5. (b) | 6. (b) | 7. (c) | 8. (d) |
| 9. (c) | 10. (b) | 11. (c) | 12. (b) |
| 13. (b) | 14. (b) | 15. (d) | 16. (b) |
| 17. (c) | 18. (b) | 19. (c) | 20. (b) |

■ ■ ■

# অধ্যায় ৮

# উদ্যমিতা বিকাশৰ বাবে বাণিজ্য
# (Commerce for Entrepreneurship Development)

## উদ্যমিতা বিকাশত বাণিজ্য শিক্ষাৰ গুৰুত্ব (Importance of commerce education for entrepreneurship development) ঃ

"উদ্যোগী ব্যক্তি (Entrepreneurs) জন্মগত নহয়, তেওঁলোকক গঢ়ি তোলা হয়"— এই কথাটোৱে উদ্যোগী গঢ়ি তোলাত শিক্ষাৰ গুৰুত্ব স্পষ্ট কৰে। অৰ্থাৎ, পাঠ্যসূচীৰ জৰিয়তে জ্ঞান আৰু দক্ষতা প্ৰদান কৰি নতুন উদ্যোগী ব্যক্তিৰ সৃষ্টি কৰিব পাৰি। ই এনে এটা সামগ্ৰিক শিক্ষা ব্যৱস্থা, য'ত শ্ৰেণীকক্ষত পাঠদান, প্ৰকল্পভিত্তিক কাৰ্যকলাপ, মানসিক আৰু অনুভূতিক সুস্থতাৰ কাৰ্যসূচী, সমালোচনামূলক আৰু সৃজনশীল চিন্তাৰ বিকাশ আদি অন্তৰ্ভুক্ত থাকে, সেই ব্যৱস্থাই এনে ব্যক্তিৰ সৃষ্টি কৰে যিসকলে সমাজত অৰ্থপূৰ্ণ অৱদান আগবঢ়াব পাৰে।

## উদ্যমিতা (Entrepreneurship) ঃ

উদ্যোগী ব্যক্তিসকল হৈছে সেইসকল ব্যক্তি, যিসকলে সুযোগসমূহক ব্যৱহাৰযোগ্য সামগ্ৰী বা সেৱালৈ ৰূপান্তৰ কৰে। তেওঁলোকে নতুন উদ্যোগ আৰম্ভ কৰাৰ বাবে প্ৰাৰম্ভিক বিনিয়োগ কৰি ক্ষতিশংকা (risks) লয়। উদ্ভাৱন (innovation) হৈছে উদ্যোগী ব্যক্তিৰ এক মুখ্য বৈশিষ্ট্য, কিয়নো তেওঁলোকে নতুন ধৰণে কাম কৰে বা নতুন পণ্য সৃষ্টি কৰে। এজন উদ্যোগী ব্যক্তিয়ে নতুন পণ্য সৃষ্টি কৰে বা পণ্য প্ৰদান কৰাৰ নতুন পদ্ধতি উদ্ভাৱন কৰে, সুযোগ চিনাক্ত কৰে, সেই সুযোগসমূহক এক ব্যৱহাৰযোগ্য পৰিকল্পনালৈ ৰূপান্তৰ কৰে, প্ৰয়োজনীয় সম্পদ সংগ্ৰহ কৰে আৰু মূল্য সংযোজন কৰে। তেওঁলোকে ক্ষতিশংকা (risks) গ্ৰহণ কৰি ব্যৱসায় পৰিচালনা কৰে আৰু তাৰ পৰা আৰ্থিক বা অনা-আৰ্থিক লাভৰ আশা কৰে। এইদৰে, স্পষ্ট দৃষ্টিভংগীৰে

উদ্যোগী ব্যক্তিয়ে অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ চালিকা শক্তি হিচাপে কাম কৰে আৰু পৰিবৰ্তন আনিবলৈ সহায় কৰে।

উদ্যমিতা প্ৰক্ৰিয়াই সামাজিক-অৰ্থনৈতিক উন্নয়ন ঘটায়, কিয়নো—

- উদ্যোগী ব্যক্তিসকলে নতুন চাকৰি সৃষ্টি কৰে আৰু বহু লোকক নিযুক্তি দিয়ে।
- উদ্ভাৱনী পণ্যসমূহে সমাজৰ জীৱনযাপনৰ মান উন্নত কৰে।
- বহু উদ্যোগী ব্যক্তিয়ে সমাজৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে পণ্য ডিজাইন কৰে, যাৰ ফলত মানুহৰ জীৱন সহজ হয়।
- উদ্যোগসমূহে উৎপাদন আৰু ৰপ্তানি বৃদ্ধি কৰি দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ত অৰদান আগবঢ়ায়।
অসম জনসেৱা অধিকাৰ (সংশোধন) আইন, ২০২৪য়ে অসমত স্বচ্ছ, দায়বদ্ধ আৰু নাগৰিকমুখী শাসন ব্যৱস্থা শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই আইনৰ লক্ষ্য হৈছে যাতে প্ৰতিজন নাগৰিকে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত নিৰ্দিষ্ট জনসেৱা লাভ কৰে আৰু পলম বা অৱহেলাৰ বাবে কৰ্মচাৰীক দায়বদ্ধ কৰা হয়। এই সংশোধনে ২০১২ আৰু ২০১৯ চনৰ আগৰ আইনসমূহক অধিক উন্নত কৰি নতুন ব্যৱস্থা সংযোজন কৰিছে; যেনে— অবিৰত সেৱা প্ৰদানৰ বাবে লিংক অফিচাৰ নিযুক্তি, আপীলৰ বাবে স্পষ্ট সময়সীমা, আৰু এই আইন প্ৰয়োগ তদাৰক কৰাৰ বাবে "অসম ৰাজ্যিক জনসেৱা অধিকাৰ আয়োগ" স্থাপন। এই আইনে ডিজিটেল শাসন ব্যৱস্থাকো গুৰুত্ব দিয়ে; বিশেষকৈ "সেৱা সেতু প'ৰ্টেল"ৰ সৈতে সংযোগ কৰি নাগৰিকসকলক অনলাইনতে আবেদন, অনুসৰণ আৰু সেৱা লাভ কৰাৰ সুবিধা প্ৰদান কৰে, যাতে চৰকাৰী কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজন নাথাকে। দক্ষতা, স্বচ্ছতা আৰু সহজ প্ৰৱেশযোগ্যতা বৃদ্ধি কৰি এই আইনখনে নাগৰিককেন্দ্ৰিক আৰু সঁহাৰি জনোৱা শাসন ব্যৱস্থা গঢ়াৰ প্ৰতি চৰকাৰৰ অঙ্গীকাৰ প্ৰকাশ কৰে।

## ARTPS আইনৰ উদ্দেশ্য আৰু পটভূমি (Purpose and Background of the ARTPS Act) ঃ

অসম জনসেৱা অধিকাৰ (Assam Right to Public Services–ARTPS) আইন প্ৰৱৰ্তনৰ আগতে নাগৰিকসকলে সেৱা লাভ কৰাত বহুতো সময় আৰু অসুবিধাৰ সন্মুখীন হৈছিল। কেইটামান মূল সমস্যা আছিল—

- সেৱা প্ৰদানৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা নাছিল; কৰ্মচাৰীসকলে নিজৰ ইচ্ছামতে দেৰি কৰিব পাৰিছিল।
- সেৱা প্ৰদানত ব্যৰ্থ হ'লে দায়বদ্ধতাৰ কোনো ব্যৱস্থা নাছিল।
- অনৈতিক ব্যৱহাৰ আৰু দালাল (মধ্যভোগী)ৰ জড়িত আছিল।
- সময়মতে সেৱা প্ৰদানৰ বাবে কোনো তদাৰকী ব্যৱস্থা নাছিল।

এই সমস্যাসমূহ দূৰ কৰি শাসন ব্যৱস্থাক অধিক জনমুখী, স্বচ্ছ আৰু কাৰ্যক্ষম কৰিবলৈ অসম চৰকাৰে ২০১২ চনত "অসম জনসেৱা অধিকাৰ আইন" (ARTPS Act) প্ৰৱৰ্তন কৰে। ইয়াৰ উদ্দেশ্য আছিল—

- চৰকাৰী সেৱাসমূহ দক্ষতা আৰু স্বচ্ছতাৰে প্ৰদান কৰা নিশ্চিত কৰা
- সেৱা প্ৰদানৰ বাবে নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰা
- পলম বা অৱহেলা কৰাৰ বাবে কৰ্মচাৰীক দায়বদ্ধ কৰা
- সেৱা ব্যৰ্থ হ'লে আপীল আৰু জৰিমনাৰ ব্যৱস্থা সৃষ্টি কৰা
- ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ ওপৰত নাগৰিকৰ আস্থা বৃদ্ধি কৰা

এই আইনখন পিছত ২০১৯ আৰু পুনৰ ২০২৪ চনত সংশোধন কৰা হয়, য'ত ডিজিটেল সেৱা, উন্নত তদাৰকী ব্যৱস্থা আৰু "অসম ৰাজ্যিক জনসেৱাৰ অধিকাৰ আয়োগ" স্থাপন কৰাৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হয়।

## RTPS ৰ পৰা সেৱা সেতু প'ৰ্টেললৈ ঃ এক ডিজিটেল যাত্ৰা (From RTPS to Sewa Setu Portal: A Digital Journey) ঃ

জন সেৱাসমূহ আধুনিক আৰু সহজলভ্য কৰিবলৈ অসম চৰকাৰে এটা ডিজিটেল ৰূপান্তৰ উদ্যোগ আৰম্ভ কৰে। ইয়াৰ জৰিয়তে চৰকাৰী সেৱাসমূহ সময়সীমাৰ ভিতৰত প্ৰদান আৰু দায়বদ্ধতা নিশ্চিত কৰাৰ ব্যৱস্থা গঢ়ি তোলা হয়।

২০১৬ চনত আৰম্ভ কৰা "অসম নাগৰিককেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্প" (Assam Citizen-Centric Service Delivery Project) বিশ্ব বেংকৰ সহায়ত চলিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল ৰাজহুৱা সেৱাসমূহ ডিজিটেল কৰা আৰু সৰলীকৰণ কৰা। এই প্ৰকল্পটো ২০২৩ চনৰ জুন মাহত সফলভাৱে সমাপ্ত হয়।

RTPS প'ৰ্টেলটো ২০২১ চনৰ ৭ অক্টোবৰ তাৰিখে ৪৭টা সেৱা লৈ আৰম্ভ কৰা হৈছিল। পিছত ২০২৩ চনৰ জুন মাহত কেবিনেটৰ সিদ্ধান্ত অনুসৰি ইয়াৰ নাম "সেৱা সেতু, অসম" (Sewa Setu, Assam) বুলি পৰিবৰ্তন কৰা হয়। বৰ্তমান এই প'ৰ্টেলটো অসম চৰকাৰৰ আইটি বিভাগৰ অধীনত থকা Assam Information Technology, Electronics & Communication, and Citizen Service Delivery (AITEC & CSD) Society দ্বাৰা পৰিচালিত হয়।

## সেৱা সেতু প'ৰ্টেলত উপলব্ধ সেৱাসমূহ (Services Available on Sewa Setu Portal) ঃ

সেৱা সেতু প'ৰ্টেলৰ জৰিয়তে **৯০০তকৈ অধিক চৰকাৰী সেৱা** অনলাইনত লাভ কৰিব পাৰি। এই সেৱাসমূহক কেইবাটাও শ্ৰেণীত বিভক্ত কৰা হৈছে—

| সেৱাৰ প্ৰকাৰ | বৰ্ণনা (Description) |
|---|---|
| **End-to-End Services** | এই সেৱাসমূহ সম্পূৰ্ণভাৱে সেৱা সেতুৰ জৰিয়তে উন্নত, প্ৰক্ৰিয়াকৰণ আৰু প্ৰদান কৰা হয়। |
| **Integrated Services** | এইবোৰত সেৱা সেতুৰ জৰিয়তে আগভাগ (Front-end) পৰিচালিত হয়, কিন্তু পিছফালৰ কাম (Back-end) সংশ্লিষ্ট বিভাগে সম্পন্ন কৰে। |
| **Re-directional Services** | এই সেৱাসমূহ বিভাগীয় ৱেবছাইটৰ সৈতে সংযুক্ত থাকে; প্ৰক্ৰিয়াকৰণ সংশ্লিষ্ট বিভাগে নিজেই সম্পন্ন কৰে। |

নাগৰিকসকলে এই অনলাইন প'ৰ্টেল বা কমন ছাৰ্ভিচ চেণ্টাৰ (CSC)ৰ জৰিয়তে সেৱাৰ বাবে আবেদন কৰিব পাৰে, নিজৰ আবেদনৰ গতিবিধি অনুসৰণ কৰিব পাৰে, অভিযোগ দাখিল কৰিব পাৰে আৰু আপীলো কৰিব পাৰে।

## অধিকাৰ আৰু বহনক্ষম উন্নয়ন (Rights and Sustainable Development) ঃ

আমি সকলো "বহনক্ষম উন্নয়ন" (Sustainable Development) শব্দটোৰ সৈতে পৰিচিত। ইয়াক এইদৰে সংজ্ঞায়িত কৰা হৈছে— "এনে উন্নয়ন যিয়ে বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰে, কিন্তু ভৱিষ্যৎ প্ৰজন্মই নিজৰ প্ৰয়োজন পূৰণ কৰাৰ সামৰ্থ্য ক্ষতিগ্ৰস্ত নকৰে।"

বহনক্ষম উন্নয়নে মানুহ আৰু পৃথিৱীৰ বাবে এক অন্তৰ্ভুক্তিমূলক, স্থায়ী আৰু দৃঢ় ভৱিষ্যৎ গঢ়িবলৈ একত্ৰিত প্ৰচেষ্টাৰ আহ্বান জনায়।

বহনক্ষম উন্নয়ন লাভ কৰিবলৈ তিনিটা মূল উপাদানৰ মাজত সমন্বয় থাকিব লাগিব— এইবোৰ হৈছে আৰ্থিক উন্নয়ন, সামাজিক অন্তৰ্ভুক্তি আৰু পৰিৱেশ সুৰক্ষা। এই তিনিওটা পৰস্পৰ সংযুক্ত আৰু ব্যক্তিগত আৰু সামাজিক কল্যাণৰ বাবে অতি গুৰুত্বপূৰ্ণ।

২০১৬ চনৰ ১ জানুৱাৰীত ৰাষ্ট্ৰসংঘই "বহনক্ষম উন্নয়নৰ বাবে ২০৩০ এজেণ্ডা" আৰম্ভ কৰে আৰু ১৭টা বহনক্ষম উন্নয়নৰ লক্ষ্য (SDGs) নিৰ্ধাৰণ কৰে। এই লক্ষ্যসমূহ সমতা আৰু বৈষম্যহীনতাৰ দৰে মানৱ অধিকাৰৰ মূল নীতিসমূহৰ সৈতে গভীৰভাৱে সংযুক্ত। ইয়াত বহুতো মানৱ অধিকাৰৰ দিশ অন্তৰ্ভুক্ত আছে আৰু সকলো মানুহৰ অধিকাৰ ৰূপায়ণ কৰাৰ লক্ষ্য ৰাখে।

উদাহৰণস্বৰূপে, SDG 1-ত উপযুক্ত জীৱনমানৰ অধিকাৰ নিশ্চিত কৰাৰ কথা কোৱা হৈছে; SDG 3 স্বাস্থ্যৰ সৈতে জড়িত; SDG 4 শিক্ষাৰ সৈতে আৰু SDG 5 লিংগ সমতাৰ সৈতে সম্পৰ্কিত।

(Read about the Goals in detail in https://sdgs.un.org/goals)

## প্ৰশ্নাৱলী

### বহু-বিকল্প প্ৰশ্ন (Multiple Choice Questions) ঃ

১। মানৱ অধিকাৰ প্ৰযোজ্য—

(a) কেৱল ধনী মানুহৰ বাবে (b) কেৱল নাগৰিকৰ বাবে

(c) সকলো মানুহৰ বাবে সাৰ্বজনীনভাৱে (d) কেৱল প্ৰাপ্তবয়স্কৰ বাবে

২। মানৱ অধিকাৰে নিশ্চিত কৰে—

(a) অসমতা (b) মৰ্যাদা আৰু সমতা

(c) বৈষম্য (d) কেৱল চৰকাৰৰ শক্তি

৩। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা (UDHR) গ্ৰহণ কৰা হৈছিল—

(a) ১৯৪৫ চনত (b) ১৯৪৭ চনত

(c) ১৯৪৮ চনত (d) ১৯৫০ চনত

৪। ৰাষ্ট্ৰসংঘ গঠন কৰা হৈছিল—

(a) ১৯৪০ চনত (b) ১৯৪৫ চনত

(c) ১৯৫০ চনত (d) ১৯৬০ চনত

৫। UDHR-ত আছে—

(a) ২০টা ধাৰা (b) ২৫টা ধাৰা

(c) ৩০টা ধাৰা (d) ৪০টা ধাৰা

৬। UDHR-ৰ ধাৰা ১-ত কোৱা হৈছে—

(a) মানুহ সমান নহয় (b) সকলো মানুহ স্বাধীন আৰু সমভাৱে জন্ম লয়

(c) কেৱল নাগৰিকৰ অধিকাৰ আছে (d) অধিকাৰ সীমিত

৭। ভাৰতত মৌলিক অধিকাৰ সুৰক্ষিত কৰে—

(a) অংশ I (b) অংশ II

(c) অংশ III (d) অংশ IV

৮। সমতাৰ অধিকাৰে নিষিদ্ধ কৰে—

(a) স্বাধীনতা (b) বৈষম্য

(c) শিক্ষা (d) ধৰ্ম

৯। স্বাধীনতাৰ অধিকাৰত অন্তৰ্ভুক্ত—

(a) কেৱল বাকস্বাধীনতা (b) বাকস্বাধীনতা আৰু প্ৰকাশৰ স্বাধীনতা

(c) কেৱল ধৰ্ম (d) কেৱল চলাচল

১০। শোষণৰ বিৰুদ্ধে অধিকাৰে নিষিদ্ধ কৰে—

(a) শিক্ষা (b) শিশুশ্ৰম

(c) স্বাধীনতা (d) ধৰ্ম

১১। সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰে নাগৰিকক অনুমতি দিয়ে—

(a) আইন এৰাই চলিবলৈ (b) আদালতৰ কাষ চাপিবলৈ

(c) অধিকাৰ অৱহেলা কৰিবলৈ (d) নিয়ম ভংগ কৰিবলৈ

১২। ভাৰতৰ সংবিধানত মৌলিক কৰ্তব্য সংযোজন কৰা হৈছিল—

(a) ৪৪তম সংশোধনীত (b) ৪২তম সংশোধনীত

(c) ৮৬তম সংশোধনীত (d) ৭৩তম সংশোধনীত

১২। মুঠ মৌলিক কৰ্তব্য হৈছে—

(a) ১০টা (b) ১১টা

(c) ১২টা (d) ৯টা

১৩। শিশু অধিকাৰ চুক্তি গ্ৰহণ কৰা হৈছিল—

(a) ১৯৮৫ চনত (b) ১৯৮৯ চনত

(c) ১৯৯৫ চনত (d) ২০০০ চনত

১৫। শিশু বুলিলে বুজায়—

(a) ১৬ বছৰৰ তলৰ ব্যক্তি (b) ১৮ বছৰৰ তলৰ ব্যক্তি

(c) ২০ বছৰৰ তলৰ ব্যক্তি (d) ২১ বছৰৰ তলৰ ব্যক্তি

১৬। CEDAW তলৰ কোনটোৰ সৈতে সম্পৰ্কিত—

(a) শিশু অধিকাৰ (b) মহিলাৰ অধিকাৰ

(c) পৰিৱেশ অধিকাৰ (d) প্ৰতিবন্ধী অধিকাৰ

১৭। "বিশেষভাবে সক্ষম ব্যক্তিসকলৰ অধিকাৰ আইন" গৃহীত হৈছিল—

(a) ২০০০ চনত (b) ২০০৫ চনত

(c) ২০১০ চনত (d) ২০১৬ চনত

১৮। তথ্য লাভৰ অধিকাৰ আইন প্ৰৱৰ্তিত হৈছিল—

(a) ২০০০ চনত (b) ২০০৫ চনত

(c) ২০১০ চনত (d) ২০১৫ চনত

১৯। বহনক্ষম উন্নয়ন বুলিলে বুজায়—

(a) কেৱল বৰ্তমানৰ উন্নয়ন

(b) ভৱিষ্যৎ ক্ষতিগ্ৰস্ত কৰি উন্নয়ন

(c) ভৱিষ্যতৰ ক্ষতি নকৰি বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰা উন্নয়ন

(d) কেৱল আৰ্থিক উন্নয়ন

২০। বহনক্ষম উন্নয়নৰ লক্ষ্য (SDGs) আৰম্ভ কৰা হৈছিল—

(a) ২০১০ চনত (b) ২০১২ চনত

(c) ২০১৬ চনত (d) ২০২০ চনত

## ? চুটি উত্তৰৰ প্ৰশ্ন ঃ

১। আধুনিক সময়ত মানৱ অধিকাৰৰ ধাৰণাটো কেতিয়া আৰু কেনেকৈ উদ্ভৱ হৈছিল?

২। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাৰ যিকোনো পাঁচটা দিশ উল্লেখ কৰা।

৩। ভাৰতৰ সংবিধানত উল্লেখ কৰা ছটা মৌলিক অধিকাৰ কি কি? ইয়াৰ ভিতৰত যিকোনো দুটা বিৱৰণ দিয়া।

৪। ভাৰতৰ সংবিধানে কিমানটা দায়িত্ব নিৰ্ধাৰণ কৰিছে? তাৰে যিকোনো পাঁচটা উল্লেখ কৰা।

৫। তলৰ যিকোনো দুটা বিষয়ৰ ওপৰত চমুটোকা লিখা—
(i) শিশু অধিকাৰ, (ii) মহিলাৰ অধিকাৰ, (iii) প্ৰতিবন্ধী ব্যক্তিসকলৰ অধিকাৰ।

৬। তথ্য লাভৰ অধিকাৰৰ বিষয়ে তুমি কি জানা ১০০ শব্দত লিখা।

৭। আমাৰ দেশত শিশু অধিকাৰ সুৰক্ষাৰ সৈতে জড়িত চাৰিটা গুৰুত্বপূৰ্ণ আইন নাম লিখা।

৮। বহনক্ষম উন্নয়ন সংজ্ঞা দিয়া। অধিকাৰ আৰু স্থায়ী উন্নয়নৰ মাজৰ সম্পৰ্কৰ বিষয়ে ১০০ শব্দত লিখা।

**? প্ৰস্তাৱিত প্ৰকল্প / কাৰ্যকলাপ ঃ** তলত দিয়া প্ৰকল্পসমূহ যেনে—

**(i)** **ছ'চিয়েল মিডিয়া আৰু সচেতনতা ঃ** TikTok আৰু Instagramৰ দৰে প্লেটফৰ্মসমূহ যুৱসমাজৰ মাজত মানৱ অধিকাৰৰ শিক্ষা আৰু সক্ৰিয়তা প্ৰচাৰত কিমান কাৰ্যকৰী, সেয়া পৰম্পৰাগত মাধ্যমৰ সৈতে তুলনা কৰি অধ্যয়ন কৰা।

**(ii)** **ৰাষ্ট্ৰীয়তা আৰু সংখ্যালঘু সুৰক্ষা ঃ** বৃদ্ধি পোৱা ৰাষ্ট্ৰীয়তাবাদী আন্দোলনৰ ফলত ভাৰতত সংখ্যালঘু গোটসমূহৰ সাংস্কৃতিক আৰু ধৰ্মীয় অধিকাৰত কি প্ৰভাৱ পৰিছে, বিশেষকৈ অসমৰ প্ৰেক্ষাপটত বিশ্লেষণ কৰা।

**(iii)** **স্বাস্থ্যকৰ পৰিৱেশৰ অধিকাৰ ঃ** জলবায়ু পৰিৱৰ্তনৰ ফলত আদিবাসী সমাজ আৰু দুৰ্বল গোটসমূহৰ ওপৰত হোৱা অসমান প্ৰভাৱৰ ওপৰত অনুসন্ধান কৰা।

**(iv)** **প্ৰয়োগৰ সমস্যা ঃ** মানৱ অধিকাৰৰ নীতিসমূহ অনুমোদন কৰাৰ পিছতো ৰাষ্ট্ৰীয় স্তৰত সঠিকভাৱে প্ৰয়োগ নোহোৱাৰ মাজৰ তফাৎসমূহৰ ওপৰত অনুসন্ধান কৰা।

## MCQ ANSWERS

| | | | |
|---|---|---|---|
| 1. (c) | 2. (b) | 3. (c) | 4. (b) |
| 5. (c) | 6. (b) | 7. (c) | 8. (b) |
| 9. (b) | 10. (b) | 11. (b) | 12. (b) |
| 13. (b) | 14. (b) | 15. (b) | 16. (b) |
| 17. (d) | 18. (b) | 19. (c) | 20. (c) |

■■■

# অতিৰিক্ত পঠন (Additional Reading)

জেন-জি (Gen-Z) বা বৰ্তমানৰ যুৱ প্ৰজন্মৰ বাবে আগন্তুক ২৫ বছৰৰ কেৰিয়াৰ কেৱল অৰ্থ উপাৰ্জনৰ মাধ্যম নহয়, ই হ'ব প্ৰযুক্তি, বহনক্ষমতা (Sustainability) আৰু ব্যক্তিগত স্বাধীনতাৰ এক সংমিশ্ৰণ। ২০৫০ চনলৈকে কেৰিয়াৰৰ গতিপথ কেনে হ'ব পাৰে, তাৰ এটা চমু আভাস তলত দিয়া হ'ল ঃ

**প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তা (Tech & AI) ঃ** কেৱল ক'ডিং জনাটোৱেই যথেষ্ট নহয়; এআইৰ সৈতে কাম কৰিব পৰা দক্ষতাহে গুৰুত্বপূৰ্ণ হ'ব।

- এআই প্ৰযুক্তিয়ে যাতে মানুহৰ ক্ষতি নকৰে বা কোনো বৈষম্যৰ সৃষ্টি নকৰে, সেয়া নিশ্চিত কৰা।
- এআই মডেলসমূহৰ পৰা সঠিক উত্তৰ উলিয়াই আনিব পৰা।
- ডিজিটেল জগতৰ সুৰক্ষা নিশ্চিত কৰা।

**বহনক্ষমতা আৰু সেউজ কৰ্ম (Sustainability & Green Jobs) ঃ** জলবায়ু পৰিৱৰ্তনৰ সৈতে যুঁজিবলৈ এই খণ্ডত আটাইতকৈ বেছি নিয়োগৰ ক্ষেত্ৰ সৃষ্টি হ'ব।

- সৌৰ, বায়ু আৰু অন্যান্য নবীকৰণযোগ্য শক্তিৰ বিশেষজ্ঞ ।
- চহৰাঞ্চলক পুনৰ বনাঞ্চললৈ ৰূপান্তৰ কৰা।
- কোম্পানীবোৰৰ পৰিৱেশ অনুকূল কৰি তোলা।

**স্বাস্থ্যযতন আৰু কল্যাণ (Healthcare & Wellness) ঃ** প্ৰযুক্তিৰ সহায়ত স্বাস্থ্যখণ্ড সম্পূৰ্ণ সলনি হ'ব।

- জিনগত তথ্য বিশ্লেষণ কৰি ব্যক্তিগতকৃত ঔষধ (Personalized Medicine) প্ৰস্তুত কৰা।
- ডিজিটেল যুগৰ মানসিক চাপ আৰু অকলশৰীয়া অনুভৱৰ পৰা মুক্ত কৰা।
- ঘৰত বহিয়েই উন্নত চিকিৎসা সেৱা প্ৰদান কৰা।

**সৃজনীশীল আৰু অভিজ্ঞতাভিত্তিক অৰ্থনীতি (Creative & Experience Economy) ঃ** যন্ত্ৰই কামবোৰ কৰিবলৈ লোৱাৰ লগে লগে মানুহৰ সৃজনীশীলতাৰ মূল্য বাঢ়িব।

- ভাৰ্চুৱেল জগতৰ নক্সা তৈয়াৰ কৰা।
- এআই ব্যৱহাৰ কৰি উন্নত মানৰ ভিডিঅ' বা ডিজিটেল সামগ্ৰী নিৰ্মাণ কৰা।
- মানুহক ভাৰ্চুৱেল জগতত ভ্ৰমণৰ অভিজ্ঞতা দিয়া।

**গিগ ইকনমি আৰু উদ্যমিতা (Gig Economy & Entrepreneurship) ঃ** জেন-জিৰ বেছিভাগেই চৰকাৰী চাকৰিতকৈ নিজাকৈ কাম কৰিবলৈ ভাল পাব।

- এআই সঁজুলি ব্যৱহাৰ কৰি এজন ব্যক্তিয়ে সমগ্ৰ ব্যৱসায় চলোৱা।
- কোনো নিৰ্দিষ্ট এটা বিষয়ত (যেনে— ব্লকচেইন বা এআই অডিট) পাৰদৰ্শিতা লাভ কৰি পৃথিৱীৰ যিকোনো ঠাইৰ পৰা কাম কৰা।

**প্ৰয়োজনীয় দক্ষতা (Essential Skills) ঃ** অহা ২৫ বছৰত টিকি থাকিবলৈ এইকেইটা দিশত চকু দিয়াটো জৰুৰী।

- **অভিযোজন ক্ষমতা (Adaptability) ঃ** নতুন প্ৰযুক্তি ক্ষিপ্ৰতাৰে শিকি লোৱাৰ মানসিকতা।
- **আৱেগিক বুদ্ধিমত্তা (Emotional Intelligence) ঃ** মানুহৰ সৈতে সম্পৰ্ক গঢ়া আৰু নেতৃত্ব দিয়া—যিটো যন্ত্ৰই কৰিব নোৱাৰে।
- **সমালোচনাত্মক চিন্তা (Critical Thinking) ঃ** জটিল সমস্যাৰ সমাধান উলিওৱা।

## জেন-জি (Gen-Z) বা বৰ্তমানৰ যুৱ প্ৰজন্মৰ বাবে আগন্তুক ২৫ বছৰৰ কেৰিয়াৰ

(১) **সৌৰ শক্তি প্ৰযুক্তিবিদ (Solar Energy Technician) ঃ** বতাহ শক্তিৰ দৰেই সৌৰ শক্তিও এক পৰিৱেশ-অনুকূল শক্তিৰ ভৱিষ্যতৰ বাবে মানৱজাতিৰ পৰিৱৰ্তনৰ এক প্ৰধান অংশ হৈ থাকিব। সৌৰ শক্তিৰ ব্যয় প্ৰতি বছৰে হ্ৰাস পাই আহিছে, যাৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠান আৰু পৰিয়ালৰ বাবে ই অধিক সুলভ হৈ পৰিছে। বিশ্বৰ বিভিন্ন চহৰত সৌৰ শক্তি প্ৰযুক্তিবিদসকলে এক বৰ্ধিত উদ্যোগত স্থায়ী নিযুক্তি লাভ কৰি এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ২০১৬ চনৰ পৰা ২০২৬ চনলৈ এই দশকটোত প্ৰায় ৩০,০০০ সৌৰ প্ৰযুক্তিবিদৰ পদ খালী হোৱাৰ সম্ভাৱনা আছে।

(২) **বতাহ শক্তি প্ৰযুক্তিবিদ (Wind Energy Technician) ঃ** জলবায়ু পৰিৱৰ্তনে এই পৃথিৱীখনক গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত কৰাৰ ভাবুকি দি থকাৰ পৰিপ্ৰেক্ষিতত, নিকা শক্তিৰ (clean energy) উৎসসমূহৰ ফালে অগ্ৰসৰ হোৱাটো অধিক গুৰুত্বপূৰ্ণ হৈ পৰিব। কাৰ্বন আৰু মিথেন গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ অৰ্থ হ'ল তেল, কয়লা আৰু প্ৰাকৃতিক গেছৰ দৰে জীৱাশ্ম ইন্ধনৰ উৎসসমূহৰ পৰা আঁতৰি অহা। ইয়াৰ অৰ্থ এইটোৱেই যে বতাহ শক্তি সম্ভৱতঃ ভৱিষ্যতৰ এক বৃহৎ অংশীদাৰ হ'ব। এই উদ্যোগটো ইতিমধ্যে যথেষ্ট বিকশিত হৈছে। ইয়াৰ বিকাশ আৰু অধিক হোৱাৰ সম্ভাৱনা আছে; যাৰ অৰ্থ হ'ল বিশাল বতাহ কলসমূহৰ (wind turbines) স্থাপন, চোৱাচিতা আৰু মেৰামতিৰ কামত সহায় কৰিবলৈ দক্ষ প্ৰযুক্তিবিদৰ প্ৰয়োজন হ'ব।

(৩) **নাৰ্ছ প্ৰেকটিছনাৰ (Nurse Practitioner) ঃ** জনসংখ্যা বৃদ্ধি আৰু মানুহৰ আয়ুস বৃদ্ধি হোৱাৰ ফলত স্বাস্থ্যসেৱা প্ৰণালীটোৱে ক্ৰমাৎ বাঢ়ি অহা ৰোগীৰ ভিৰ চম্ভালিবলৈ অসুবিধা পাব পাৰে। বহুতো অঞ্চলত চিকিৎসকৰ অভাৱ খুবেই পৰিলক্ষিত হয়। সেয়েহে, বিভিন্ন ধৰণৰ জটিল (acute) আৰু দীৰ্ঘদিনীয়া (chronic) ৰোগত আক্ৰান্ত ৰোগীসকলক ৰোগ নিৰ্ণয় আৰু চিকিৎসা কৰাৰ দক্ষতা থকা চিকিৎসকৰ বাহিৰেও আন স্বাস্থ্য পেছাদাৰীৰ অধিক প্ৰয়োজন হ'ব। পঞ্জীয়নভুক্ত নাৰ্ছসকলে

(Registered nurses) যদি স্নাতক পৰ্যায়ত সঠিক ধৰণৰ উচ্চশিক্ষা গ্ৰহণ কৰে, তেন্তে তেওঁলোকে 'নাৰ্ছ প্ৰেকটিছনাৰ' হৈ সেই খালী-পদসমূহ পূৰণ কৰাত সহায় কৰিব পাৰে।

(৪) **চফ্‌টৱেৰ ডেভেলপাৰ (Software Developer) ঃ** কম্পিউটাৰ, ৰবট আৰু ম'বাইল সঁজুলিবোৰ উন্নতমানৰ চফ্‌টৱেৰ অবিহনে অসাৰ। চফ্‌টৱেৰে এইবোৰত চলি থকা অত্যাধুনিক হাৰ্ডৱেৰসমূহক কাৰ্যক্ষম কৰি তোলে। ইণ্টাৰনেটৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগতে মেচিনবোৰ অধিক স্মাৰ্ট হৈ পৰিছে। সমান্তৰালভাৱে ইটোৱে সিটোৰ সৈতে অধিক সংযুক্ত হৈ পৰাৰ লগে লগে, দক্ষতাসম্পন্ন চফ্‌টৱেৰ ডেভেলপাৰৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাব। বিশেষকৈ ম'বাইল এপ্লিকেচন ডেভেলপমেণ্টক (Mobile app development) ২০২৬ চন আৰু তাৰ পৰৱৰ্তী সময়ৰ বাবে অন্যতম শ্ৰেষ্ঠ কেৰিয়াৰ হিচাপে গণ্য কৰা হয়।

(৫) **ফিজিকেল থেৰাপিষ্ট (Physical Therapist) ঃ** আমাৰ সমাজত জ্যেষ্ঠ নাগৰিকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে, ফিজিকেল থেৰাপি (শাৰীৰিক চিকিৎসা) প্ৰদান কৰা পেছাদাৰীসকলৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাব। বহুতো জ্যেষ্ঠ নাগৰিকক বয়স বৃদ্ধিৰ লগে লগে কোনো ধৰণৰ শাৰীৰিক পুনৰ্সংস্থাপন (rehabilitation), বিষ নিয়ন্ত্ৰণ, খোজ কঢ়া বা চলা-ফিৰা কৰাত সহায় বা থেৰাপিউটিক চিকিৎসাৰ প্ৰয়োজন হয়। ইয়াৰ উপৰি, ফিজিকেল থেৰাপিষ্ট সহায়কসকলৰ (assistants) বাবে অতিৰিক্ত কৰ্মসংস্থান মুকলি হ'ব পাৰে।

(৬) **পঞ্জীয়নভুক্ত নাৰ্ছ বা ৰেজিষ্টাৰ্ড নাৰ্ছ (Registered Nurse - RN) ঃ** পঞ্জীয়নভুক্ত নাৰ্ছসকলৰ বাবে অধিক চাকৰিৰ সুযোগ মুকলি হোৱাৰ সম্ভাৱনা আছে। বেছিভাগ অঞ্চলতে জ্যেষ্ঠ নাগৰিকৰ সংখ্যা যিমান দ্ৰুতগতিত বৃদ্ধি পাইছে, প্ৰযুক্তিগত উন্নতি আৰু চিকিৎসা বিজ্ঞানৰ নতুন আৱিষ্কাৰৰ বাবে তেওঁলোকৰ ভূমিকা অলপ সলনি হ'লেও, আগন্তুক দশকবোৰত পঞ্জীয়নভুক্ত নাৰ্ছৰ চাহিদা অধিক হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

(৭) **স্বাস্থ্য সেৱা পৰিচালক (Health Services Manager) ঃ** আগন্তুক দশকবোৰত স্বাস্থ্যসেৱা খণ্ডটোত অন্যান্য উদ্যোগতকৈ অধিক পৰিৱৰ্তন ঘটিব পাৰে। প্ৰতিটো স্বাস্থ্য আৰু চিকিৎসা প্ৰতিষ্ঠানক আইনী, নিয়ন্ত্ৰণমূলক আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই লোৱাত সহায় কৰিবলৈ উচ্চ জ্ঞানসম্পন্ন নেতা আৰু পৰিচালকৰ প্ৰয়োজন হ'ব, যাতে তেওঁলোকে সেৱাৰ মানদণ্ড আৰু দক্ষতা উন্নত কৰি ৰাখিব পাৰে। স্বাস্থ্য আৰু চিকিৎসা সেৱা পৰিচালকসকলৰ এই দশকটোত অধিক চাকৰিৰ সুযোগ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

(৮) **ডাটা এনালিষ্ট বা তথ্য বিশ্লেষক (Data Analyst) ঃ** কম্পিউটাৰৰ উন্নতি আৰু তথ্য সংগ্ৰহ তথা জোখ-মাখৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহৰ বাবে প্ৰতি বছৰে সংগৃহীত তথ্যৰ (data) পৰিমাণ আচৰিত ধৰণে বৃদ্ধি পাইছে। বৰ্তমান সকলো ধৰণৰ প্ৰতিষ্ঠানেই ইমান বিস্তৃত তথ্য সংগ্ৰহ কৰিবলগীয়া হয় যে সেই সকলোবোৰৰ প্ৰকৃত অৰ্থ উলিওৱাটো তেওঁলোকৰ বাবে কঠিন হৈ পৰিছে। তেওঁলোকক এনেকুৱা

পেছাদাৰী ব্যক্তিৰ প্ৰয়োজন যিয়ে কেৱল প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাই নহয়, বৰঞ্চ তাৰ মাজৰ আৰ্হি (patterns) বিচাৰি উলিয়াব পাৰে, অতীত আৰু বৰ্তমানৰ ধাৰাসমূহ (trends) চিনাক্ত কৰিব পাৰে আৰু ভৱিষ্যতৰ সম্ভাৱনাসমূহৰ পূৰ্বানুমান কৰিব পাৰে।

(৯) **ডিজিটেল কন্টেন্ট স্পেচিয়েলিষ্ট (Digital Content Specialist) ঃ** অধিক গতিশীল, ডিজিটেল, পাৰস্পৰিক সক্ৰিয় (interactive) আৰু অন-ডিমাণ্ড মিডিয়াৰ দিশত হোৱা পৰিৱৰ্তন বৰ্তমান সময়ৰ এক অন্যতম বৃহৎ সাংস্কৃতিক বিপ্লৱ, যি ক্ৰমান্বয়ে অধিক বিস্তৃত হৈ পৰিছে। ডিজিটেল সঁজুলিবোৰৰ বাবে আমি যিকোনো ধৰণৰ তথ্য বা মনোৰঞ্জনৰ সৈতে নিৰন্তৰভাৱে নিমগ্ন হৈ থাকোঁ, যাৰ ফলত অজস্ৰ তথ্যৰ মাজত নিজৰ পৰিচয় দাঙি ধৰিব পৰা নতুন কন্টেন্ট বা সমলৰ প্ৰয়োজনীয়তা কেতিয়াও শেষ নহয়। প্ৰতিটো উদ্যোগৰ প্ৰতিষ্ঠানসমূহে অনুভৱ কৰে যে নতুন ডিজিটেল কন্টেন্ট প্ৰস্তুত কৰাটো তেওঁলোকৰ কাৰ্যকাৰিতা বজাই ৰখাৰ এক প্ৰধান চাবিকাঠি। সেইবাবেই, বিভিন্ন চাকৰিৰ পদবী আৰু দক্ষতা থকা 'ডিজিটেল কন্টেন্ট স্পেচিয়েলিষ্ট'সকলৰ চাহিদা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বিশেষকৈ ঘৰৰ পৰা কাম কৰা (remote work) আৰু ফ্ৰিলান্সিং (freelance) জনপ্ৰিয় হোৱাৰ লগে লগে ইয়াৰ গুৰুত্ব বাঢ়িছে। এই ধৰণৰ পদৰ বাবে প্ৰস্তুত হ'বলৈ ইণ্টাৰনেট মাৰ্কেটিং, লিখন শৈলী, আৰু মাল্টিমিডিয়া তথা ডিজিটেল আৰ্টছৰ দৰে বিষয়ত প্ৰশিক্ষণ লোৱাটো বুদ্ধিমানৰ কাম।

(১০) **তথ্য সুৰক্ষা বিশ্লেষক (Information Security Analyst) ঃ** আমাৰ আধুনিক জীৱনশৈলী যিহেতু কম্পিউটাৰৰ সৈতে অধিক জড়িত হৈ পৰিছে আৰু তথ্য প্ৰযুক্তিৰ (IT) ওপৰত নিৰ্ভৰশীল হৈ পৰিছে, কিন্তু আমি সকলোৱে চাইবাৰ আক্ৰমণৰ প্ৰতি অধিক অসুৰক্ষিত হৈ পৰিছো। এতিয়ালৈকে আমি ভাগ্যবান যে অপৰাধীচক্ৰ তথা হেকাৰসকলে অতি বৃহৎ পৰিসৰত বা দীৰ্ঘ সময়ৰ বাবে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহ স্তব্ধ কৰি দিব পৰা নাই। কিন্তু তেনে দিন সম্ভৱতঃ আহি আছে, যদিহে চৰকাৰ আৰু অত্যাৱশ্যকীয় প্ৰতিষ্ঠানসমূহক তেওঁলোকৰ নেটৱৰ্ক আৰু আই টি (IT) ব্যৱস্থাসমূহ সুৰক্ষিত কৰাত সহায় কৰিবলৈ পৰ্যাপ্ত কম্পিউটাৰ সুৰক্ষা বিশেষজ্ঞ নাথাকে। চাইবাৰ সুৰক্ষা এক বিশ্বব্যাপী সমস্যা, আৰু দুষ্কৃতিকাৰীসকলে তেওঁলোকৰ আক্ৰমণৰ ক্ষেত্ৰত ক্ৰমান্বয়ে অধিক অত্যাধুনিক কৌশল অৱলম্বন কৰিছে।

(১১) **কম্পিউটাৰ চিষ্টেম এনালিষ্ট (Computer Systems Analyst) ঃ** তথ্য প্ৰযুক্তি যিমান বেছি জটিল আৰু আমাৰ জীৱনৰ প্ৰতিটো দিশৰ সৈতে সাঙোৰ খাই পৰিছে, তাৰ লগে লগে কম্পিউটাৰ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰাৰ কাৰণসমূহো সম্ভৱতঃ বৃদ্ধি পাই থাকিব।

এই ক্ৰমবৰ্ধমান জটিলতাৰ বাবেই ভৱিষ্যতে অধিক সংখ্যক প্ৰতিষ্ঠানক 'চিষ্টেম এনালিষ্ট' বা তন্ত্ৰ বিশ্লেষকৰ প্ৰয়োজন হ'ব। কোম্পানীবোৰক উন্নতমানৰ হাৰ্ডৱেৰ আৰু চফ্টওৱেৰ নিৰ্বাচন তথা স্থাপন কৰাৰ ক্ষেত্ৰত সহায়ৰ প্ৰয়োজন হ'ব, য'ত (সম্ভৱতঃ ৰবট আৰু কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন (AI) যন্ত্ৰও অন্তৰ্ভুক্ত থাকিব পাৰে।

(১২) **বায়োমেডিকেল ইঞ্জিনিয়াৰ (Biomedical Engineer)** ঃ এই ক্ষেত্ৰৰ পেছাদাৰীসকলে ইতিমধ্যে স্বাস্থ্যসেৱা উদ্যোগত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ আৰম্ভ কৰিছে। আচলতে, যদি তুমি তোমাৰ কামৰ জৰিয়তে অনাগত বছৰবোৰত এক ইতিবাচক প্ৰভাৱ পেলাব বিচাৰা, তেন্তে বায়োমেডিকেল ইঞ্জিনিয়াৰিং সম্ভৱতঃ কেৰিয়াৰ গঢ়াৰ বাবে অন্যতম শ্ৰেষ্ঠ ক্ষেত্ৰ হ'ব। কাৰণ, বায়োমেডিকেল ইঞ্জিনিয়াৰসকল সকলো ধৰণৰ অত্যাধুনিক গৱেষণা আৰু উন্নয়নৰ (R&D) সৈতে জড়িত। উদাহৰণস্বৰূপে, তেওঁলোকৰ বহুতে অত্যাধুনিক চিকিৎসা সঁজুলি, কৃত্ৰিম অংগ (artificial organs), বায়'নিক শৰীৰৰ অংশ আৰু জৈৱিক ইমপ্লান্ট আদি ডিজাইন কৰিবলৈ সুযোগ পায়। এই দশকটোত এই ক্ষেত্ৰত প্ৰায় ১৬,০০০ টা চাকৰিৰ সুযোগ মুকলি হোৱাৰ সম্ভাৱনা আছে।

(১৩) **মেকানিকেল ইঞ্জিনিয়াৰিং স্পেচিয়েলিষ্ট (Mechanical Engineering Specialist)** ঃ তুমি কিছুমান অত্যন্ত ৰোমাঞ্চকৰ উদ্ভাৱনীমূলক প্ৰযুক্তি বিকাশৰ ক্ষেত্ৰত সহায় কৰিব বিচাৰা নেকি? বৰ্তমান সময়ত মেকানিকেল ইঞ্জিনিয়াৰ তথা মেকানিকেল ইঞ্জিনিয়াৰিং প্ৰযুক্তিবিদসকল ক্ৰমান্বয়ে উন্নতমানৰ ৰবট, স্বয়ংক্ৰিয় সঁজুলি (automation equipment), ত্ৰিমাত্ৰিক মুদ্ৰণ যন্ত্ৰ (3D-printing machines) আৰু নিকা শক্তিৰ সঁজুলি আদিৰ ডিজাইন আৰু পৰীক্ষণৰ সৈতে জড়িত হৈ পৰিছে। এটা পূৰ্বানুমান অনুসৰি, ২০২৬ চনৰ পৰা ২০৩৬ চনৰ ভিতৰত এই ক্ষেত্ৰত ইঞ্জিনিয়াৰসকল আৰু প্ৰযুক্তিবিদসকলৰ বাবে আৰু বহু চাকৰিৰ সুযোগ মুকলি হ'ব পাৰে।

(১৪) **ইলেকট্ৰনিক্স ইঞ্জিনিয়াৰিং স্পেচিয়েলিষ্ট (Electronics Engineering Specialist)** ঃ মেকানিকেল ইঞ্জিনিয়াৰিঙৰ পেছাদাৰীসকলৰ দৰেই এই ক্ষেত্ৰৰো বহু লোকে অত্যাধুনিক প্ৰযুক্তিৰ ডিজাইন, পৰীক্ষণ আৰু মূল্যায়নৰ ক্ষেত্ৰত সহায় কৰাৰ সুযোগ পায়। যিহেতু ইলেকট্ৰনিক চাৰ্কিট আৰু অন্যান্য উপাদানসমূহ ক্ৰমান্বয়ে সৰু, অধিক জটিল আৰু অধিক শক্তিশালী হৈ আহিছে। গতিকে শেহতীয়া প্ৰযুক্তিগত উন্নতিৰ কেনেকৈ সুযোগ ল'ব পাৰি সেইটো নিৰ্ণয় কৰাটো এই পেছাদাৰীসকলৰ ওপৰতে নিৰ্ভৰ কৰে। তেওঁলোকে উন্নত কম্পিউটাৰ, স্বয়ংক্ৰিয় মেচিনাৰী, হাতত লৈ ফুৰিব পৰা চিকিৎসা সঁজুলি (handheld medical devices), আৰু নেভিগেচন তথা যোগাযোগ সঁজুলি আদি বিকশিত কৰাত সহায় কৰিব পাৰে। ভৱিষ্যতে তেওঁলোকৰ কিছুমানে আনকি চালকবিহীন গাড়ীৰ (self-driving cars) দৰে প্ৰকল্পতো কাম কৰাৰ সুযোগ পাব পাৰে।

(১৫) **ডিজিটেল ৰিহেব কাউন্সিলৰ (Digital Rehab Counselor)** ঃ তুমি কেতিয়াবা এদিনত গ্ৰহণ কৰা অত্যধিক ডিজিটেল তথ্যৰ বাবে মানসিক চাপ অনুভৱ কৰা নেকি? বহুতো মানুহে তেনে অনুভৱ কৰে। যিহেতু আমাৰ জীৱন ক্ৰমান্বয়ে ছ'চিয়েল মিডিয়া আৰু অন্যান্য অনলাইন কাৰ্যকলাপৰ ওপৰত অধিক নিৰ্ভৰশীল হৈ পৰিছে, সেয়েহে এক সচেতনতা বৃদ্ধি পাইছে যে আমাৰ মাজৰ বহুতো লোকে প্ৰকৃততে আমি ব্যৱহাৰ কৰা প্ৰযুক্তিৰ প্ৰতি আসক্ত হৈ পৰিছে। গতিকে ভৱিষ্যতৰ অন্যতম প্ৰধান চাকৰিৰ ভিতৰত এটা হ'ব পাৰে মানুহক তেওঁলোকৰ অত্যধিক ডিজিটেল ইনপুট বা তথ্য গ্ৰহণৰ পৰা

"ডি ট'ক্স" (detox) বা আসক্তি মুক্ত কৰাত সহায় কৰা। যিসকল লোকৰ কাউন্সেলিং বা পৰামৰ্শদানৰ প্ৰশিক্ষণ আছে, তেওঁলোকেই সম্ভৱতঃ এই ধৰণৰ চাকৰিৰ বাবে আটাইতকৈ উপযুক্ত বিবেচিত হ'ব।

(১৬) **ব্লকচেইন ডেভেলপাৰ (Blockchain Developer)**ঃ তুমি চাগে বিট্‌কইন (Bitcoin) নামৰ ডিজিটেল ক্ৰিপ্টোকাৰেন্সীটোৰ বিষয়ে শুনিছা। কিন্তু ইয়াক সম্ভৱ কৰি তোলা মূল প্ৰযুক্তিটোৰ বিষয়ে তুমি কিমান জানা? ব্লকচেইন প্ৰযুক্তিয়ে এটা আবন্টিত ক্ৰিপ্টোগ্ৰাফিক লেজাৰ (distributed cryptographic ledger) হিচাপে কাম কৰে, যিয়ে অৰ্থনৈতিক আৰু অন্যান্য লেনদেনবোৰক বিকেন্দ্ৰীকৃত (decentralized), দ্ৰুত আৰু অধিক ব্যক্তিগত বা গোপনীয় কৰি তুলিব পাৰে। এই গোটেই বিষয়টো বুজিবলৈ অলপ কঠিন হ'লেও, বহু বিশেষজ্ঞই বিশ্বাস কৰে যে ব্লকচেইন প্ৰযুক্তি অৱশেষত ইণ্টাৰনেটৰ দৰেই বিশ্ব-পৰিবৰ্তনকাৰী হ'ব। সেইবাবেই যিসকল পেছাদাৰীয়ে ব্লকচেইন প্ৰযুক্তিৰ সহায়ত ব্যৱহাৰিক সেৱা আৰু সামগ্ৰী কেনেকৈ বিকশিত কৰিব লাগে সেই বিষয়ে জানে, তেওঁলোকৰ চাহিদা ভৱিষ্যতলৈ অধিক হোৱাৰ সম্ভাৱনা আছে।

(১৭) **অসামৰিক বা বাণিজ্যিক ড্ৰোন পাইলট বা ডিচপেচাৰ (Civil or Commercial Drone Pilot or Dispatcher)**ঃ চৰকাৰে বৰ্তমান ড্ৰোনৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে শ্ৰেষ্ঠ উপায়সমূহ নিৰ্ণয় কৰি আছে। কিয়নো, মানুহে ড্ৰোনৰ দূৰৱৰ্তী উৰণ ক্ষমতাৰ (remote flight capabilities) সুবিধা লৈ নতুন নতুন কাম কৰাৰ পৰিকল্পনা কৰি আহিছে। ড্ৰোনসমূহ কেৱল সামৰিক বা মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে এতিয়া সেইবোৰ ক্ৰমান্বয়ে বিভিন্ন অসামৰিক আৰু বাণিজ্যিক কামত ব্যৱহাৰ কৰা হৈছে। উদাহৰণস্বৰূপে, আমাজনৰ (Amazon) দৰে কোম্পানীবোৰে ড্ৰোনৰ জৰিয়তে সামগ্ৰী যোগান ধৰাৰ পৰিকল্পনা কৰিছে। কিন্তু ইয়াৰ উপৰি চহৰৰ ৰাস্তাৰ পৰা আৱৰ্জনা আঁতৰোৱা, বায়ু প্ৰদূষণৰ মাত্ৰা নিৰীক্ষণ কৰা আৰু ওখ ঠাইত বিপজ্জনক বা দুৰ্গম স্থানত গৈ কৰা দৈনন্দিন কামবোৰতো ইয়াক ব্যৱহাৰ কৰিব পাৰি। সেইবাবেই কিছুমান কোম্পানী আৰু চৰকাৰী সংস্থাই তেওঁলোকৰ এই সৰু ৰিম'ট-কণ্ট্ৰল চালিত বিমানসমূহ পৰিচালনা কৰিবলৈ ড্ৰোন পাইলট আৰু ডিচপেচাৰৰ দল গঠন কৰিবলৈ আৰম্ভ কৰিছে।

(১৮) **স্মাৰ্ট-বিল্ডিং প্ৰযুক্তিবিদ (Smart-Building Technician)**ঃ প্ৰতিটো বছৰ অতিবাহিত হোৱাৰ লগে লগে, অধিক সংখ্যক ঘৰ, কাৰ্যালয় আৰু কাৰখানাই পোহৰ (lighting), উত্তাপ (heating), শীত-তাপ নিয়ন্ত্ৰণ (air conditioning) আৰু নিৰাপত্তাৰ দৰে বিভিন্ন বিল্ডিং চিষ্টেমসমূহ নিয়ন্ত্ৰণ কৰিবলৈ স্বয়ংক্ৰিয় প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰিছে। আমাৰ দৈনন্দিন ব্যৱহাৰ্য সঁজুলি যেনে— ফ্ৰিজ আদিও ক্ৰমান্বয়ে বিকশিত হৈ থকা 'ইণ্টাৰনেট অফ থিংছ'ৰ (Internet of Things) অংশ হৈ পৰিছে। ভৱিষ্যতে, স্মাৰ্ট বিল্ডিংসমূহে সমগ্ৰ চহৰখনতে আধিপত্য বিস্তাৰ কৰিব পাৰে, কিয়নো মানুহে স্বয়ংক্ৰিয় নিয়ন্ত্ৰণ আৰু উচ্চ-সংযোগযুক্ত (hyper-connected) ব্যৱস্থাসমূহৰ সুবিধা গ্ৰহণ কৰিছে। কিন্তু এই ব্যৱস্থাসমূহ স্থাপন, মেৰামতি আৰু

চোৰাচিতা কৰিবলৈ এতিয়াও আমাক দক্ষ লোকৰ প্ৰয়োজন। সেইবাবেই HVAC (উত্তাপ, বতাহ চলাচল আৰু শীত-তাপ নিয়ন্ত্ৰণ) প্ৰযুক্তিবিদৰ দৰে বৃত্তিজীৱীসকলে এতিয়া স্মাৰ্ট-বিল্ডিং প্ৰযুক্তিবিদ হ'বলৈ আৰম্ভ কৰিছে।

(১৯) **থ্ৰি ডি-প্ৰিন্টিং প্ৰযুক্তিবিদ (3D-Printing Technician)** ঃ বহুতো ভৱিষ্যতবক্তাই (futurists) বিশ্বাস কৰে যে 3ডি-প্ৰিন্টিং প্ৰযুক্তি (যাক এডিটিভ মেনুফেকচাৰিং বুলিও কোৱা হয়) অৱশেষত কি কি কৰিবলৈ সক্ষম হ'ব, তাৰ আমি কেৱল আৰম্ভণিহে দেখিছো। চখ বা আমোদৰ বাবে কাম কৰা লোক, ঔদ্যোগিক ডিজাইনাৰ, বায়োমেডিকেল ইঞ্জিনিয়াৰ আৰু অন্যান্যসকলে ইতিমধ্যে সঁজুলি, খাদ্য, কাপোৰ, দৈনন্দিন ঘৰুৱা সামগ্ৰী, চিকিৎসা ইমপ্লান্ট আৰু বিমান, মটৰ গাড়ী তথা ইলেকট্ৰনিক্সৰ যন্ত্ৰাংশ আদিৰ চাহিদা অনুসৰি (on demand) উৎপাদনৰ পৰীক্ষা-নিৰীক্ষা চলাই আছে। এই প্ৰযুক্তিৰ যিহেতু উন্নতি হৈছে, সেয়েহে 3ডি-প্ৰিন্টিং মেচিনবোৰ ভৱিষ্যতে ফ্ৰিজ আৰু মাইক্ৰ'ৱেভৰ দৰেই সুলভ হৈ পৰিব। অৱশেষত, প্ৰতিটো ঘৰ আৰু প্ৰতিষ্ঠানতে এটা 3ডি-প্ৰিন্টিং মেচিন থাকিব পাৰে। আৰু প্ৰতিখন চহৰতে থকা সৰু সৰু স্থানীয় 3ডি-প্ৰিন্টিং নিৰ্মাণ কেন্দ্ৰবোৰে হয়তো অৱশেষত দূৰৈৰ ডাঙৰ কাৰখানাবোৰৰ স্থান ল'ব। গতিকে যিসকল প্ৰযুক্তিবিদে থ্ৰিডি-প্ৰিন্টিং সঁজুলিৰ চোৰাচিতা কৰাত বিশেষজ্ঞ, তেওঁলোকৰ চাহিদা ক্ৰমান্বয়ে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

(২০) **অগ্‌মেন্টেড ৰিয়েলিটি ডেভেলপাৰ (Augmented Reality Developer)** ঃ আচলতে পৃথিৱীখন অতি আমনিদায়ক নেকি? ইয়াক অধিক তথ্য বা মনোৰঞ্জন প্ৰদান কৰিব পৰাকৈ কিবা দৃশ্যমান পৰিৱৰ্তনৰ প্ৰয়োজন নেকি? কিছুমান মানুহে তেনেকৈয়ে ভাবে। সেইবাবেই তেওঁলোকে বিশেষ চশমা, বায়'নিক কন্টাক্ট লেন্স বা অন্যান্য প্ৰযুক্তি ব্যৱহাৰ কৰি এজন ব্যক্তিৰ স্বাভাৱিক দৃষ্টিৰ ওপৰত ডিজিটেল ছবি আৰু তথ্য জাপি দিয়াৰ (superimpose) উপায় উদ্ভাৱন কৰিছে। অগমেন্টেড ৰিয়েলিটি (AR)-এ অৱশেষত প্ৰতিগৰাকী ব্যক্তিৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱনত এক ডাঙৰ প্ৰভাৱ পেলাব পাৰে, কিয়নো ই সম্ভৱতঃ প্ৰতিটো উদ্যোগ, অনুষ্ঠান আৰু ৰাজহুৱা স্থানক স্পৰ্শ কৰিব। সেয়েহে, এই প্ৰযুক্তিৰ সুৰক্ষিত আৰু ফলপ্ৰসূ ব্যৱহাৰ বুদ্ধিমানৰূপে ডিজাইন আৰু পৰিকল্পনা কৰিবলৈ অগ্‌মেন্টেড ৰিয়েলিটি ডেভেলপাৰৰ প্ৰয়োজন।

(২১) **ব্যক্তিগত গোপনীয়তা উপদেষ্টা (Personal Privacy Advisor)** ঃ প্ৰযুক্তি যিমানেই বিকশিত হৈছে আৰু আমাৰ জীৱনৰ বিভিন্ন দিশ স্পৰ্শ কৰিছে, সিমানেই আমাৰ গোপনীয়তা ৰক্ষা কৰাটো ক্ৰমান্বয়ে কঠিন হৈ পৰিছে। ফেচিয়েল ৰিক্‌গনিচন (মুখমণ্ডল চিনাক্তকৰণ) আৰু অগ্‌মেন্টেড ৰিয়েলিটিৰ দৰে প্ৰযুক্তি ব্যাপকভাৱে ব্যৱহাৰ হ'বলৈ ধৰিলে এই প্ৰত্যাহ্বান আৰু অধিক জটিল হৈ পৰিব। অতি সোনকালে এনে এক সময় আহিব পাৰে য'ত আপুনি ৰাজহুৱা স্থানলৈ ওলাই গ'লেই আন সকলোৱে স্বয়ংক্ৰিয়ভাৱে আপোনাৰ পৰিচয়, বয়স, বৈবাহিক স্থিতি, কৰ্মসংস্থান আৰু অপৰাধমূলক ৰেকৰ্ড (যদি আছে) আদিৰ বিষয়ে জানিব পাৰিব। গতিকে, ছচিয়েল মিডিয়া বা অন্যান্য প্ৰযুক্তিৰ মূল সুবিধাসমূহ

হেৰুৱাই নেপেলোৱাকৈ মানুহক নিজৰ গোপনীয়তা সুৰক্ষিত কৰাত সহায় কৰা বিশেষজ্ঞ সকলৰ চাহিদা ভৱিষ্যতে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

(২২) **ব্যক্তিগত ব্ৰেণ্ড উপদেষ্টা (Personal Brand Advisor) ঃ** আনকি ডাঙৰ আৰু প্ৰতিষ্ঠিত প্ৰতিষ্ঠানসমূহৰ মাজতো হ্ৰস্বম্যাদী প্ৰকল্পৰ বাবে ফ্ৰীলান্স (freelance) পেছাদাৰীসকলক নিযুক্তি দিয়াটো এটা ডাঙৰ প্ৰবাহ হৈ পৰিছে, যিটো ভৱিষ্যতে অধিক সম্প্ৰসাৰিত হ'ব পাৰে। আচলতে, বহুতো ভৱিষ্যতবক্তাই এনে এক সময়ৰ আগজাননী দিছে, যেতিয়া বেছিভাগ কামেই অস্থায়ী চুক্তিৰ ভিত্তিত কৰা হ'ব। যদি সেয়া সঁচা হয়, তেন্তে কৰ্মীসকলে শক্তিশালী ব্যক্তিগত ব্ৰেণ্ড গঢ়ি তোলাৰ লগতে ধাৰাবাহিকভাৱে আত্ম-প্ৰচাৰৰ বাবে যথেষ্ট কষ্ট কৰিব লাগিব। ব্যক্তিগত ব্ৰেণ্ড উপদেষ্টাসকলে তেওঁলোকৰ গ্ৰাহকসকলক পৰিচয় আৰু পেছাদাৰী সুনাম প্ৰতিষ্ঠা তথা বজাই ৰখাত সহায় কৰিব, যিয়ে তেওঁলোকক প্ৰতিযোগিতাৰ পৰা পৃথক কৰি তুলিব।

(২৩) **ৰবটিক্স চাৰ্ভিচ টেকনিচিয়ান (Robotics Service Technician) ঃ** অনাগত দশকবোৰত, প্ৰায় প্ৰতিখন ঘৰতে কাপোৰ ধোৱা, ৰন্ধা-বঢ়া, চাফ-চিকুণ কৰা আৰু চোতালৰ ঘাঁহ কটাৰ দৰে দৈনন্দিন ঘৰুৱা কামত সহায় কৰিবলৈ অত্যাধুনিক ৰবট থাকিব পাৰে। কিন্তু সেই ৰবটবোৰে সদায় সঠিকভাৱে কাম নকৰিবও পাৰে। গতিকে হেক হোৱা, নিয়ন্ত্ৰণহীন হোৱা বা কাম কৰিবলৈ বন্ধ কৰা ৰবটবোৰ মেৰামতি বা পুনৰ প্ৰগ্ৰাম কৰিবলৈ দক্ষ টেকনিচিয়ানৰ প্ৰয়োজন হ'ব পাৰে। আচলতে, ৰবট টেকনিচিয়ানসকল অৱশেষত প্লাম্বাৰ, ইলেকট্ৰিচিয়ান, অটো মেকানিক আৰু অন্যান্য ধৰণৰ দক্ষ কাৰিকৰসকলৰ দৰেই সাধাৰণ আৰু সুলভ হৈ পৰিব।

(২৪) **ৰিম'ট হেল্‌থ কেয়াৰ ইঞ্জিনিয়াৰ (Remote Health Care Engineer) ঃ** প্ৰযুক্তিৰ সহায়ত চিকিৎসক আৰু ৰোগী একে সময়তে একেটা স্থানত উপস্থিত নাথাকিলেও চিকিৎসা সম্ভৱ হৈ উঠিছে। ৰবটৰ সহায়ত দূৰৈৰ পৰাই অস্ত্ৰোপচাৰ কৰিব পৰা প্ৰযুক্তিও বিকশিত হৈছে। ভৱিষ্যতে ৰিম'ট হেল্‌থ কেয়াৰ ইঞ্জিনিয়াৰসকলে এনে উন্নত প্ৰচযুক্তিৰ পৰিচালনা কৰিব, যাৰ ফলত পৃথিৱীৰ যিকোনো প্ৰান্তৰ বিশেষজ্ঞৰ দ্বাৰা ৰোগীয়ে চিকিৎসা লাভ কৰিব পাৰিব।

(২৫) **নগৰীয়া কৃষি বিশেষজ্ঞ (Urban Agriculture Specialist) ঃ** চহৰৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ লগে লগে খাদ্যৰ চাহিদাও বাঢ়িব। সেয়েহে চহৰসমূহ স্বনিৰ্ভৰশীল হ'বলৈ হাইড্ৰ'পনিক্স (hydroponics) আৰু উলম্ব কৃষি (vertical farming) পদ্ধতিৰে খাদ্য উৎপাদন কৰিব লাগিব। নগৰীয়া কৃষি বিশেষজ্ঞ সকলৰ চাহিদা ভৱিষ্যতে যথেষ্ট বৃদ্ধি পাব।

(২৬) **নেন'টেক ইঞ্জিনিয়াৰ (Nanotech Engineer) ঃ** আণৱিক স্তৰত পদাৰ্থৰ পৰিৱৰ্তন ঘটাই নতুন উদ্ভাৱন কৰাটোৱেই হৈছে নেন' টেকনলজী। ভৱিষ্যতে নেন'-ৰবটে মানুহৰ শৰীৰৰ ভিতৰত সোমাই ৰোগ নিৰাময় কৰিব পাৰিব। এই ইঞ্জিনিয়াৰসকলে চাব লাগিব যাতে এই প্ৰযুক্তিয়ে পৰিৱেশ বা মানৱ স্বাস্থ্যৰ কোনো ক্ষতি নকৰে।

(২৭) **বায়'মেক টেকনিচিয়ান (Biomech Technician)** ঃ প্ৰযুক্তিৰ জৰিয়তে মানুহৰ হাত-ভৰি (bionic limbs) অধিক উন্নত কৰা হৈছে। এদিন এনেকুৰা হ'ব পাৰে যে সক্ষম মানুহেও অতি-মানৱীয় শক্তি পাবলৈ বায়' মেকানিকেল আহিলা লগাই ল'ব। এই জটিল যন্ত্ৰপাতিবোৰ মেৰামতি বা আপগ্ৰেড কৰিবলৈ বিশেষ দক্ষতা থকা টেকনিচিয়ানৰ প্ৰয়োজন হ'ব।

(২৮) **জেনেটিক ইঞ্জিনিয়াৰ (Genetic Engineer)** ঃ জেনেটিক ইঞ্জিনিয়াৰিং পূৰ্ণবিকাশ হোৱাৰ লগে লগে জন্মৰ পূৰ্বেই শিশুৰ গুণাগুণ নিৰ্ধাৰণ কৰা (custom-designed babies) সম্ভৱ হ'ব পাৰে। ইয়াৰ উপৰি এই প্ৰযুক্তিয়ে দুৰাৰোগ্য ব্যাধি নিৰাময় আৰু বয়স বৃদ্ধিৰ প্ৰক্ৰিয়া লেহেমীয়া কৰাত সহায় কৰিব।

(২৯) **টেক ইথিচিষ্ট (Tech Ethicist)** ঃ কেৱল কৰিব পাৰোঁ বুলিয়েই কিবা এটা কৰা উচিতনে? ইথিচিষ্টসকলে আমাক নতুন প্ৰযুক্তিৰ নৈতিকতা আৰু ইয়াৰ পৰিণামবোৰ বুজাত সহায় কৰে। যেনে— ৰবটক মানুহৰ দৰে অধিকাৰ দিয়া উচিতনে? বা লেবৰেটৰীত জন্ম হোৱা শিশুৰ পিতৃ-মাতৃৰ অধিকাৰ কাৰ থাকিব?

(৩০) **ভাৰ্চুৱেল ৰিয়েলিটি ডিজাইনাৰ (Virtual Reality Designer)** ঃ ঘৰত বহিয়েই পৃথিৱীৰ যিকোনো ঠাই ভ্ৰমণ কৰাৰ অভিজ্ঞতা প্ৰদান কৰিব পাৰে VR প্ৰযুক্তিয়ে। যিমানেই এই প্ৰযুক্তি বাস্তৱসন্মত হ'ব, সিমানেই দক্ষ VR ডিজাইনাৰৰ চাহিদা বাঢ়িব যিয়ে মানুহক কল্পনা আৰু বাস্তৱৰ মাজত এক সুন্দৰ অভিজ্ঞতা দিব পাৰিব।

(৩১) **সমস্যা সমাধান প্ৰতিযোগিতাৰ সঞ্চালক (Problem-Solving Competition Director)** ঃ মানৱ জাতিৰ ডাঙৰ সমস্যাবোৰ সমাধানৰ বাবে পুৰস্কাৰযুক্ত প্ৰতিযোগিতাৰ (যেনে— XPRIZE) আয়োজন কৰা হ'ব। এনে প্ৰতিযোগিতাবোৰ পৰিচালনা কৰিবলৈ দক্ষ পেছাদাৰীৰ প্ৰয়োজন হ'ব।

(৩২) **চিন্থেটিক বায়'ল'জী ইঞ্জিনিয়াৰ (Synthetic Biology Engineer)** ঃ এইসকল বিশেষজ্ঞই লেবৰেটৰীত মাংস উৎপাদন কৰা বা নতুন ধৰণৰ কৃত্ৰিম জীৱৰ সৃষ্টি কৰিব পাৰে যিয়ে চিকিৎসা আৰু উদ্যোগ ক্ষেত্ৰত বিপ্লৱ আনিব পাৰে।

(৩৩) **প্ৰকল্প-ভিত্তিক মানৱ সম্পদ সঞ্চালক (Project-Based HR Director)** ঃ ভৱিষ্যতে স্থায়ী চাকৰিতকৈ ফ্ৰীলান্স কামৰ গুৰুত্ব বাঢ়িব। গতিকে কোনো নিৰ্দিষ্ট প্ৰকল্পৰ বাবে সঠিক লোকক বিচাৰি উলিওৱা আৰু তেওঁলোকক পৰিচালনা কৰিবলৈ বিশেষ HR বিশেষজ্ঞৰ প্ৰয়োজন হ'ব।

(৩৪) **বতৰ নিয়ন্ত্ৰণ ইঞ্জিনিয়াৰ (Weather Control Engineer)** ঃ জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰা খৰাং বা বানপানীৰ দৰে সমস্যাবোৰ সমাধান কৰিবলৈ বতৰক বৈজ্ঞানিকভাৱে নিয়ন্ত্ৰণ কৰাৰ প্ৰচেষ্টা চলিব। এই ইঞ্জিনিয়াৰসকলে পৃথিৱীৰ নিৰ্দিষ্ট অংশত বতৰৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ কাম কৰিব।

## কিছুমান অতি-ভৰিষ্যতবাদী চাকৰি

(১) **অংগ নিৰ্মাতা (Organ creator) :** নিউজীলেণ্ডৰ ক্রিমছন এডুকেচন'ৰ মতে, ভৰিষ্যতে সংস্থাপনযোগ্য অংগৰ অভাৱৰ বাবে বিজ্ঞানীসকলে ষ্টেম চেল (Stem cells) আৰু অন্যান্য সামগ্ৰীৰ সহায়ত কৃত্ৰিম অংগ আৰু শৰীৰৰ অংশ তৈয়াৰ কৰিব। ইয়াৰ বাবে মলিকুলাৰ বায়'লজী, টিছু ইঞ্জিনিয়াৰিং বা বায়' মেডিকেল ইঞ্জিনিয়াৰিং পঢ়া লোকৰ প্ৰয়োজন হ'ব।

(২) **অগ্‌মেণ্টেড ৰিয়েলিটি যাত্ৰা নিৰ্মাতা (Augmented-reality journey builder) :** এ আৰ (AR) যাত্ৰা নিৰ্মাতাসকলে গ্ৰাহকৰ পছন্দ অনুসৰি কাল্পনিক ভ্ৰমণ বা অভিজ্ঞতাৰ ডিজাইন কৰিব। ইয়াৰ বাবে চলচ্চিত্ৰ নিৰ্মাণৰ ডিগ্ৰী আৰু অনলাইন গেমিঙৰ অভিজ্ঞতা থকা প্ৰাৰ্থীৰ প্ৰয়োজন হ'ব।

(৩) **মেটাভাৰ্ছ পৰিকল্পনাকাৰী (Metaverse planner) :** মেটাভাৰ্ছে কেৱল বাস্তৱক নহয়, চাকৰিৰ বজাৰখনকো সলনি কৰিব। এজন মেটাভাৰ্ছ পৰিকল্পনাকাৰীয়ে এই ডিজিটেল জগতখনৰ কৌশলগত ব্যৱস্থাপনা কৰিব। ইয়াৰ বাবে ব্যৱস্থাপনাৰ অভিজ্ঞতা আৰু উদ্যমী মনোভাৱৰ প্ৰয়োজন হ'ব।

(৪) **বায়'ফিল্ম ইনষ্টলাৰ (Biofilm installer) :** বায়'ফিল্ম বা অণুজীৱৰ তৰপবোৰ লেতেৰা যেন লাগিলেও এইবোৰ নলা-নৰ্দমা পৰিষ্কাৰ কৰা বা শক্তি উৎপাদনত ব্যৱহাৰ কৰিব পাৰি। বায়'ফিল্ম ইনষ্টলাৰে ঘৰৰ পাকঘৰ বা স্নানাগাৰত এনে কিছুমান জীৱন্ত অণুজীৱ সংস্থাপন কৰিব যিয়ে ঘৰৰ আৱৰ্জনা বা ভেঁকুৰ নিজে নিজে নষ্ট কৰিব।

(৫) **ভূমিকম্পৰ ভৰিষ্যতবক্তা (Earthquake forecaster) :** যোৱা ৫০ বছৰ ধৰি ই এক সম্ভাব্য চাকৰি হৈ আছে। বৰ্তমান মেচিন লাৰ্নিঙৰ সহায়ত বিজ্ঞানীসকলে ভূমিকম্পৰ সঠিক আগজাননী দিয়াৰ দিশে আগবাঢ়িছে। ইয়াৰ বাবে ভূতত্ত্ব (Geology) আৰু ভূ-পদাৰ্থ বিজ্ঞানৰ (Geophysics) জ্ঞান অপৰিহাৰ্য।

(৬) **অস্থায়ী গাঁথনি অভিযন্তা (Makeshift structure engineer) :** প্ৰাকৃতিক দুৰ্যোগ বা যুদ্ধৰ সময়ত আশ্ৰয়হীন লোকৰ বাবে 3-ডি প্ৰিন্টিং (3D printing) প্ৰযুক্তি ব্যৱহাৰ কৰি কেইঘণ্টামানৰ ভিতৰত অস্থায়ী ঘৰ নিৰ্মাণ কৰাই হ'ব এওঁলোকৰ কাম। ইয়াৰ বাবে ইণ্ডাষ্ট্ৰিয়েল ডিজাইন আৰু ষ্ট্ৰাকচাৰেল ইঞ্জিনিয়াৰিং পঢ়িব লাগিব।

(৭) **এল্‌গৰিথম পক্ষপাতিত্ব নিৰীক্ষক (Algorithm bias auditor) :** আজিৰ দিনত চাকৰিৰ বাছনিৰ পৰা ডেটিং এপলৈকে সকলো এলগৰিথমে নিয়ন্ত্ৰণ কৰে। এই এলগৰিথমবোৰে যাতে কোনো ধৰণৰ বৈষম্য নকৰে, সেয়া পৰীক্ষা কৰিবলৈ কম্পিউটাৰ বিজ্ঞান বা ডাটা এনালিটিৰ বিশেষজ্ঞৰ প্ৰয়োজন হ'ব।

(৮) **পুনৰ-বনানীকৰণকাৰী (Rewilder) :** এওঁলোকে কংক্ৰিটৰ জংঘলক পুনৰ সেউজীয়া বনাঞ্চললৈ ৰূপান্তৰ কৰিব। ঔদ্যোগিক বিপ্লৱৰ ফলত নষ্ট হোৱা পৰিৱেশক পুনৰুদ্ধাৰ কৰিবলৈ কৃষি, বন্যপ্ৰাণী ব্যৱস্থাপনা আৰু পৰিৱেশ বিজ্ঞানৰ বিশেষজ্ঞৰ প্ৰয়োজন হ'ব।

(৯) **মানুহ-যন্ত্ৰৰ সমন্বয় ব্যৱস্থাপক (Human-machine teaming manager) ঃ** এই পদত থকা ব্যক্তিয়ে মানুহ আৰু যন্ত্ৰই কেনেকৈ একেলগে কাম কৰিব পাৰে তাৰ নিয়ম নিৰ্ধাৰণ কৰিব। ইয়াৰ বাবে মনোবিজ্ঞান (Psychology), কম্পিউটাৰ বিজ্ঞান বা নিউৰ'ছায়েন্সৰ জ্ঞান থকা প্ৰাৰ্থীৰ প্ৰয়োজন হ'ব।

(১০) **ডিজিটেল মুদ্ৰা উপদেষ্টা (Digital currency advisor) ঃ** বিটকইন বা ইথাৰিয়ামৰ দৰে ক্ৰিপ্টোকাৰেন্সীত বিনিয়োগ কৰা লোকসকলক সঠিক পথ দেখুৱাবলৈ এই উপদেষ্টাসকলৰ প্ৰয়োজন হ'ব। একাউন্টিং আৰু ডাটা ছিকিউৰিটিৰ জ্ঞান থকা লোকসকল এই কামৰ বাবে উপযুক্ত।

(১১) **ড্ৰোন ট্ৰেফিক অপ্টিমাইজাৰ (Drone traffic optimizer) ঃ** ভৱিষ্যতে আকাশত ড্ৰোনৰ সংখ্যা ইমানেই বৃদ্ধি পাব যে সেইবোৰৰ যাতায়াত নিয়ন্ত্ৰণ কৰিবলৈ বিশেষজ্ঞৰ প্ৰয়োজন হ'ব, যাতে ড্ৰোনবোৰৰ মাজত সংঘৰ্ষ নহয়।

(১২) **স্বয়ংক্ৰিয় গাড়ীৰ মেকানিক (Autonomous car mechanic) ঃ** টেছলা বা ওৱেম'ৰ দৰে স্বয়ংক্ৰিয় গাড়ীয়ে নিজেই চলিব পাৰে, কিন্তু নিজে নিজে মেৰামতি হ'ব নোৱাৰে। এই গাড়ীসমূহৰ মেৰামতিৰ বাবে পৰম্পৰাগত মেকানিকৰ লগতে উচ্চ প্ৰযুক্তিৰ জ্ঞান থকা বিশেষজ্ঞৰ প্ৰয়োজন হ'ব।

(১৩) **স্মাৰ্ট হোম ডিজাইন মেনেজাৰ (Smart home design manager) ঃ** ভৱিষ্যতৰ ঘৰবোৰ হ'ব সম্পূৰ্ণ স্মাৰ্ট য'ত পোহৰ, উষ্ণতা আৰু নিৰাপত্তা এআই (AI) দ্বাৰা নিয়ন্ত্ৰিত হ'ব। এনে ঘৰৰ নক্সা প্ৰস্তুত কৰিবলৈ ৰবটিক্স আৰু স্থাপত্য বিজ্ঞানৰ ডিগ্ৰী থকা মেনেজাৰৰ প্ৰয়োজন হ'ব।

(১৪) **ক্ষিপ্ৰ যোগান শৃংখল কৰ্মী (Agile supply chain worker) ঃ** গোলকীয় অৰ্থনীতিত যিকোনো সামগ্ৰীৰ কেঁচামাল কম খৰচত আৰু সোনকালে ক'ত পোৱা যাব, সেইটো বিচাৰি উলিওৱাই হ'ব এওঁলোকৰ কাম। যোগান শৃংখল ব্যৱস্থাপনা (SCM) পঢ়া লোকৰ ইয়াত যথেষ্ট চাহিদা থাকিব।

(১৫) **আৱৰ্জনা অভিযন্তা / গাৰ্বেজ ডিজাইনাৰ (Trash engineer) ঃ** পৃথিৱীত প্ৰতি বছৰে ২ বিলিয়ন টন আৱৰ্জনা উৎপন্ন হয়। গাৰ্বেজ ডিজাইনাৰসকলে এই আৱৰ্জনাবোৰক কেনেকৈ পুনৰ ব্যৱহাৰযোগ্য (Upcycle) কৰি নতুন সামগ্ৰী তৈয়াৰ কৰিব পাৰি, তাৰ উপায় বিচাৰিব। ইয়াৰ বাবে মেটেৰিয়েল চাইন্সৰ জ্ঞানৰ প্ৰয়োজন হ'ব।

(১৬) **অৰ্গেনাইজেশ্যনেল ডিছৰাপ্টৰ (Organizational Disrupter) ঃ** ডাঙৰ কোম্পানীবোৰক অধিক সৃজনীশীল আৰু আধুনিক কৰিবলৈ পৰিকল্পিত পৰিৱৰ্তন আনিব।

(১৭) **ব্যক্তিগত শিক্ষা নিৰ্দেশক (Personal Education Guide) ঃ** ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ প্ৰয়োজন অনুসৰি পাঠ্যক্ৰম বাছি ল'বলৈ সহায় কৰা কোৰ্চ।

(১৮) **শৰীৰৰ অংগ নিৰ্মাতা (Custom Body Part Manufacturer)** 3-ডি প্ৰিন্টিং ব্যৱহাৰ কৰি মানুহৰ কোষৰ পৰাই কলিজা, বৃক্ক আদি অংগ তৈয়াৰ কৰিব।

(১৯) **মগজুৰ ইমপ্লান্ট বিশেষজ্ঞ (Brain Implant Specialist) ঃ** স্মৃতিশক্তি বৃদ্ধি বা ৰোগ নিৰাময়ৰ বাবে মগজুত কম্পিউটাৰ চিপ সংস্থাপন কৰিব।

(২০) **পাৰ্চনেল মাইক্ৰ'বায়'ম মেনেজাৰ (Personal Microbiome Manager)** ঃ আমাৰ শৰীৰত থকা বেক্টেৰিয়াবোৰৰ ভাৰসাম্য ৰক্ষা কৰি আমাক সুস্থ কৰি ৰাখিব।

(২১) **ফাৰ্মাচিউটিকেল আৰ্টিজান (Pharmaceutical Artisan)** ঃ এজন ব্যক্তিৰ বংশগতি আৰু স্বাস্থ্যৰ ইতিহাস চাই কেৱল তেওঁৰ বাবে বিশেষ ঔষধ তৈয়াৰ কৰিব।

(২২) **নগৰীয়া নিৰাপত্তা সমন্বয়ক (Urban Security Coordinator)** ঃ চহৰত মানুহ আৰু ৰবটৰ মাজত নিৰাপত্তা ব্যৱস্থা সমন্বয় কৰিব।

(২৩) **স্মৃতি ৰক্ষক বা শেষ-জীৱন মেনেজাৰ** ঃ মৃত্যুৰ পূৰ্বে শেষ বিদায় অনুষ্ঠান বা স্মৃতিতৰ্পণৰ বিশেষ পৰিকল্পনা কৰা।

(২৪) **হাইপাৰ-ইনটেলিজেণ্ট পৰিবহণ ইঞ্জিনিয়াৰ** ঃ সম্পূৰ্ণ স্বয়ংক্ৰিয় গাড়ী, ভেকুৱাম-টিউব টানেল আৰু দ্ৰুতবেগী ৰে'লৰ যোগাযোগ নেটৱৰ্ক গঢ়িব।

(২৫) **চাইবৰ্গ ডিজাইনাৰ (Cyborg Designer)** ঃ মানুহ আৰু যন্ত্ৰৰ সংমিশ্ৰণেৰে অধিক শক্তিশালী সত্তা গঢ়ি তোলা।

(২৬) **ৰবটিক বা হ'ল'গ্ৰাফিক অৱতাৰ ডিজাইনাৰ** ঃ ভাৰ্চুৱেল বন্ধুসকলক বাস্তৱ জগতত ৩-ডি হ'ল'গ্ৰাম বা ৰবট হিচাপে গঢ়ি তোলা।

(২৭) **মহাকাশ পৰ্যটন নিৰ্দেশক (Space Tourism Guide)** ঃ মহাকাশ ভ্ৰমণলৈ যোৱা লোকক প্ৰশিক্ষণ আৰু সহায় কৰিব।

(২৮) **মহাকাশ নাৰ্ছ বা চিকিৎসক** ঃ মহাকাশত মহাকৰ্ষণ শক্তিহীনতাৰ বাবে হোৱা স্বাস্থ্য সমস্যাৰ চিকিৎসা কৰিব।

(২৯) **লেণ্ডফিল ৱৰ্ম অপাৰেটৰ (Landfill Worm Operator)** ঃ পেলনীয়া আৱৰ্জনাৰ স্তূপৰ পৰা যান্ত্ৰিক কেঁচুৰ সহায়ত মূল্যবান ধাতু আৰু সম্পদ উলিয়াই আনিব।

(৩০) **বিলুপ্ত প্ৰজাতিৰ পুনৰুজ্জীৱক (Extinct Species Revivalist)** ঃ বিজ্ঞানৰ সহায়ত বিলুপ্ত হৈ যোৱা জীৱ-জন্তুবোৰক পুনৰ জীয়াই তুলিব।

(৩১) **এনড্ৰইড সম্পৰ্কীয় পৰামৰ্শদাতা** ঃ ভৱিষ্যতে বুদ্ধিমান ৰবটৰ সৈতে মানুহৰ যি সম্পৰ্ক গঢ়ি উঠিব পাৰে, তাৰ জটিলতাসমূহ সমাধান কৰিব।

(৩২) **মাইণ্ড-ট্ৰান্সফাৰ বিশেষজ্ঞ (Mind-Transfer Specialist)** ঃ মানুহৰ মনটো কম্পিউটাৰত আপলোড কৰি থোৱা বা অন্য শৰীৰলৈ স্থানান্তৰ কৰা।

■ ■ ■

## Let us ponder into a few top Govt. of India initiatives suitable for the students

1. **Online Labs for School Experiments (OLabs) : https://www.olabs.edu.in/** Online Labs (OLabs) in India, primarily developed by Amrita University and CDAC Mumbai, offer free interactive simulations for Physics, Chemistry, Biology, and Maths, aligned with CBSE/NCERT curriculum for classes 9-12. These labs enable students to conduct experiments virtually, accessible anytime, anywhere, with additional resources for English and Math.
2. **National Scholarship Portal (NSP): https://scholarships.gov.in/** The National Scholarship Portal (NSP) is a digital, centralized platform by the Government of India designed to manage the entire lifecycle of student scholarships, from application submission to direct fund distribution.
3. **National Programme on Technology Enhanced Learning (NPTEL): https://nptel.ac.in/** National Programme on Technology Enhanced Learning is a premier Indian e-learning initiative funded by the central Ministry of Education. Launched in 2003 as a collaborative project by seven Indian Institutes of Technology (IITs) and the Indian Institute of Science (IISc), it serves as the world's largest online repository for engineering, basic sciences, and humanities course content.
4. **Skill India Digital HUB (SIDH): https://www.skillindiadigital.gov.in/home** The Skill India Digital Hub (SIDH) is India's premier national Digital Public Infrastructure (DPI) designed to unify the country's skilling, education, employment, and entrepreneurship landscape. Launched by the Ministry of Skill Development and Entrepreneurship (MSDE) and driven by the National Skill Development Corporation (NSDC), the platform serves as a one-stop digital solution for lifelong learning and career advancement.
5. **my Scheme : https://www.myscheme.gov.in/** myScheme is a centralized national platform launched by the Government of India to offer a one-stop search and discovery portal for various government welfare schemes. Developed by the National e-Governance Division (NeGD) and supported by MeitY, the platform eliminates the need for citizens to search across multiple department websites.

### CAREER GUIDANCE

- **My Career Advisor by Ministry of Education:** https://play.google.com/store/apps/details?id=com.wadhwani.career&hl=en_IN&pli=1
- **Link of Career Guidance:** https://ssa.assam.gov.in/portlets/career-guidance

# অনুশীলন প্ৰশ্নকাকত (Practice Question Papers)

## Previous Year ADRE/SLRC Question Paper
### Class 12th Standard

**Full Marks : 150** **Time : 3.00 Hours**

1. কোনো এটা সংখ্যাক প্ৰথমে 40% বৃদ্ধি কৰা হ'ল আৰু তাৰ পিছত 40% হ্ৰাস কৰা হ'ল। শতাংশ পৰিমাণত সংখ্যাটোৰ মুঠ পৰিৱৰ্তন হৈছে
   (A) 16% বৃদ্ধি (B) 16% হ্ৰাস
   (C) 32% হ্ৰাস (D) অপৰিৱৰ্তিত
2. যদি A, B আৰু C ৰ গড় বয়স 22 বছৰ আৰু B আৰু C ৰ বয়স 25 বছৰ, তেন্তে এতিয়াৰ পৰা 9 বছৰৰ পিছত A ৰ বয়স হ'ব
   (A) 25 বছৰ (B) 35 বছৰ
   (C) 50 বছৰ (D) 45 বছৰ
3. $\sqrt{\frac{1}{2}}, \sqrt{\frac{1}{3}}, \sqrt{\frac{1}{4}}$ আৰু $\sqrt{\frac{2}{3}}$ ত ন্যূনতম মানৰ সংখ্যাটো হৈছে—
   (A) $\sqrt{\frac{1}{2}}$ (B) $\sqrt{\frac{1}{3}}$
   (C) $\sqrt{\frac{1}{4}}$ (D) $\sqrt{\frac{2}{3}}$
4. যদি $\frac{x}{3} = \frac{y}{4} = \frac{z}{7}$, তেন্তে $\frac{x+y+z}{z}$ ৰ মান হ'ব
   (A) 2 (B) 3
   (C) 4 (D) 5
5. দুটা সংখ্যা 2 : 3 অনুপাতত আছে আৰু সিহঁতৰ গ.সা.উ. আৰু ল.সা.গু.ৰ পূৰণফল 96. সংখ্যা দুটাৰ যোগফল হৈছে
   (A) 18 (B) 20
   (C) 22 (D) 24
6. $\sqrt[3]{8^2}$ ৰ মান হ'ব
   (A) 1 (B) 3
   (C) 2 (D) 4
7. কোনো এক ব্যৱসায় প্ৰতিষ্ঠনত ধন বিনিয়োগ কৰিলে এমাহৰ অন্তত এই ধন দুগুণ পৰিমাণৰ হয়গৈ, কিন্তু প্ৰতিষ্ঠানটোৱে ধন দুগুণ হ'লেই ₹120 কাটি ৰাখে। এজন মানুহে এই প্ৰতিষ্ঠানত ₹105 বিনিয়োগ কৰে আৰু কোনো অধিক বিনিয়োগ নকৰাকৈ ইয়াক 3 মাহলৈ চলাই নিয়ে। 3 মাহৰ অন্তত মানুহজনৰ মুঠ আয়
   (A) ₹ 55 (B) ₹ 0
   (C) ₹ 270 (D) ₹ 45
8. 80 আৰু 100 ৰ মাজত অৱস্থিত মৌলিক সংখ্যা কেইটা ?
   (A) 2 (B) 5
   (C) 3 (D) 4
9. $[(10^7 \div 10^2)+(10^3 \div 10^{-2})] \div 10^5$ ৰ মান নিৰ্ণয় কৰক।
   (A) 100 (B) 200
   (C) 2 (D) 1
10. যদি A : B = 3, তেন্তে 144A : 36B ৰ মান হ'ব
    (A) 4 (B) 12
    (C) 3 (D) 16
11. পৌনঃপুনিক সংখ্যা $2.\overline{19}$ ৰ সমতুল্য ভগ্নাংশ হৈছে
    (A) $\frac{271}{99}$ (B) $\frac{217}{99}$
    (C) $\frac{219}{99}$ (D) $\frac{291}{99}$
12. $2^6$, $3^5$, $4^4$ আৰু $5^3$ সংখ্যাকেইটাৰ সৰ্বোচ্চ মানৰ সংখ্যাটো হ'ব
    (A) $2^6$ (B) $3^5$
    (C) $4^4$ (D) $5^3$
13. এজন চাইকেল আৰোহীৰ ক্ষেত্ৰত দেখা গ'ল যে তেওঁ পেডেলত দুটা সম্পূৰ্ণ পাক মাৰিলে চাইকেলখনৰ

আগচকাটোৱে সম্পূৰ্ণ 3 পাক মাৰে। যদি চাইকেলৰ চকাৰ ব্যাসাৰ্ধ 70 চে.মি. হয়, তেন্তে পেডেলৰ 10টা সম্পূৰ্ণ পাকত চাইকেলখনে কিমানদূৰ পথ (মিটাৰ এককত) অতিক্ৰম কৰিব?

(A) $7\pi$ (B) $14\pi$
(C) $21\pi$ (D) $28\pi$

14. এটা সমকোণী ত্ৰিভুজৰ ভূমি আৰু উচ্চতাৰ দৈৰ্ঘ্য তৃতীয়টো বাহুৰ দৈৰ্ঘ্য $2\sqrt{2}$ চে.মি.। ত্ৰিভুজটোৰ ক্ষেত্ৰফল

(A) 2 বৰ্গ চে.মি. (B) $2\sqrt{2}$ বৰ্গ চে.মি.
(C) 4 বৰ্গ চে.মি. (D) $4\sqrt{2}$ বৰ্গ চে.মি.

15. 1 ৰ পৰা আৰম্ভ কৰা ক্ৰমিক সংখ্যাৰ কোনো এটা পৰিসৰত ইয়াত থকা সকলোবোৰ যুগ্ম সংখ্যা আঁতৰাই দিয়া হ'ল। অৱশিষ্ট সংখ্যাসমূহৰ প্ৰথম 7 টা সংখ্যা বিবেচনা কৰা হ'ল। এই 7 টা সংখ্যাৰ মুঠ যোগফল হৈছে

(A) 35 (B) 42
(C) 49 (D) 56

16. দুটা সংখ্যা A আৰু B ৰ যোগফলক বৰ্গ কৰাত C পোৱা গ'ল। পৰৱৰ্তী ঢাপত A ৰ পৰা B বিয়োগ কৰি বৰ্গ কৰাত D পোৱা গ'ল। C – D ক A আৰু B ত প্ৰকাশ কৰিলে প্ৰকাশৰাশিটো হ'ব

(A) A(A + B) (B) 4(A – B)
(C) $\frac{AB}{4}$ (D) 4AB

17. ন্যূনতম কি সংখ্যাৰে1250 ক পূৰণ কৰিলে পূৰ্ণবৰ্গ সংখ্যা পোৱা যাব?

(A) 4 (B) 3
(C) 5 (D) 2

18. এটা ভগ্নাংশৰ লৱক 4 ৰে হৰক 9 ৰে পূণ কৰিলে ভগ্নাংশটোৰ প্ৰতিলোম পোৱা যায়। ভগ্নাংশটো হৈছে

(A) $\frac{4}{5}$ (B) $\frac{2}{3}$
(C) $\frac{5}{4}$ (D) $\frac{3}{2}$

19. সৰল সূতত কোনো মূলধন 12 বছৰৰ মূৰত দুগুণ হ'বলৈ সৰল সুতৰ হাৰ কিমান হ'ব লাগিব?

(A) $9\frac{1}{2}\%$ (B) $8\frac{1}{2}\%$
(C) $8\frac{1}{3}\%$ (D) $9\frac{1}{3}\%$

20. দুটা বৃত্তৰ ব্যাসাৰ্ধৰ অনুপাত 1 : 3. বৃত্ত দুটাৰ ক্ষেত্ৰফলৰ অনুপাত হ'ব

(A) 1 : 6 (B) 2 : 9
(C) 1 : 9 (D) 6 : 9

21. 100 ৰ 100% ৰ লগত 200 ৰ 200% যোগ কৰিলে ফলাফল হ'ব

(A) 300 (B) 400
(C) 500 (D) 600

22. যদি a+b = 8, b+c = 20 আৰু a+c = 18, তেন্তে $a^2 + b^2$ ৰ মান হ'ব

(A) 34 (B) 43
(C) 46 (D) 64

23. যদি $2^x = 32$, তেন্তে x ৰ মান হ'ব

(A) 4 (B) 5
(C) 6 (D) 7

24. 5টা অযুগ্ম সংখ্যাৰ যোগফল 95 পোৱা গ'ল। সংখ্যাকেইটাৰ আটাইতকৈ ডাঙৰ সংখ্যাটো হৈছে

(A) 17 (B) 21
(C) 23 (D) 19

25. যদি দশমিক সংখ্যা 34p5 টো 9 ৰে বিভাজ্য হয়, তেন্তে $p$ ৰ মান হ'ব

(A) 8 (B) 7
(C) 4 (D) 6

26. 4 চে.মি. বাহুৰ বৰ্গক্ষেত্ৰ এটাৰ ভিতৰত আঁকিব পৰা বৃত্ত এটাৰ সৰ্বোচ্চ ক্ষেত্ৰফল হ'ব

(A) $4\pi^2$ বৰ্গ চে.মি. (B) $4\pi$ বৰ্গ চে.মি.
(C) $\frac{\pi}{4}$ বৰ্গ চে.মি. (D) $\frac{\pi^2}{4}$ বৰ্গ চে.মি.

27. যদি আজি ৰবিবাৰ হয় তেন্তে 92 দিনৰ মূৰৰ দিনটো হ'ব

(A) শনিবাৰ (B) শুক্ৰবাৰ
(C) ৰবিবাৰ (D) সোমবাৰ

28. কোনো এক সংখ্যাৰ বৰ্গমানৰ পৰা সংখ্যাটোৰ তিনি গুণ বিয়োগ কৰিলে পুনৰ সেই সংখ্যাটোৰেই পোৱা যায়। সংখ্যাটো হৈছে
(A) 4 (B) 2
(C) – 2 (D) – 4

29. ৰোমান সংখ্যা XCI য়ে বুজোৱা দশমিক সংখ্যাটো হৈছে
(A) 41 (B) 21
(C) 91 (D) 111

30. 13 মি. দৈৰ্ঘ্যৰ জখলা এডাল উলম্ব দেৱাল এখনত হেলান দি আছে আৰু ইয়াৰ ওপৰৰ মূলটো 5 মি. উচ্চতাত আছে। দেৱালখনৰ পাদবিন্দু আৰু জখলাৰ তলৰ মূৰৰ মাজৰ অনুভুমিক দূৰত্ব হৈছে
(A) 9 মি. (B) 5 মি.
(C) 11 মি. (D) 12 মি.

31. 2, – 1, 3, 1, – 2, 5, 6 সংখ্যাক্ৰমটোৰ মধ্যমা হৈছে
(A) 1 (B) – 1
(C) 2 (D) 3

32. এজন মানুহে এক প্ৰদত্ত বিন্দুৰ পৰা সদায়ে 7 মি. দূৰত্ব বজাই ৰাখি এক নিৰ্দিষ্ট পথেৰে গতি কৰে। কিছু সময় এনেদৰে গতি কৰি তেওঁ পুনৰ যাত্ৰাৰ আৰম্ভণী স্থানত উপনীত হয়গৈ। এই সময়ছোৱাত তেওঁ অতিক্ৰম কৰা দূৰত্বৰ আসন্ন মান হৈছে
(A) 22 মি. (B) 44 মি.
(C) 122 মি. (D) 144 মি.

33. 1 ঘন মি. আয়তনৰ ঘনক এটাৰ পৰা 1 ঘন চে.মি. আয়তনৰ কিছুমান সৰু ঘনক সমানকৈ কাটি উলিওৱা হ'ল। প্ৰাপ্ত সৰু ঘনকৰ সংখ্যা হৈছে
(A) 10000 (B) 100000
(C) 1000 (D) 1000000

34. 6, 8 আৰু 12 ৰে একে সময়তে বিভাজ্য ন্যূনতম ধনাত্মক অখণ্ড সংখ্যাটো হ'ল
(A) 24 (B) 18
(C) 48 (D) 36

35. 3-অংকযুক্ত আটাইতকৈ সৰু যুগ্ম স্বাভাৱিক সংখ্যা আৰু 2-অংকযুক্ত সৰ্বোচ্চ যুগ্ম স্বাভাৱিক সংখ্যাৰ পাৰ্থক্য হৈছে
(A) 1 (B) 2
(C) 3 (D) 4

36. Identify the adverb in the following sentence :
He could not go deep into the forest.
(A) Deep (B) Go
(C) He (D) Into

37. From the list below, identify the antonym of 'cheap'.
(A) Price (B) Poor
(C) Expensive (D) Rice

38. What is the synonym of 'furious'?
(A) Laughter (B) Witch
(C) Impure (D) Angry

39. Identify the incorrectly spelt word.
(A) Square (B) Parpendicular
(C) Diagonal (D) Triangle

40. Give one-word substitution for 'a person who loots and plunders ships'.
(A) Robber (B) Pirate
(C) Dacoit (D) Looter

41. What is meant by 'to get the green signal'?
(A) To stop others
(B) To go away
(C) To get permission
(D) To get the keys of a car

42. Fill in the blank :
Lokesh can jump very _____.
(A) high (B) higher
(C) highest (D) tall

43. What is the collective noun for 'fish'?
(A) Swarm (B) Pack
(C) School (D) Herd

44. Fill in the correct conjunctions in the following :
_____ Reshma _____ Padma knew the directions, and now they are lost.
(A) Either, or (B) Both, and
(C) Not only, but also (D) Neither, nor

45. Which of the following punctuation marks is called 'apostrophe' ?
(A) (-) (B) (/)
(C) (' ) (D) (:)

46. Which of the following means similar to 'elevated'?
(A) Topped (B) Wished
(C) Promoted (D) Transferred

47. What is meant by 'to create a ruckus' ?
(A) Make loud noise (B) An artistic work
